Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 17, 2025 ■ সোমবাৰ, ৩ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৯ Guwahati, Assam ।। মূল্যঃ এটকা

## ভৱানীপুৰ সত্ৰত হোলীৰ পাৰভঙা উছাহ



বিতং বাতৰি ৬নং পৃষ্ঠাত

### হিমন্ত বিশ্ব-প্ৰমোদক কাষত লৈ বিটিআৰ চুক্তি ৮২ শতাংশ কাৰ্যকৰী হোৱা বুলি দাবী

# বিটিআৰত উন্নয়নৰ জয়গান গালে অমিত শ্বাহে

### এবছুৰ কেন্দ্ৰীয় অধিৱেশনত বিৰ দি বাট নোপোৱা পৰিৱেশ

**'বডোফা'ৰ নামেৰে দিল্লীত এটা পথৰ নাম ৰখা হ'ব বুলি বিশেষ ঘোষণা শ্বাহৰ**

ই-সংবাদ, কোকৰাঝাৰ ১৬ মাৰ্চঃ ২০২০ চনত ৰূপায়িত বড়ো শান্তি চুক্তিৰ পিছৰে পৰা অঞ্চলটোত শান্তি, উন্নয়ন অব্যাহত আছে। বিটিআৰ চুক্তিৰ পিছত বিষয়টোক লৈ কংগ্ৰেছে হাঁহিছিল, ধেমালি কৰিছিল। কিন্তু শেষাংশ ১০ পৃষ্ঠাত




এবছুৰ কেন্দ্ৰীয় অধিৱেশনত গৃহমন্ত্ৰী অমিত শ্বাহ, দেওবাৰে

## এনপিপিৰ নেতৃত্বত পুনৰ কনৰাড

নতুন দিল্লী, ১৬ মাৰ্চঃ পুনৰ এবাৰ নেশ্যনেল পিপলছ পাৰ্টি বা এনপিপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে নিৰ্বাচিত হ'ল ৪ পৃষ্ঠাত

## বেলুচ বিদ্ৰোহীৰ আক্ৰমণত নিহত ৯০ পাক সেনা

### ৰক্তাক্ত পাকিস্তান!

বেলুচিস্তান, ১৬ মাৰ্চঃ সন্ত্ৰাসবাদীৰ কূটাঘাতে জৰ্জৰ কৰা পাকিস্তানত ৫ পৃষ্ঠাত

## গুৱাহাটীত অব্যাহত চিটি বাছৰ সন্ত্ৰাস

### এজন থিতাতে নিহত

ই-সংবাদ, ১৬ মাৰ্চঃ গুৱাহাটী মহানগৰীত চিটিবাছৰ অতপালি অব্যাহত আছে। চিটি বাছে প্ৰায়ে দুৰ্ঘটনা সংঘটিত কৰি অহাৰ শেষাংশ ৩ পৃষ্ঠাত

## সমষ্টিৰ উন্নয়নত ব্যৰ্থ হৈ ৰাইজৰ ৰোষত পৰি সাংবাদিকক গালি বিধায়ক পৰমানন্দৰ



ই-সংবাদ, ছিপাঝাৰ, ১৬ মাৰ্চঃ 'দুই এক সাংবাদিক বন্ধু আছে যিয়ে পইচা পালে নিজৰ মাককো বিক্ৰী কৰিব'- আজি ছিপাঝাৰত এইদৰে সাংবাদিকক লৈ চূড়ান্ত অপমানজনক মন্তব্য দিলে ছিপাঝাৰৰ বিধায়ক পৰমানন্দ শেষাংশ ৪ পৃষ্ঠাত

### দলীয় সংঘাতৰ অৱসান

## একলগ হ'ল দিলীপ-ৰাজেন!



ই-সংবাদ, ১৬ মাৰ্চঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বাবে দিলীপ শইকীয়া এতিয়া প্ৰত্যাহ্বান হৈ পৰিছে নেকি? এই প্ৰশ্ন বিগত কেইবাটাও দিন ধৰি অসমৰ ২ পৃষ্ঠাত

## অজাপ এৰি উৎপল বনিয়াই ধৰিলে 'হাত'



ই-সংবাদ, ১৬ মাৰ্চঃ অসম জাতীয় পৰিষদৰ নেতা উৎপল বনিয়াৰ কংগ্ৰেছত যোগদান। দেওবাৰে শেষাংশ ৬ পৃষ্ঠাত

### অসমৰ ৰাজনীতিতো ঘটিল 'দলিত'ৰ এণ্ট্ৰি

## ৰীতমৰ গ্ৰেপ্তাৰক লৈ হিমন্ত-জয়ৰামৰ টুইট-টুইট





ই-সংবাদ, ১৬ মাৰ্চঃ এইবাৰ অসমৰ ৰাজনীতিতো দলিতৰ প্ৰৱেশ ঘটালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই! এইবাৰ দলিতৰ প্ৰসংগ উত্থাপন কৰি বিৰোধীৰ মুখ বন্ধ কৰাৰ প্ৰয়াসত নামি পৰা দেখা গ'ল মুখ্যমন্ত্ৰীক। গুৱাহাটীত শেষাংশ ৫ পৃষ্ঠাত

## য'তেই কূটাঘাত, ত'তেই পাকিস্তানৰ সংযোগঃ মোদী

নতুন দিল্লী, ১৬ মাৰ্চঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাকিস্তান ভ্ৰমণক লৈ মাজে মাজে সৰৱ হৈ পৰে বিৰোধী। চিৰবৈৰী পাকিস্তানে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক কটূক্তি শেষাংশ ৪ পৃষ্ঠাত

## ম্যানমাৰৰ অৰণ্যত আলফাৰ 'সৈনিক দিৱস'

ই-সংবাদ, ১৬ মাৰ্চঃ ম্যানমাৰৰ গভীৰ অৰণ্যত সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন)এ পালন কৰে সৈনিক দিৱস। সৈনিক দিৱস উপলক্ষে নিষিদ্ধ ঘোষিত সংগঠনটোৰ উচ্চতম পৰিষদৰ সভাপতি পৰেশ বৰুৱাই আলফাৰ সদস্য আৰু অসমৰ জনসাধাৰণক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। উক্ত ভাষণৰ প্ৰতিলিপি প্ৰেছ বিবৃতিযোগে আৰু ভাষণৰ ৩ পৃষ্ঠাত

**আলফাৰ সদস্য, অসমৰ জনসাধাৰণৰ উদ্দেশ্যি অজ্ঞাত স্থানৰ পৰা ভাষণ প্ৰদান পৰেশ বৰুৱাৰ, এক হৈ থাকিবলৈ আহ্বান**

## অসমৰ আৰক্ষীয়ে দৰমহা ক'ৰ পৰা পায়?

### ভূপেন বৰাৰ বিশেষ প্ৰশ্ন

গুৱাহাটী, ১৬ মাৰ্চঃ সকলো দলৰ প্ৰতিনিধিক লৈ আৰু সৰ্বধৰ্মী লোকৰ সামূহিক প্ৰাৰ্থনাৰে আজি গুৱাহাটীৰ মানবেন্দ্ৰ শৰ্মা ভৱনত কংগ্ৰেছে এক ইফটাৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# একলগ হ'ল ৰাজেন-দিলীপ!

বিৰোধীয়ে গুৰুত্বসহকাৰে উত্থাপন কৰি আহিছে। কিয়নো বিজেপিয়ে আৰএছএছৰ আদৰ্শৰ সৈতে জড়িত পুৰণি বিজেপি নেতাসকলক একত্ৰিত কৰিবলৈ আৰম্ভ কৰিছে শইকীয়াই। ৰাজ্যিক সভাপতি পদৰ দায়িত্ব লৈ শইকীয়াই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পুৰণি নেতাসকলক সাক্ষাৎ কৰি পুনৰ সক্ৰিয় কৰিবলৈ আৰম্ভ কৰিছে। চাৰিটা দশক ধৰি দল কৰি অহা আৰু বৰ্তমান এলাগী হৈ বিদ্ৰোহ কৰা নেতাসকলক নেতৃত্ব দি অহা ৰাজেন গোহাঁইকো সক্ৰিয় কৰিবলৈ প্ৰয়াস কৰিছে শইকীয়াই। শইকীয়াই দলটোত পুৰণি নেতাৰ দপদপনি বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা বুলি চৰ্চা হ'ব ধৰিছে। অনাগত দিনত বশিষ্ঠৰ কাৰ্যালয় আৰু চৰকাৰত যাতে পুৰণি বিজেপিৰ দপদপনি বৃদ্ধি পায় তেনে লক্ষ্যৰে শইকীয়াই কাম কৰি থকা পৰিলক্ষিত হৈছে। কিয়নো ২০১৪ চনত কেন্দ্ৰত আৰু ২০১৬ চনত ৰাজ্যত চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱা বিজেপি দললৈ সোঁত বৈছিল কংগ্ৰেছীৰ। ১৫ বছৰীয়া তৰুণ গগৈ চৰকাৰত দপদপাই থকা প্ৰায় কুৰিগৰাকী কংগ্ৰেছ নেতা বিজেপিলৈ আহে। তাৰ পিছতে চৰকাৰত গুৰুত্বপূৰ্ণ পদীসমূহ দখল কৰে। কংগ্ৰেছীৰ আগ্ৰাসত পুৰণি বিজেপি নেতাসকল ঘৰত বহিবলৈ বাধ্য হয়। ৰমেন ডেকা, ৰাজেন গোহাঁই, অশোক শৰ্মাৰ দৰে নেতা এলাগী হয়। এটা সময়ত দলৰ ভিতৰত এইসকল নেতাক মাত দিবলৈ মানুহ নোহোৱা হৈ পৰে। ৰণজিৎ দাস, ভবেশ কলিতাৰ দৰে নেতা সভাপতি পদত থকাৰ সময়ত এইসকল নেতাক মনাত এযাৰ দিয়া নহ'ল। কিন্তু দলটোত পুৰণি নেতাক মৰ্যাদা দিবলৈ কাম কৰি গৈছে দিলীপ শইকীয়াই। বিজেপিৰ দিল্লীৰ নেতৃত্বই বিজেপিৰ দল আৰু দলটোৰ ভাতৃ-ভগ্নী সংগঠনৰ সভাপতি পদ পুৰণি তথা আৰএছএছৰ আদৰ্শৰ সৈতে জড়িত লোকক প্ৰদান কৰিছে। শেহতীয়া উদাহৰণ হৈছে দিলীপ শইকীয়া। আৰএছএছ কৰা পুৰণি বিজেপি নেতা দিলীপ শইকীয়া বিগত লোকসভা নিৰ্বাচনত টিকট পাবলৈ বহু কষ্ট কৰিবলগীয়া হৈছিল। একাংশ নতুন কংগ্ৰছ নেতাৰ আগ্ৰাসনত লোকসভাৰ টিকট পাবলৈ দিলীপ শইকীয়াৰ দৰে নেতাই বহু কষ্ট কৰিবলগীয়া হোৱাৰ লগতে শাসক দলটোত এতিয়া বহু পুৰণি নেতা পাহৰণিৰ গৰ্ভলৈ গুছি গৈছিল। বহু নেতা নিষ্ক্ৰিয়। প্ৰাক্তন সাংসদ তথা বিজেপি গঠনৰ পৰাই দলটোত জড়িত ৰাজেন গোহাঁই, ৰমেন ডেকা, নাৰায়ণ বৰকটকী, অশোক শৰ্মাৰ দৰে নেতাৰ দলত অস্তিত্ব নোহোৱা হৈ পৰিছিল। পাছলৈ বিদ্ৰোহী ৰমেন ডেকাক ৰাজ্যপালৰ পদ দিয়া হয়। কংগ্ৰেছৰ পৰা অহা একাংশ নেতাৰ আগ্ৰাসনে এইসকল নেতাৰ প্ৰভাৱ শূন্য কৰিছিল। ধন-জন, ক্ষমতাৰে বিৰাট প্ৰভাৱশালী নতুন বিজেপি নেতাসকলে চৰকাৰৰ সকলো গুৰুত্বপূৰ্ণ পদবী চম্ভালি আছে। যাৰ ফলত পুৰণি বিজেপি নেতাসকল নিৰ্বাচন খেলিবলৈ টিকট বিচাৰিবলৈ সাহস নকৰা হোৱাৰ লগতে দলটোত নিষ্ক্ৰিয় হৈ আছিল। কিন্তু পুৰণি নেতাক সক্ৰিয় কৰিবলৈ উঠি পৰি লাগিছে নতুন সভাপতিগৰাকী। বিগত কেইবাটাও দিনত বহু পুৰণি নেতাৰ কাষ চপা শইকীয়া এইবাৰ কাষ চাপে ৰাজেন গোহাঁইৰ। ৰাজেন গোহাঁইক বশিষ্ঠৰ কাৰ্যালয়লৈ মাতি আনি বিশেষ আলোচনাত মিলিত হয়। পুৰণি বিজেপি নেতা গোহাঁইক মৰ্যাদা প্ৰদানৰ প্ৰয়াস কৰা হৈছে। কংগ্ৰেছৰ পৰা অহা নতুন বিজেপি নেতাৰ আগ্ৰাসনত পুৰণি বিজেপি নেতা ৰাজেন গোহাঁই দলটোত এলাগী হৈ পুৰণি নেতাসকলক একত্ৰিত কৰিবলৈ ৰাজ্য ভ্ৰমণ কৰি ফুৰিছিল। বাৰে বাৰে পুৰণি নেতাই দলটোত মৰ্যাদা নোপোৱাৰ অভিযোগ আনিছিল। গোহাঁইৰ খং-ক্ষোভ কমাবলৈ প্ৰয়াস কৰা হৈছে। গৃহমন্ত্ৰী অমিত শ্বাহ অসমত আছে। অসমত থকাৰ সময়ত যদি পুৰণি বিজেপি নেতাই গুৰুত্ব নোপোৱা কথাটোৰ বাবে শ্বাকহক গোহাঁয়ে অভিযোগ দিব পাৰে বুলি আশংকা কৰি হৈছিল বাবেই হঠাতে ৰাজেন গোহাঁইক শইকীয়া কাৰ্যালয়লৈ মাতি আনি আলোচনাত মিলিত হোৱা বুলি সন্দেহ কৰাৰ অৱকাশ আছে। ৰাজেন গোহাঁই আৰু দিলীপ শইকীয়াই দীৰ্ঘ সময় আলোচনা কৰাৰ সময়ত বিজেপিৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু উপস্থিত আছিল। দিলীপ শইকীয়া সভাপতি হোৱাৰ পাছতে অৱহেলিত পুৰণি নেতা-কৰ্মীক সক্ৰিয় কৰি মৰ্যাদা দিব পাৰিব নে? পুৰণিক মৰ্যাদা দিবলৈ গৈ ন-বিজেপিয়ে দিলীপ শইকীয়াৰ বাবে প্ৰত্যাহ্বান হৈ পৰিব নেকি? সেয়া সময়েহে ক'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত চিটিবাছৰ অতপালি

সময়তে আজি পুনৰ ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱকৰ প্ৰাণ গৈছে। তীব্ৰবেগী যাত্ৰী ভৰ্তি চিটিবাছে স্কুটী আৰোহীক মহতিয়াই নিয়াত এজন যুৱক থিতাতে নিহত হয়। নিহত যুৱকজন অৰুণাচলৰ টিকিচি নবাব বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনা সংঘটিত হৈছে মহানগৰী নুনমাটি চেক্টৰ থ্ৰীত। জানিব পৰা মতে, আজি দুপৰীয়া নাৰেংগী দিশৰ পৰা আহি থকা তীব্ৰবেগী এএছ-০১-কেচি-৭৯৫১ নম্বৰৰ যাত্ৰী ভৰ্তি চিটিবাছখনে বিপৰীত দিশৰ পৰা আহি থকা এআৰ-০১-আৰ-০৮২৫ নম্বৰৰ স্কুটীখনক খুন্দা মাৰে। খুন্দা মৰাই নহয় স্কুটীখন বহু দূৰলৈ চোচোৰাই নিয়ে বাছখনে। ফলত আৰোহীসহ স্কুটীখন বাছখনৰ চকাৰ তলত সোমাই চুচুৰ্মৈ হৈ পৰে। ফলত থিতাতে নিহত স্কুটি চালকজন। ঘটনাস্থলীত উপস্থিত নুনমাটি আৰক্ষী উপস্থিত হৈ লোকজনক উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ মৃতদেহ উদ্ধাৰ কৰে। অৰুণাচলৰ টিকিচি নবাবে গুৱাহাটীত থাকি কাম কৰিছিল বুলি জানিব পৰা গৈছে। মহানগৰী নুনমাটি চেক্টৰ থ্ৰীত ভয়ংকৰ পথ দুৰ্ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। একাংশ বাছ চালকে নিয়ম নামানি বাছ চলাই অহাৰ ফলতে প্ৰায়ে এনে দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। কিন্তু গুৱাহাটী আৰক্ষীয়ে যেনেদৰে তৎপৰ হ'ব লাগিছিল তেনেদৰে তৎপৰ হোৱা দেখা নাযায়।

# ৰেডিচন ব্লুত উত্তৰ-পূৰৰ মুখ্যমন্ত্ৰীৰে বৈঠক অমিত শ্বাহৰ

**ই-সংবাদ, ১৬ মাৰ্চঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী উত্তৰ-পূৰ ভ্ৰমণৰ সময়তে উত্তৰ-পূৰৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। ৰেডিচন ব্লুত উঃ পূঃৰ মুখ্যমন্ত্ৰীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বৈঠক সমাপ্ত। মুখ্যমন্ত্ৰীসকলৰ লগতে মুখ্য সচিব, আৰক্ষী সঞ্চালকপ্ৰধানো উপস্থিত থাকে। বৈঠক সমাপ্তিৰ পিছতে গৃহমন্ত্ৰী শ্বাহ বিমান বন্দৰ অভিমুখে ৰাওনা হয়। অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ-পূৰৰ মুখ্যমন্ত্ৰীসকলৰ বিশেষ বৈঠকত ৰাজ্যসমূহ আইন-শৃংখলা পৰিস্থিতি, ড্ৰাগছ সৰবৰাহ ৰোধ আৰু ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী বিষয়ে আলোচনা কৰা হয়। এই আলোচনাত ভাৰতীয় ন্যায় সংহিতাক জনগণৰ মাজলৈ নিয়াৰ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ভাৰতীয় দণ্ডবিধিৰ (আইপিচি) স্থান লোৱা ভাৰতীয় ন্যায় সংহিতা (বিএনএছ)ৰ কাৰ্যকৰীকৰণৰ বিশেষ পৰ্যালোচনা কৰে। ইপিনে আজি পুৱাৰ ভাগত চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰা পৰিলক্ষিত হয়। আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ-পূৰৰ ৰাজ্যসমূহৰ সকলো মুখ্যমন্ত্ৰীৰে বৈঠক কৰাৰ পূৰ্বে অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে সাক্ষাতত মিলিত হয়। দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সীমা সমস্যাকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰা বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ হোটেল ৰেডিচন ব্লুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা পুৱাই নেফিঅ' ৰিঅ'ক সাক্ষাৎ কৰি পাৰস্পৰিক স্বাৰ্থৰ বিষয়সমূহ আলোচনা কৰা বুলি প্ৰকাশ কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অজাপ এৰি উৎপল বনিয়াই ধৰিলে

এক বৃহৎ যোগদান কাৰ্যসূচীত কংগ্ৰেছত যোগদান কৰে জাতীয়তাবাদী নেতাগৰাকীয়ে। ৰহাত অনুষ্ঠিত এক অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু নগাওঁ লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ উপস্থিতিত কংগ্ৰেছত যোগদান কৰে উৎপল বনিয়াই। উৎপল বনিয়াৰ সৈতে তেওঁৰ প্ৰায় ৫০০ সমৰ্থকে যোগদান কৰে কংগ্ৰেছত। মন কৰিবলগীয়া যে এই যোগদান কাৰ্যসূচীত অৰ্দ্ধসহস্ৰাধিক লোকে যোগদান কৰাৰ উপৰিও প্ৰায় এহেজাৰৰো অধিক ব্যক্তি উপস্থিত থাকে। যোগদান কাৰ্যসূচীত বনিয়াই কয় যে বৰ্তমান অসমত হোলী আৰু ৰমজানৰ পবিত্ৰ মাহ চলি আছে। এনে এটা শুভক্ষণত কংগ্ৰেছত যোগদান কৰিবলৈ পাই মই সঁচাই আশাবাদী। দলে যি উদ্দেশ্য আগত ৰাখি কাম কৰি আহিছে, সেই দিশেৰে আগবাঢ়ি আমি জনসাধাৰণৰ হিত সাধন কৰিব পাৰিম। উৎপল বনিয়াৰ যোগদানে দলক অধিক শক্তিশালী কৰিব বুলি উল্লেখ কৰি ভূপেন কুমাৰ বৰাই বিজেপিৰ বিৰুদ্ধে যুঁজ কৰিবলৈ কংগ্ৰেছেই একমাত্ৰ শক্তিশালী বিৰোধী বুলি উল্লেখ কৰে। ভূপেন বৰাই লগতে কয়, বিজেপিৰ একনায়কত্ববাদৰ পৰা অসমক ৰক্ষা কৰিবলৈ হ'লে সকলোৱে মিলি কংগ্ৰেছ দলক শক্তিশালী কৰিব লাগিব। তদুপৰি উপস্থিত সকলোকে একত্ৰিত হৈ ২০২৬ৰ মহাসংগ্ৰামত অৱতীৰ্ণ হৈ বিজেপিক প্ৰতিহত কৰিবলৈ আহ্বান জনায় ভূপেন বৰাই। উল্লেখ্য যে, মধ্য অসমৰ পৰা কেঁচা সোণৰ অসমীয়া গহনা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আহোপুৰুষাৰ্থ কৰি আহিছে যুৱ ব্যৱসায়ী উৎপল বনীয়াই। অসম জাতীয় পৰিষদ গঠনৰ সময়ত দলটোত যোগদান কৰি মধ্য অসমত দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ কাম কৰিছিল যদিও দলীয় নেতৃত্বৰ সৈতে মনোমালিন্য হোৱাত অসম জাতীয় পৰিষদ ত্যাগ কৰিছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত উৎপল বনীয়াই মাথো ৬ মাহ পূৰ্বে গঠিত অসম জাতীয় পৰিষদৰ পৰা ৰহা সমষ্টিৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল। কেইটামান দিন নিৰ্বাচনী প্ৰচাৰত নামি ৰহাত বিশেষ প্ৰভাৱ পেলাব নোৱাৰিলেও ৫,৬০০ ভোট লাভ কৰিছিল। নিজ ঘৰতে কেঁচা সোণৰ উদ্যোগ চলোৱা আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিপণী খুলি বহু নিবনুৱাক সংস্থাপন দিয়া উৎপল বনীয়াই দীৰ্ঘদিন ৰাজনীতিৰ পৰা আতৰি আছিল যদিও উৎপল বনীয়াই ৰাজ্যৰ মুখ্য বিৰোধী দলটোত যোগদান কৰাৰ ঘোষণা কৰা সময়তেই মধ্য অসমত ব্যাপক চৰ্চা লাভ কৰিছিল। ৰহা সমষ্টিত কাম কৰি থকা বনীয়াই কংগ্ৰেছত যোগদান কৰাৰ পিছতে মধ্য অসমৰ ৰাজনীতিত প্ৰভাৱ পৰিব বুলি বুঃ বাঃ চলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ আৰক্ষীয়ে দৰমহা ক'ৰ পৰা

সন্মিলন অনুষ্ঠিত কৰে। কংগ্ৰেছৰ প্ৰায়সকল জ্যেষ্ঠ নেতাৰ লগতে বিৰোধী পক্ষৰ আটাইকেইটা দলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা ইফটাৰ সন্মিলনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই অসমৰ বাবে সুদিন সমাগত বুলি উল্লেখ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলা হিটলাৰী অপশাসন অৱসান কৰিবৰ বাবে কংগ্ৰেছ দলে বিজেপি আৰু এআইইউডিএফ আৰু অগপক বাদ দি সকলো দলৰ সহযোগত ঐক্যবদ্ধভাৱে গণতান্ত্ৰিক যুঁজ দিয়াৰ সংকল্প গ্ৰহণ কৰিছে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বৰাই কয় যে অসমৰ মুখ্যমন্ত্ৰী আৰু শাসকীয় দলৰ ৰাজনৈতিক নেতাই অসাংবিধানিক বাক্য প্ৰয়োগ কৰি সমাজত বিভাজন আনিবলৈ অপচেষ্টা চলোৱাৰ অভিযোগ দাখিল কৰিলে অসম আৰক্ষী মনে মনে থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কেবাটাও গোচৰ দাখিল কৰিছিল। ৰাহুল গান্ধীৰ ডিএনএ পৰীক্ষা কৰা, ছোনিয়া গান্ধীৰ ঘৰ জ্বলাই দিব লাগে আদি উচটনিমূলক বক্তব্যৰ বিৰুদ্ধে কংগ্ৰেছ দলে দিছপুৰ থানাত দাখিল কৰা গোচৰৰ তদন্ত কৰিবলৈ অসম আৰক্ষীৰ সাহস নহ'ল। অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰিতম সিঙে যাৰ বিৰুদ্ধে সামাজিক মাধ্যমত অভিযোগ কৰিছে সেইজন বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে এছ'চিয়েশ্যন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ চমুকৈ এডিআৰে প্ৰতিবেদন দাখিল কৰি থৈছে আৰু ২০২৪ চনৰ ২৩ আগষ্টত আছাম ট্ৰিবিউন কাকতত এই বিষয়ে সবিশেষ প্ৰকাশ পাইছে। বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে থকা অভিযোগ ইতিমধ্যে এডিআৰৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। মহিলাৰ ওপৰত নিৰ্যাতন চলোৱা বিধায়ক হিচাপে এডিআৰে মানৱ ডেকাৰ নাম তালিকাভুক্ত ইতিমধ্যে কৰিছে বুলি উল্লেখ কৰি বৰাই কয় যে অসম আৰক্ষীয়ে বাজপেয়ী ভৱনৰ পৰা দৰমহা লয় নে অসমৰ ৰাইজৰ পৰা উঠোৱা টকা-পইছাৰে দৰমহা লয়? বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে আইপিচিৰ ধাৰা ৪৯৮এ, ২০১৭ চনৰ ৩১ ডিচেম্বৰত গুৱাহাটীৰ চিজেএম ক'ৰ্টত (গোচৰ নং এফআৰআই ২৮৭১/১৭) গোচৰ ৰুজু হৈছিল। আন এটা গোচৰ দিছপুৰ থানাত ২০১৪ চনত ৰুজু হৈছিল। এই সবিশেষ তথ্য এডিআৰৰ প্ৰতিবেদনত উল্লেখ আছে। মানৱ ডেকাৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ৩৪১, ২৭৯, ৩০৭ আদি ধাৰাত গোচৰ ৰুজু হৈ আছে আৰু ২০১৬ চনৰ ২৬ জুনত ১২৫৪ এফআইৰৰ যোগেদি আন এটা গোচৰ পঞ্জীভুক্ত হৈছে। এই সবিশেষ তথ্য ইতিমধ্যে ৰাজহুৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। বৰাই লগতে কয় যে কংগ্ৰেছে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে মাত মাতিবলৈ কেতিয়াও ভয় নকৰে আৰু গান্ধীজীৰ আদৰ্শৰে জনগণক জাগ্ৰত কৰিবলৈ সদায় চেষ্টা অব্যাহত ৰাখিব। উল্লেখ্য যে আজিৰ ইফটাৰ সন্মিলনত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা পৃথিৰাজ সাথে, পৱন সিং ঘাটোৱাৰ, কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, বিধায়ক ৰেকিবুদ্দিন আহমেদ, নন্দিতা দাস, ৰাইজৰ দলৰ প্ৰতিনিধি ভাস্কো ডি শইকীয়া, ৰাছেল হুছেইন, চিপিআইৰ প্ৰতিনিধি প্ৰাক্তন বিধায়ক মুনীন মহন্ত, অসম জাতীয় পৰিষদৰ অমৃত খনিকৰ, বিশিষ্ট চিন্তাবিদ আব্দুল মান্নান, নৱনীল বৰুৱা প্ৰমুখ্যে লোকসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ম্যানমাৰৰ অৰণ্যত আলফাৰ 'সৈনিক

ডিজিটেল ৰূপ সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰে আলফাৰ সহঃ প্ৰচাৰ সম্পাদক ঈশান অসমে। ভাষণত পৰেশ বৰুৱাই আলফাৰ সৈনিকসকললৈ বৈপ্লৱিক অভিনন্দন আৰু সামৰিক শুভেচ্ছা জনোৱাৰ লগতে যিসকলে নিজৰ ত্যাগ, সাহস আৰু নিভাঁজ দেশপ্ৰেমৰ চানেকীৰে নিজৰ নাম অসম বুৰঞ্জীত লিপিবদ্ধ কৰি গ'ল; সেইসকল মহান 'অমৰ মৃতক'ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। পৰেশ বৰুৱাই নিজৰ ভাষণত দাবী কৰে যে, "সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]" সংগঠনে অৱতাৰণা কৰা 'সন্মিলিত সশস্ত্ৰ জাতীয় মুক্তি বিপ্লৱ' কেতিয়াও বিফল হ'ব নোৱাৰে। কিয়নো, আমাৰ হেৰুৱা স্বাধীনতা পুনৰুদ্ধাৰৰ সংগ্ৰাম বিফল হোৱা মানে- "অজগৰৰ দৰে এফালৰ পৰা গিলিবলৈ ধৰা ঔপনিৱেশিক ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ ওচৰত বুৰঞ্জীপ্ৰসিদ্ধ এটা জাতি চিৰদিনৰ বাবে অস্তিত্ব হেৰুওৱা। অৰ্থাৎ স্বাধীনতাৰ বেলি চিৰকালৰ বাবে নিৰ্বাপিত হোৱা আৰু পৰাধীনতাৰ দাসত্ব মানি লোৱা।" কালজয়ী জাতিৰ ঐতিহ্যবাহী বুৰঞ্জী আৰু প্ৰায় দুশবছৰীয়া পৰাধীনতাৰ জীৱন্ত দলিলৰ ওপৰত আধাৰিত বাস্তৱ সত্যই হ'ল সবাতোকৈ ডাঙৰ শক্তি; যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তৎসত্বেও ইয়াৰ বাবে সময়ৰ পৰীক্ষা দিব লাগে। ধৈৰ্য আৰু সহিষ্ণুতা তাৰ চাবি-কাঠি। নিজ নিজ ক্ষেত্ৰত সম্পাদিত কৰ্মই যিহেতু প্ৰত্যেককৰে পৰিচয়ৰ স্বাক্ষৰ বহন কৰে; গতিকে প্ৰতিটো কাম মনে-প্ৰাণে, সততাৰে আত্মনিয়োগ কৰা উচিত। নিজ দায়িত্ব আৰু কৰ্তব্য পালনৰ লগত সংগঠনৰ নীতিগত লক্ষ্য, উদ্দেশ্যক একীভূত কৰাটোৱে সততা। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিত উল্লেখ কৰা অনুসৰি নিজৰ ভাষণত পৰেশ বৰুৱাই কয়, আমাৰ সংগঠনে বিশ্ব ভূ-ৰাজনীতিৰ গতিবিধিৰ ওপৰত দৃষ্টি ৰাখি, সশস্ত্ৰ ৰাজনীতিত সঠিক ৰণকৌশলৰ জৰিয়তে কেনেকৈ সুযোগ সৃষ্টি আৰু যথোপযুক্ত সময়লৈকে অপেক্ষা কৰিবলৈ অফুৰন্ত ধৈৰ্য, অদম্য সাহসেৰে কিদৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিব লাগে তাক ভালদৰে জানে। এয়া প্ৰত্যয়যুক্ত সময়ৰ শিকনি। বৈশ্বিক জগতৰ ঘটনা-পৰিঘটনা গমি-পিটি চালেই তাৰ যৌক্তিকতাৰ আধাৰ বিচাৰি পাব। ৫ পৃষ্ঠাজোৰা বিবৃতিৰ যোগেদি আলফা স্বাধীনে সংগঠনৰ আভ্যন্তৰীণ কিছু দিশতো আলোকপাত কৰি কয়, শিবিৰ অথবা অভিযানবোৰত অংশ লোৱা দুই-এক সহযোদ্ধাৰ বিশ্বাস ভংগই সৃষ্টি কৰা লজ্জাজনক আৰু উদ্বিগ্নতাৰ দিশটো সকলোৱে মানসিক সাহচৰ্যৰে মূল্যায়নৰ প্ৰয়োজন আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সমষ্টিৰ উন্নয়নত ব্যৰ্থ হৈ ৰাইজৰ ৰোষত

ৰাজবংশীয়ে। এটা পথকলৈ কমিছনৰাজৰ দৰে গুৰুতৰ অভিযোগ উঠা অকৰ্মণ্য বিধায়ক গৰাকীয়ে অভিযোগৰ প্ৰত্যুত্তৰ দিবলৈ গৈ সংবাদ মাধ্যমক নীতি শিক্ষাৰ পাঠহে দিলে। উল্লেখ্য যে, কামৰ তুলনাত ফোপোলা উন্নয়ণৰ ভাষণেৰে ৰাইজৰ কণামাকৰি সৰোৱা বিধায়ক গৰাকীক শনিবাৰে ইয়াৰ পিঠাখোৱা গাঁৱত ৰাইজে এটা পথকলৈ জবাবদিহি কৰিছিল। উল্লেখযোগ্য যে, পিঠাখোৱা গাঁৱৰ পঁচিশটা পৰিয়াল অহা-যোৱা কৰা এটা পথৰ উন্নয়নৰ বাবে দশকৰ পিছত দশক উকলি যোৱাৰ পিছতো কোনো জনপ্ৰতিনিধিয়ে মন-কাণ নকৰিলে। একেদৰে নিজকে বিধায়ক গৰাকীৰ ভাগিনীয়েক বুলি পৰিচয় দিয়া তথা দেৱানন্দ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী গৰাকীও ঘটনাক্ৰমে পথটোক লৈ আৰক্ষীৰ কাষ চাপিবলগীয়া হৈছিল। পথটোৰ উন্ময়নৰ প্ৰতি উদাসীন সভানেত্ৰী গৰাকীৰ সৈতে ৰাইজৰ বিবাদ লগাত শাৰিৰীক নিৰ্যাতনৰ অভিযোগ তুলি আৰক্ষীৰ কাষ চপাৰ লগতে বিধায়ক গৰাকী থকালৈকে পথটোৰ উন্নয়চ হ'বলৈ নিদিয়াৰ হুমকি দিছিল। ইপিনে ৰাইজে নিজেই উদ্যোগলৈ তদানীন্তন জনৈক শৰ্মা উপাধিৰ কনিষ্ঠ অভিযন্তাৰ জৰিয়তে পথটোৰ উন্নয়ণৰ প্ৰাক কলন কৰাৰ পিছতে তেওঁৰ বদলি হয়। তেওঁৰ পিছত নিতুমণি মজুমদাৰ নামৰ কনিষ্ঠ অভিযন্তাজনে এই সন্দৰ্ভত টিএছৰ নামত পাঁচ হাজাৰ আৰু ওপৰঞ্চি পঁচিশ হাজাৰ টকা কমিচন হিচাপে লয় যদিও ইতিমধ্যে তেৰোঁ বদলি হৈ যায়। ৰাইজৰ অভিযোগ অনুসৰি সেই পঁচিশ হাজাৰ টকা ধুৰন্ধৰ অভিযন্তা গৰাকীয়ে জিলা প্ৰকল্প বিষয়া আৰু বিধায়ক পৰমাৰ নামত কমিছন হিচাপে লৈছিল আৰু সেই ধন ৰাইজে ঘৰে ঘৰে তুলি দিবলৈ বাধ্য হৈছিল। প্ৰণিধানযোগ্য যে, অভিযন্তাজনে বিধায়ক গৰাকীয়ে পথটোৰ উন্নয়ণৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাইজক পতিয়ন নিয়াইছিল। কিন্তু মাহ দিন উকলি যোৱাৰ পিছতো পথ নিৰ্মাণৰ কোনো যো জা নোহোৱা দেখি আৰু অভিযন্তা মজুমদাৰে এই সম্পৰ্কীয় কথাকলৈ ফোন নধৰাকলৈ ক্ষুন্ন হৈ থকা গাওঁবাসীয়ে নিশা এক অনুষ্ঠানলৈ গৈ থকা বিধায়ক গৰাকীক ৰাইজে আগছি ধৰি এই বিষয়ে জবাবদিহি কৰাৰ সমান্তৰালভাৱে পৰিবেশ উত্তাল কৰি তোলে। ইপিনে কমিছনৰাজকলৈ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতো দুৰ্নীতিৰ পোহাৰ মেলা অভিযন্তাজনৰ পৰিবৰ্তে সাংবাদিকৰ ওপৰতহে খৰ্গহস্তহৈ সৰৱ হৈ পৰে বিধায়ক পৰমানন্দ। আনকি পইচাৰৰ বিনিময়ত সাংবাদিকে মাককো বিক্ৰী কৰিব বুলিহে নীতি শিক্ষা দিয়াৰ ধৃষ্টতা কৰিলে। উল্লেখযোগ্য যে , বিগত ২০২২ বৰ্ষৰ প্ৰলয়ংকৰী বানত ছিপাঝাৰ সমষ্টিৰ পশ্চিম প্ৰান্তৰ কেইবাটাও গুৰুত্বপূৰ্ণ পকী পথৰ কেইবাটাও খণ্ড বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। বিশেষকৈ হালধা লাউজান পথ, লাউজান ছিপাঝাৰ পথকে ধৰি কেইবাটাও বানক্ষতিগ্ৰস্ত পথ মেৰামতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ আহৰি আজিকোপতি নহ'ল কথা চহকী বিধায়কগৰাকীৰ। ইমানেই নহয় সমষ্টিটোৰ ভালেমান পথে উন্নয়ণৰ মুখ নেদেখাবাবে ৰাইজে জীয়াতু ভুগি আহিছে। একেদৰে ইয়াকে লৈ ক্ষুন্ন হৈ আছে ৰাইজ। ইয়াৰে অংশ হিচাপে পিঠাখোৱাপাৰা বাসীয়ে বিধায়ক গৰাকীক জবাবদিহি কৰিছিল বুলিও মত প্ৰকাশ কৰিছে খোদ বিজেপিৰ একাংশ সমৰ্থকেও। বিধায়কে আজি পিঠাখোৱা কাণ্ড আৰু কমিছনৰাজৰ বিষয়ে ইয়াক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি চাফাই গাবলৈ গৈ সাংবাদিকৰ বিৰুদ্ধেহে অধিক সৰৱ হৈ পৰা কাৰ্যক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰবাৰ এনপিপিৰ নেতৃত্বত চাংমা

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা। শনিবাৰে নতুন দিল্লীৰ ইণ্ডিয়ান কনষ্টিটিউচন ক্লাবত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত ২০২৮ চনলৈকে দলৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে পুনৰ নিৰ্বাচিত হয় চাংমা। ইফালে অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মন্ত্ৰী তথা এন পি পিৰ কাৰ্যকৰী সভাপতি পকাংগা বাগে দলৰ সাধাৰণ সম্পাদক (সাংগঠনিক) হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাত নিৰ্বাচিত হৈছে। ইফালে কনৰাড চাংমাৰ পত্নী তথা গাম্বেগ্ৰাৰ বিধায়িকা মেহতাব আগীটক চাংমা পুনৰ দলৰ কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ইয়াৰ উপৰিও মেঘালয় এন পি পিৰ সভাপতি প্ৰেষ্টন টাইনছং আৰু মণিপুৰৰ সভাপতি জয় কুমাৰ সিঙে বিদায়ী সাধাৰণ সম্পাদক (সাংগঠনিক) জেমছ চাংমাক দলৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। কনৰাড চাংমাৰ জ্যেষ্ঠ ভাতৃ জেমছ চাংমাই দীৰ্ঘদিন ধৰি দলটোৰ সাংগঠনিক দায়িত্ব চম্ভালি আহিছে। ইফালে, পুনৰ নিৰ্বাচিত হোৱাৰ পিছত দলৰ সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে কনৰাড চাংমাই। তেওঁ ছ'চিয়েল মিডিয়াত এটা পোষ্টত লিখিছে, 'নেশ্যনেল পিপলছ পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে মোক পুনৰ নিৰ্বাচিত কৰাৰ বাবে দলৰ সকলো সদস্যক মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমি একেলগে দলটোৰ জাতীয় আৰু আঞ্চলিক গুৰুত্ব আৰু অধিক বৃদ্ধি কৰি জনসাধাৰণৰ আশা আৰু আকাংক্ষা পূৰণৰ বাবে কাম কৰিম।' মন কৰিবলগীয়া যে, এই পুনৰ নিৰ্বাচনক কনৰাড চাংমাৰ নেতৃত্বত এনপিপিৰ ৰাজনৈতিক প্ৰভাৱ আৰু অধিক সম্প্ৰসাৰণৰ কৌশল হিচাপে দেখা গৈছে। ২০১২ চনত প্ৰয়াত পিএ চাংমাই প্ৰতিষ্ঠা কৰা এই দলটোৱে প্ৰথমে উত্তৰ-পূব ভাৰতৰ আদিবাসীসকলৰ স্বাৰ্থ ৰক্ষাৰ লক্ষ্যৰে আৰম্ভ কৰিছিল যদিও কনৰাড চাংমাৰ নেতৃত্বত ৰাষ্ট্ৰীয় পৰ্যায়ত সম্প্ৰসাৰণৰ চেষ্টা চলাই আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# য'তেই কূটাঘাত, ত'তেই পাকিস্তানৰ

কৰি সমালোচনা কৰি আহিছে বিৰোধী দলৰ নেতাই। এনে পৰিপ্ৰেক্ষিতত এইবাৰ পাকিস্তান ভ্ৰমণৰ কাৰণ নিজেই ব্যাখ্যা কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে। প্ৰখ্যাত এআই গৱেষক তথা প'ডকাষ্টাৰ লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা এক দীঘলীয়া আলোচনাত পাকিস্তানক এক শক্তিশালী বাৰ্তা প্ৰদান কৰি মোদীয়ে কয় যে ভাৰতে শান্তিৰ পথত আগবাঢ়িব বিচৰা সত্বেও বাৰে বাৰে বিশ্বাসঘাতকতা আৰু শত্ৰুতাৰ সন্মুখীন হৈ আহিছে। প্ৰধানমন্ত্ৰীয়ে কয়, "যেতিয়া মই প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিলো, তেতিয়া মই বিশেষভাৱে পাকিস্তানক আমন্ত্ৰণ জনাইছিলো যাতে দুয়োখন দেশে বন্ধুত্বৰ নতুন অধ্যায় আৰম্ভ কৰিব পাৰে। কিন্তু, প্ৰতিবাৰেই আমাৰ উদাৰতাৰ প্ৰতিদান হিংসা আৰু শত্ৰুতাৰে দিয়া হৈছে।" স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, "১৯৪৭ চনৰ আগতে আমি সকলোৱে স্বাধীনতাৰ বাবে কান্ধত কান্ধ মিলাই যুঁজি আছিলো। কিন্তু সেই ঐক্য বজাই ৰাখিব পৰা নগ'ল। আমি ভাবিছিলো যে পাকিস্তান গঠনৰ পিছত তেওঁলোকৰ শান্তি হ'ব, কিন্তু সেয়া নহ'ল। তাৰ পৰিৱৰ্তে আমাৰ দেশত ৰক্তাক্ত ৰে'ল আহি থাকিল, যাৰ পৰা বুজা যায় যে তেওঁলোকে শান্তি নিবিচাৰে।" প্ৰধানমন্ত্ৰী মোদীয়ে পাকিস্তানৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ওপৰতো তীব্ৰ আক্ৰমণ চলায়। তেওঁ কয়, "য'তেই সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হয়, তাৰ শিপা ক'ত আছে সকলোৱে জানে। ৯/১১ আক্ৰমণৰ মাষ্টাৰমাইণ্ড ওছামা বিন লাডেন ক'ত লুকাই আছিল? পাকিস্তানত। এয়া কেৱল ভাৰতৰ সমস্যা নহয়, সমগ্ৰ বিশ্বই জানে যে পাকিস্তান সন্ত্ৰাসবাদৰ বংশবৃদ্ধিৰ ক্ষেত্ৰ।" পাকিস্তানৰ সৈতে শান্তি প্ৰচেষ্টা সন্দৰ্ভত মোদীয়ে কয় যে তেওঁ ব্যক্তিগতভাৱে লাহোৰ ভ্ৰমণ কৰি সম্পৰ্ক উন্নত কৰাৰ বাৰ্তা প্ৰেৰণ কৰিছিল। কিন্তু, সেইটোৱেও কোনো ইতিবাচক ফলাফল নিদিলে। বৰঞ্চ ভাৰত বাৰে বাৰে বিশ্বাসঘাতকতা আৰু আক্ৰমণৰ বলি হৈছে। তথাপিও প্ৰধানমন্ত্ৰী আশা ব্যক্ত কৰে যে এদিন পাকিস্তানে সঠিক পথ বাছি ল'ব। তেওঁ কয়, "আমি বিচাৰো যে তেওঁলোকে সুবুদ্ধি লাভ কৰক, বুজি উঠক যে সন্ত্ৰাসবাদৰ পথে ভৱিষ্যত সৃষ্টি কৰিব নোৱাৰে। পাকিস্তানৰ সাধাৰণ জনতাইও শান্তি বিচাৰে, কাৰণ বছৰ বছৰ ধৰি অশান্তিৰ মাজত জীয়াই থকাটো অসম্ভৱ।" লেক্সৰ সৈতে হোৱা এই দীঘলীয়া আলোচনাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মোৰ শক্তি মোৰ নাম নহয়, মোৰ শক্তি ১৪ বিলিয়ন ভাৰতীয় আৰু আমাৰ হাজাৰ বছৰীয়া চহকী সংস্কৃতি আৰু পৰম্পৰা। ভাৰতৰ নীতি স্পষ্ট কৰি তেওঁ কয়, "আমি শান্তিৰ পক্ষপাতী কাৰণ আমি গান্ধী আৰু বুদ্ধৰ দেশ। ভাৰতে হিংসাৰ পথ অনুসৰণ নকৰে, ভাৰতে সমন্বয় আৰু ঐক্যৰ কথা কয়।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰীতমৰ গ্ৰেপ্তাৰক লৈ হিমন্ত-জয়ৰামৰ

লখিমপুৰ আৰক্ষীয়ে অসম কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিংক গ্ৰেপ্তাৰ কৰাৰ পিছতেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলিতৰ প্ৰসংগ উলিয়াই বিৰোধীৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰে। ইফালে ৰীতম সিংৰ গ্ৰেপ্তাৰৰ পিছতে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা জয়ৰাম ৰমেশ আৰু মুখ্যমন্ত্ৰীৰ মাজত তীব্ৰতৰ হৈ পৰিছে বাকযুদ্ধ। জয়ৰাম ৰমেশে এই গ্ৰেপ্তাৰক “আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰ” বুলি কটাক্ষ কৰি কংগ্ৰেছৰ যুৱ নেতা ৰীতম সিংক এটা ছ'চিয়েল মিডিয়া পোষ্টৰ বাবে গ্ৰেপ্তাৰ কৰাটো ন্যায়সংগত নহয় বুলি কয়। তেওঁৰ মতে, এই গ্ৰেপ্তাৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক প্ৰতিশোধৰ এটা স্পষ্ট উদাহৰণ। ইফালে একেত হিমন্ত বিশ্ব শৰ্মাক টেগ কৰি জয়ৰাম ৰমেশে কৰা এই মন্তব্যৰ পিছতে কংগ্ৰেছ নেতাগৰাকীক একেতে উভতি ধৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰীতম সিঙে কৰা মন্তব্যক নায্যতা দি কংগ্ৰেছে দলিত মহিলাৰ বিৰুদ্ধে কৰা মন্তব্যকো নায্যতা প্ৰদান কৰা বুলি অভিযোগ কৰে মুখ্যমন্ত্ৰী শৰ্মাই। তেওঁ কয়, “এই গোচৰটো এগৰাকী দলিত মহিলাক লক্ষ্য কৰি কৰা জাতিভিত্তিক অপমানৰ সৈতে জড়িত। যদি কংগ্ৰেছে এগৰাকী দলিত মহিলাৰ স্বামীক ধৰ্ষণকাৰী বুলি কোৱাটো ন্যায্য বুলি ভাবে, তেন্তে ই কংগ্ৰেছৰ নৈতিক অধঃপতনহে প্ৰমাণ কৰে।” ইয়াৰোপৰি, মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ শীৰ্ষ নেতা গৌৰৱ গগৈৰ আইএছআই আৰু পাকিস্তানৰ সৈতে সম্পৰ্ক থকাৰ এক “বৃহৎ প্ৰকাশ”ৰ ইংগিতো দিয়ে। তেওঁ কয়, “ছেপ্টেম্বৰৰ ভিতৰত এই সম্পৰ্কৰ সত্যতা প্ৰকাশ পাব।” মুখ্যমন্ত্ৰীৰ এনে প্ৰত্যুত্তৰ পিছত জয়ৰাম ৰমেশে মুখ্যমন্ত্ৰীৰ এই কথাবোৰক “ৰাজনৈতিক ফাঁকিবাজি” বুলি অভিহিত কৰি কয়, “মিষ্টাৰ আউটগোয়িং চিএম, আপুনি আৰক্ষীৰ ক্ষমতা ব্যক্তিগত প্ৰতিশোধৰ বাবে ব্যৱহাৰ কৰি আছে। আপুনি প্ৰকৃত বিষয়টোৰ পৰা আঁতৰি যোৱা বন্ধ কৰক।” উল্লেখ্য যে, শনিবাৰে লখিমপুৰ আৰক্ষীয়ে গুৱাহাটীৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰিছিল অধিবক্তা তথা কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিংক। ৰীতম সিঙে একেত কৰা এটা পোষ্টৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। কিন্তু, আৰক্ষীয়ে গ্ৰেপ্তাৰৰ সময়ত কোনো ৱাৰেণ্ট বা জাননী নিদিয়াকৈ তেওঁৰ ঘৰত প্ৰৱেশ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ৰীতম সিঙে কয়, “মই আৰক্ষীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়দান দেখুৱাইছিলো, য'ত জাননী অবিহনে গ্ৰেপ্তাৰক ন্যায়িক অৱমাননা বুলি কোৱা হৈছে। কিন্তু, আৰক্ষীয়ে মোৰ কথালৈ কাণ নিদিলে।” ইফালে, লখিমপুৰ জিলা যুৱ কংগ্ৰেছে ৰীতম সিংৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি লখিমপুৰ সদৰ থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। একে সময়তে ৰীতম সিংৰ গ্ৰেপ্তাৰৰ পিছত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অখিল গগৈকে ধৰি বিৰোধী নেতাসকলেও। অখিল গগৈয়ে ফেচবুকত লিখিছে, "নিন্দা কৰিলেও যি কম হয়! এই ঘটনা নিন্দনীয়ই নহয়, ঘৃণনীয়ও। এয়া অসম পুলিচৰ চৰম প্ৰভু ভক্তিৰ আৰু ৰাজনৈতিক হিংসাৰ দেখ দেখ উদাহৰণ। অসম পুলিচ কাৰো ব্যক্তিগত বাহিনী নহয়; নহয় কোনো ৰজাৰ চন্তৰীও। দেশত এতিয়া সামন্ততন্ত্ৰ নাই, আছে গণতন্ত্ৰ। পুলিচৰ কাম আইন-শৃংখলা ৰক্ষা কৰাহে, ৰজাৰ আৰু সামন্ত প্ৰভুহঁতৰ সেৱা কৰা নহয়। আধুনিক যুগত সামন্ত প্ৰভুহঁতক ভাল লগাবলৈ পুলিচে সিহঁতৰ ব্যক্তিগত গুন্দাবাহিনীৰ দৰে আচৰণ কৰাটো স্বৈৰতন্ত্ৰৰ লক্ষণ।” অখিল গগৈয়ে আগলৈ লিখিছে, "কংগ্ৰেছৰ ৰাজ্যিক মুখপাত্ৰ ৰিতম সিংৰ টুইটটো সমৰ্থনযোগ্য নহয়, নিন্দনীয়হে। কিন্তু ৰিতম সিংক আটক কৰিবলৈ অহা পুলিচৰ আচৰণ একেমুখে ধিক্কাৰ যোগ্য। এজন সাংসদ, তাকো লোকসভাৰ সৰ্ববৃহৎ দলটোৰ উপদলপতি আৰু কংগ্ৰেছৰ অন্যান্য ৰাজ্যিক নেতৃবৰ্গৰ সন্মুখত অসম পুলিচে এজন ৰাজনৈতিক কৰ্মীক বহুদিন বিচাৰি থকা দুৰ্ধৰ্ষ অপৰাধীক সাধাৰণতে কৰাৰ দৰে অত্যাচাৰ কৰি আটক কৰাটোৱে অসম পুলিচৰ শেহতীয়া দুষ্কৃতিমূলক আচৰণকে প্ৰতিফলিত কৰিছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে লাজ পোৱা উচিত। সামান্য সৌজন্যবোধ থকা সংস্কৃতিবান মানুহ যদি হয়, বিধায়ক মানৱ ডেকা আৰু গৃহমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও পুলিচৰ এই আচৰণৰ বাবে ক্ষমা খোজা উচিত।” একেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে সাংসদ গৌৰৱ গগৈয়েও। অসম আৰক্ষীক বিজেপিৰ সদস্যৰ দৰে মুখ্যমন্ত্ৰীয়ে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয় যে এনে আচৰণে আৰক্ষীৰ ট্ৰেক ৰেকৰ্ডহে বেয়া কৰি আছে। উল্লেখ্য যে, আজি ৰিতম সিংৰ লখিমপুৰ জিলা আদালতত হাজিৰ কৰোৱাত আদালতে আৰক্ষীৰ জিম্মাৰ পৰিৱৰ্তে এৰাতিৰ বাবে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। মন কৰিবলগীয়া যে, ৰীতম সিংৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে বিধায়ক মানৱ ডেকাৰ পত্নী ৰাজশ্ৰী শইকীয়া ডেকাইও। মানৱ ডেকাৰ শাহুৱেকে ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মোৰ এটাই জোঁৱাই, এজনীয়েই ছোৱালী। তাই দেউতাকক সৰুতেই হেৰুৱাইছে। ব্যক্তিগত কথাবোৰ ৰাজনীতিৰ মাজলৈ টানি আনিলে আমি বেয়া পাওঁ। এই ঘটনাৰ উচিত বিচাৰ হওক। দোষীয়ে উচিত শাস্তি পাওক। আমি সকলোৰে ভালটোৱেই বিচাৰো। কাৰো অনিষ্ট হোৱাটো নিবিচাৰো।' এনেদৰে ৰীতম সিংৰ গ্ৰেপ্তাৰে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেলুচ বিদ্ৰোহীৰ আক্ৰমণত নিহত ৯০

পুনৰ এবাৰ আক্ৰমণ সংঘটিত হ'ল সেনাৰ ওপৰত। শেহতীয়াকৈ ৰে'ল হাইজেকৰ ঘটনাক লৈ অব্যাহত থকা উত্তেজনাৰ মাজতে এইবাৰ বেলুচিস্তানৰ ৰাষ্ট্ৰীয় ঘাইপথ ৪০ৰ সমীপত সংঘটিত এক বৃহৎ বিস্ফোৰণত কমেও ৯০জন পাকিস্তানী জোৱান নিহত হোৱা বুলি দাবী কৰিছে বিদ্ৰোহী সংগঠন বেলুচ লিবাৰেশ্যন আৰ্মীয়ে। সেনাৰ কনভয়ৰ এখন বাছত আন এখন গাড়ীৰে সংঘটিত কৰা আত্মঘাতী আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে বেলুচ লিবাৰেশ্যন আৰ্মীয়ে। উল্লেখ্য যে, শেহতীয়া ট্ৰেইন হাইজেকৰ ঘটনাতো জড়িত আছিল একেটা বিদ্ৰোহী সংগঠন। আজি সেনাৰ কনভয়ত সংঘটিত কৰা আত্মঘাতী আক্ৰমণত ৯০ জন পাক সেনা জোৱান নিহত হোৱা বুলি বিএলএয়ে দাবী কৰিছে যদিও পাকিস্তান আৰক্ষীৰ মতে এই আক্ৰমণত ৫ জনহে জোৱান নিহত হৈছে আৰু আন দহজন আহত হৈছে। স্থানীয় আৰক্ষী অধীক্ষকে জনোৱা মতে, বেলুচিস্তানৰ নোছকি জিলাত সংঘটিত হৈছে এই বিস্ফোৰণ। বিস্ফোৰণত কাষৰ আন এখন বাছৰো ক্ষতিসাধন হয়। আহতসকলক স্থানীয় চিকিৎসালয়লৈ লৈ যোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও পাকিস্তানত বেলুচ উগ্ৰপন্থীয়ে সংঘটিত কৰি আহিছে কেইবাটাও আক্ৰমণৰ ঘটনা। কিছুদিন পূৰ্বে বিএলএয়ে এখন ৰে'লত আক্ৰমণ চলাই প্ৰায় ৪০০ যাত্ৰীক পণবন্দী কৰি লৈছিল। পাকিস্তান চৰকাৰে কয় যে বেলুচ উগ্ৰপন্থীয়ে ২৬ জন পণবন্দীক হত্যা কৰিছিল যদিও পিছত নিৰাপত্তা বাহিনীয়ে অভিযান চলাই ৩৩ জন আক্ৰমণকাৰীক হত্যা কৰে। মন কৰিবলগীয়া যে খনিজ আৰু তেলেৰে চহকী বেলুচিস্তান পাকিস্তানৰ সৰ্ববৃহৎ কিন্তু কম জনবহুল প্ৰদেশ। স্থানীয় লোকে দীৰ্ঘদিন ধৰি বঞ্চনাৰ অভিযোগ উত্থাপন কৰি আহিছে যদিও পাকিস্তান চৰকাৰে বাৰে বাৰে এই অভিযোগ অস্বীকাৰ কৰি আহিছে। এই প্ৰদেশখনৰ স্বাধীনতাৰ বাবে দীৰ্ঘদিন ধৰি যুঁজ দি আহিছে বেলুচ লিবাৰেশ্যন আৰ্মীয়ে। শেহতীয়াকৈ এই উগ্ৰবাদী সংগঠনটোৱে সংঘটিত কৰা কেইবাটাও কূটাঘাতত শতাধিক সেনা জোৱান নিহত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



উন্নয়নৰ ঢাকঢোল কোবাই থকা চৰকাৰৰ দিনত বোকা-পানীৰে ভৰিছে মাজুলীৰ গ্ৰাম্য পথ, ফটোঃ ই-সংবাদ, মধ্য মাজুলী

## এজাক বৰষুণতে বোকাময় বৰবিল-জামুগুৰি পথ

# ধাৰাসাৰ বৰষুণত স্তব্ধ মাজুলীৰ জনজীৱন

**ই-সংবাদ, মধ্য মাজুলী, ১৬ মাৰ্চঃ** বিগত কেইবাদিনো ধৰি দিয়া ধাৰাসাৰ বৰষুণৰ ফলত মাজুলীৰ গ্ৰাম্য পথসমূহ বোকাময় হৈ পৰাত যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত জনসাধাৰণে নৰক যন্ত্ৰণা ভুগিবলগীয়া হোৱাৰ লগতে একপ্ৰকাৰ ঘৰতে পণবন্দী হ'ব লগা হৈছে। বিশেষকৈ, উজনি মাজুলীৰ চেৰেপাই, ৰতনপুৰ মিৰি, লুইতপৰীয়া, চিৰাম গাওঁ পঞ্চায়তৰ অন্তৰ্গত কুৰিটাৰো শেষাংশ ৭ পৃষ্ঠাত

## পলিটেকনিক শিক্ষকৰ অপসাৰণৰ উঠাই লোৱাৰ দাবী

# পলিটেকনিক শিক্ষকৰ প্ৰতিবাদৰ প্ৰতি সমৰ্থন ছেভ এডুকেচনৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৬ মাৰ্চঃ** 'সদৌ অসম পলিটেকনিক প্ৰতিষ্ঠাপক অংশকালীন প্ৰবক্তা সন্থা'ৰ নেতৃত্বত ৰাজ্যৰ পলিটেকনিক প্ৰতিষ্ঠানৰ প্ৰৱক্তাসকলৰ চাকৰি নিয়মীয়াকৰণৰ ন্যায্য দাবীত চচলত চলি থকা আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটিৰ অসম শাখাৰ সভাপতি অধ্যাপক ত্ৰিদিব গগৈ আৰু সম্পাদক অধ্যাপক প্ৰদীপ মহাপাত্ৰই এক বিবৃতিযোগে কয় যে ৰাজ্যত কাৰিকৰী শিক্ষাৰ বিকাশৰ উদ্দেশ্যে পলিটেকনিক প্ৰতিষ্ঠান স্থাপন শেষাংশ ৮ পৃষ্ঠাত

# দৌলযাত্ৰা উপলক্ষে চতুৰ্থ দিনাও বৰদোৱাত অগণন লোকৰ সমাগম

## ৰঙে-ৰসে মুখৰিত চৌদিশ

**বটদ্ৰৱা থান প্ৰাংগণৰ পৰা জয়ন্ত মুদৈ, বেবেজীয়া, ১৬ মাৰ্চঃ** অসমীয়া জাতিৰ জনক জগত গুৰু শ্ৰীমন্ত শংকৰ দেৱে পাঁচশ বছৰ আগতে 'চিহ্নযাত্ৰা' ভাওনা অনুষ্ঠিত কৰা স্থানত জগন্নাথ পুৰীৰ ইন্দ্ৰদ্যুম্ন ৰজাই সজা দৌলৰ আৰ্হিত এটি দৌল মন্দিৰ শেষাংশ ৮ পৃষ্ঠাত

# ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচন, ৫২ খন মনোনয়ন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৬ মাৰ্চঃ** আগন্তুক ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন-পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্ত পৰে। উল্লেখ্য যে কামৰূপ জিলাৰ অন্তৰ্গত মুঠ ১৬ টা পৰিষদীয় সমষ্টিৰ বিপৰীতে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে। ইয়াৰে ২১ নং জাৰিহাট পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় শেষাংশ ৯ পৃষ্ঠাত

# ভূৰাগাঁৱত চোৰাং ডিজেলৰ ৰমৰমীয়া বেহা, নিৰ্লিপ্ত স্থানীয় প্ৰশাসন

**ই-সংবাদ, লাহৰীঘাট,১৬ মাৰ্চঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ বিভিন্ন প্ৰান্তত অবাধে চলিছে ডিজেলৰ চোৰাং বেহা। এই সন্দৰ্ভত অচিৰেই তদন্তৰ দাবী জনাইছে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভূৰাগাঁও আঞ্চলিক সমিতিয়ে। অভিযোগ শেষাংশ ৭ পৃষ্ঠাত

# ইতিহাসমূলক উপন্যাস 'পূৰ্বাফা' উন্মোচন

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১৬ মাৰ্চঃ** যেন নতুন মাত্ৰা পালে মটক বুৰঞ্জীয়ে। মটক ৰজা সৰ্বানন্দ সিংহৰ জীৱন পৰিক্ৰমাক আলম হিচাপে লৈ সম্পূৰ্ণ নতুন ৰূপেৰে পাঠকলৈ আগবঢ়াই দিয়া প্ৰতিশ্ৰুতি সম্পন্ন গল্পকাৰ, ঔপন্যাসিক জোন শেষাংশ ৮ পৃষ্ঠাত

# পোনাকণৰ দাবী! কংগ্ৰেছ আজি গণবিচ্ছিন্ন হৈছে

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১৬ মাৰ্চঃ** ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদত তীব্ৰ নিৰ্বাচনী প্ৰচাৰ চলি থকাৰ সময়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শাসক-বিৰোধীয়ে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলাই গৈছে। বিজেপিৰ সৈতে দিছপুৰত চৰকাৰ চলাই শেষাংশ ৯ পৃষ্ঠাত

## স্থগিত এবছুৰ প্ৰতিনিধি সভা

# এবছুৰ অধিৱেশন শেষ, গঠন নহ'ল সমিতি

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ মাৰ্চঃ** কোকৰাঝাৰৰ দোতমাৰ বডোফা পথাৰত যোৱা ১৩ মাৰ্চৰ পৰা আৰম্ভ হোৱা এবছুৰ ৫৭ তম কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশন আজি গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শেষাংশ ৯ পৃষ্ঠাত

# আবিৰত ৰঞ্জিত ভৱানীপুৰ, গোপাল আতা আৰু পদ্মপ্ৰিয়া সত্ৰ

**ই-সংবাদ, ভৱানীপুৰ, ১৬ মাৰ্চঃ** সহস্ৰাধিক ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু ৰঙ-বিৰঙৰ আবিৰেৰে আজি ৰঞ্জিত হৈ উঠিল ভৱানীপুৰ সত্ৰ, আতাপুৰুষ গোপাল আতাৰ স্থাপিত ঐতিহাসিক গোপাল আতা আৰু আতাপুৰুষগৰাকীৰ দুহিতা আই পদ্মপ্ৰিয়াৰ দ্বাৰা স্থাপিত ৰাজ্যৰ প্ৰথমখনি মহিলা সত্ৰ আই পদ্মপ্ৰিয়া সত্ৰ। উল্লেখ্য, আজি দিনৰ প্ৰায় ১০:৩০ বজাত পুৰণ ভৱানীপুৰ কীৰ্তনঘৰত কীৰ্তনঘৰটোৰ পৰিচালনা



সমিতিৰ উদ্যোগত আৰু পুৰণ ভৱানীপুৰৰ গঞা ৰাইজৰ সহযোগত কীৰ্তনঘৰ চৌহদত স্থানীয় ভালেসংখ্যক ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতিত দৌলোৎসৱৰ তৃতীয় তথা অন্তিম দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধাৰাসাৰ বৰষুণত স্তব্ধ মাজুলীৰ

অধিক জৰাজীৰ্ণ গ্ৰাম্যপথসমূহ বৰষুণৰ ফলত বোকা-পানীৰে ভৰি পৰাত জনসাধাৰণে মটৰ চাইকেল, বাইচাইকেল, লঘু বাহনেৰে যাতায়াতৰ অনুপযোগী হৈ পৰাৰ উপৰি খোজেৰেও যাতায়াতৰ অসম্ভৱ হৈ পৰিছে। ইয়াৰোপৰি পেটুৱাজান বালিদেউৰী-কুঁহিয়াৰবাৰী সংযোগী পথ, ছমহীয়া আটীৰ পৰা মলং গাঁও হৈ বৰবিল বেবেজীয়া পথ দুটা ব্লেক টেপিং এৰাই গৈ পুখুৰীসদৃশ হৈ পৰাত যাতায়াতত নৰক যন্ত্ৰনা ভুগিছে জনসাধাৰণে। শআনহাতে এজাক বৰষুণতে সম্পূৰ্ণ বোকাময় হৈ পৰা বৰবিল জামুগুৰি পথটোৰ বাবে অঞ্চলটোৰ জনসাধাৰণে জীয়াতু ভুগিবলগীয়া হৈছে। শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত মাজুলীৰ কেইবাটাও পথ পকীকৰণ হৈ উঠাৰ সমান্তৰালভাৱে আন কেইবাটাও পথৰ নিবিদা আহ্বান কৰিছে লোকনিৰ্মান বিভাগে। কিন্তু দীৰ্ঘ দিন ধৰি যাতায়াত যোগাযোগত যমৰ যাতনা ভুগি থকা বৰবিল জামুগুৰিবাসীৰ জৰাজীৰ্ণ পথটো পকীকৰণৰ ব্যৱস্থা নকৰাত ক্ষোভ প্ৰকাশ কৰিছে জনসাধাৰণে। ইয়াৰোপৰি লোকনিৰ্মান বিভাগৰ অকমন্যতাৰ বাবে মুখ্য পথ সমূহক সংযোগ কৰা কিছু গ্ৰাম্য পথৰ এশৰ পৰা দুশ মিটাৰ পৰ্যন্ত পকীকৰণৰ আওতাত নপৰাত উক্ত অংশবোৰো বৰষুণত বোকাময় হৈ পৰাত জনসাধাৰণে মটৰ চাইকেল, বাইচাইকেল, লঘু বাহনেৰে যাতায়াতৰ অনুপযোগী হৈ পৰাৰ উপৰি খোজেৰেও যাতায়াত অসম্ভৱ হৈ পৰে। এই সন্দৰ্ভত বিগত সময়ত একাধিকবাৰ বাতৰি প্ৰকাশ পাইছে যদিও গা-লৰা নাই লোকনিৰ্মাণ বিভাগৰ। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বৰবিল জামুগুৰিবাসীৰ দীৰ্ঘদিনীয়া সমস্যা ওৰ পেলাবলৈ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৰা মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত পকীকৰণৰ কৰিবলৈ স্থানীয় জনসাধাৰণে আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আবিৰত ৰঞ্জিত ভৱানীপুৰ, গোপাল

হয়। আজি দিনৰ প্ৰায় চাৰে দহ বজাত অন্তিম দিনটোত অনুষ্ঠিত সুঁৱেৰী উপলক্ষে গোঁসাই ফুৰোৱা কাৰ্যসূচী স্থানীয় সাংবাদিক গপেশ চন্দ্ৰ দাসে তেওঁৰ নাতিদীৰ্ঘ ভাষণৰ পিছতে ফাকুগুৰি ছটিয়াই শুভ উদ্বোধন কৰে। ইয়াৰ পিছতেই গোসাঁইক দোলাত কঢ়িয়াই অসমীয়া, বঙালী আৰু বড়ো সম্প্ৰদায়ৰ সমবেত সহস্ৰাধিক ভক্তিপ্ৰাণ পুৰুষ-মহিলাই ফাকুগুৰি ছটিয়াই হোলী নামেৰে পথছোৰা মুখৰিত কৰি ঐতিহাসিক গোপাল আতা আৰু আই পদ্মপ্ৰিয়া সত্ৰ অভিমুখে আগবাঢ়ে। ঐতিহাসিক গোপাল আতা সত্ৰ চৌহদত গোঁসাইক প্ৰদক্ষিণ কৰোৱাৰ পিছতে সমবেত ভক্তিপ্ৰাণ ৰাইজে মূল তোৰণ আৰু সত্ৰ চৌহদত অৱস্থিত বৰ নামঘৰৰ সন্মুখত সভক্তিৰে সেৱা লয় আৰু পৰম্পৰক ফাকুগুৰি ছটিয়াই এক বৰ্ণময় পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। ইয়াৰ পিছতেই হোলী নাম গাই দলটোৱে নাতি দূৰৈত স্থাপিত আই পদ্মপ্ৰিয়া সত্ৰৰ অস্থায়ী নামঘৰৰ বাকৰিত উপস্থিত হয় আৰু দোলাৰে সৈতে গোসাঁইক মাটিত নমাই সন্মুখত লৈ সভক্তিৰে মহিলাসকলে নাম-প্ৰসঙ্গ পৰিবেশন কৰে আৰু পৰম্পৰলৈ ৰঙীন ফাকুগুৰি ছটিয়াই সত্ৰ চৌহদ উজলাই তোলে।সত্ৰ চৌহদৰ পৰা আহি দলটো পুনৰ পুৰণ ভৱানীপুৰ কীৰ্তনঘৰত মিলিত হয়। আনহাতে বিয়লি প্ৰায় তিনি বজাত গোসাঁইক খোলাৰে সৈতে কান্ধত তুলি দলটোৱে হোলী নাম পৰিবেশন আৰু ফাকুগুৰি ছটিয়াই পশ্চিম দিশে প্ৰায় দুই কিলোমিটাৰ আঁতৰৰ দক্ষিণ ভালাগুৱীত অৱস্থিত ব্ৰহ্মৰজাৰ থান অভিমুখে গতি কৰে। শোভাযাত্ৰাকাৰী দলটোক ব্ৰহ্মৰজা থান পৰিচালনা সমিতিয়ে আদৰাটৰ পৰাই যথাৰীতি আদৰি নিয়ে আৰু থানখনত পূৰ্বৰে পৰাই বাহৰ পাতি থকা গোসাঁনীৰ সৈতে গোঁসাইক আনুষ্ঠানিকভাৱে মিলন কৰাই দিয়াৰ পিছতে গোঁসাইক দোলাত তুলি দলটো পুনৰ পুৰণ ভৱানীপুৰ কীৰ্তনঘৰ চৌহদত উপস্থিত হয় আৰু কীৰ্তনঘৰৰ পদুলিমুখত স্থানীয় ৰাইজৰ প্ৰতিৰোধ নেওচি বাঁহভঙা কাৰ্যসূচী সম্পন্ন কৰাৰ পিছতে কীৰ্তনঘৰৰ চৌহদত গোঁসাইৰে সৈতে প্ৰৱেশ কৰি কীৰ্তনঘৰ চৌহদ সাতবাৰ প্ৰদক্ষিণ কৰোৱাৰ পিছত গোঁসাইক পুনৰ নামঘৰৰ মণিকূটত স্থাপন কৰা হয়। উল্লেখ্য, গোসাঁই ওভতাৰ পিছতে গোসাঁনীক দক্ষিণ ভালাগুৱী কীৰ্তনঘৰৰপৰা ভক্তিসহকৰে ওভটাই নি দক্ষিণ ভালাগুৱীত অৱস্থিত চতুৰ্ভুজ নামঘৰত পুনৰ স্থাপন কৰা হয়। আজি অনুষ্ঠিত দৌলোৎসৱৰ এই ব্যতিক্ৰমী কাৰ্যসূচীত পুৰণ ভৱানীপুৰ কীৰ্তনঘৰ পৰিচালনা সমিতিৰ সভাপতি পঙ্কজ শৰ্মা, সম্পাদক কৰুণা বৰ্মণ, আৰু প্ৰাক্তন সভাপতি কাৰ্তিক দাসৰ উপৰিও গৌতম বৰ্মণ, অজিত দাস, দীনৰাম বৰ্মণ, প্ৰদীপ শৰ্মা, ৰজনী বৰ্মণ, নীৰেন শৰ্মা আদি উপদেষ্টাসকলৰ লগতে বহুসংখ্যক ভক্তিপ্ৰাণ ৰাইজ উপস্থিত আছিল। ইপিনে, ভৱানীপুৰ সত্ৰত অনুষ্ঠিত চাৰিদিনীয়া শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আজি সামৰণি পৰে। আজি সামৰণি দিনাৰ কাৰ্যসূচীমৰ্মে পুৱাৰ ভাগত সত্ৰত নিত্য প্ৰসংগ, গোসাঁইৰ পূজা-অৰ্চনাৰ পিছতেই গোসাঁই দৌলৰপৰা অৱৰোহণ কৰে। ইয়াৰ পাছতেই সত্ৰ বাকৰি আবিৰেৰে ৰঙীন হোৱাৰ লগতে হোলগীতেৰে মুখৰিত হৈ পৰে আৰু সুঁৱেৰী খেলি খেলি গোসাঁইক ভৱানীপুৰৰ হাটীয়ে হাটীয়ে ঘূৰোৱা হয়। বিয়লি ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানেৰে চাৰিদিনীয়া দৌল মহোৎসৱৰ সামৰণি পৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভূৰাগাঁৱত চোৰাং ডিজেলৰ ৰমৰমীয়া

মতে জিলাখনৰ ভূৰাগাঁও আৰু বৰালিমাৰী অঞ্চলত এটা চক্ৰই বহু দিন ধৰি চোৰাং ডিজেলৰ এক ৰমৰমীয়া বেহা চলাই আহিছে। চক্ৰটোৱে এখন টেংকাৰত মেঘালয়ৰ পৰা বৃহৎ পৰিমাণৰ ডিজেল সৰবৰাহ কৰি অঞ্চল দুটাৰ একাংশ ব্যৱসায়ীক যোগান ধৰি আহিছে। জানিব পৰা মতে, চক্ৰটোৰ পৰা ব্যৱসায়ীসকলে কম দামত ডিজেল ক্ৰয় কৰে যদিও কৃষক সকলে কিন্তু প্ৰতি লিটাৰ ডিজেল ৯৩ ৰ পৰা ৯৫ টকা দামত ক্ৰয় কৰি আহিছে। ভিতৰুৱা অঞ্চল দুটাত খুচুৰা ব্যৱসায়ীসকলে অধিক দামত ডিজেল বিক্ৰী কৰি বৰো ধান আৰু মাকৈ খেতিয়ক সকলক ৰামটাঙোন সোধাইছে। দীৰ্ঘদিনে চোৰাংকৈ সৰবৰাহ কৰি অহা চক্ৰটোৰ বিৰুদ্ধে কিন্তু আজিও স্থানীয় প্ৰশাসন কিম্বা মৰিগাঁও জিলা যোগান বিভাগে নীৰৱ ভূমিকা গ্ৰহণ কৰি আহিছে। ইফালে এই সন্দৰ্ভত এতিয়া সৰব হৈ উঠিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ ভূৰাগাঁও আঞ্চলিক সমিতি। এই সন্দৰ্ভত সংগঠনটোৰ ভূৰাগাঁও আঞ্চলিক সমিতিৰ সভাপতি ভাস্কৰ ডেকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে জিলাখনৰ ভিতৰুৱা অঞ্চল পাই ভূৰাগাঁও আৰু বৰালিমাৰীত এটা চক্ৰই দীৰ্ঘদিন ধৰি চোৰাং ডিজেলৰ ৰমৰমীয়া বেহা চলাই আহিছে। কিন্তু প্ৰশাসনে নজনাটো অতি দুৰ্ভাগ্যজনক। সেয়ে সংগঠনটোৰ সভাপতি গৰাকীয়ে ডিজেলৰ চোৰাং চক্ৰটোৰ বিৰুদ্ধে তদন্ত মৰ্মে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মৰিগাঁও জিলা প্ৰশাসনক আজি সংবাদ মাধ্যমৰ যোগে দাবী জনাইছে।

# হোলী খেলি গা ধুবলৈ গৈ বৰপেটাৰোডত পুনৰ অঘটন

**ই-সংবাদ, বৰপেটাৰোড, ১৬ মাৰ্চঃ** হোলীৰ আনন্দৰ মাজতে বৰপেটাৰোডত পুনৰ অঘটন। হোলী খেলি গা ধুবলৈ গৈ পুখুৰীত পৰি সলিল সমাধি এগৰাকী যুৱকৰ। যুৱক গৰাকী বৰপেটাৰোডৰ অঠিয়াবাৰীৰ অখিল আৰ্য্যৰ পুত্ৰ দিবাস আৰ্য্য (২৫) ওৰফে ভেবল। পৰিয়ালৰ একমাত্ৰ সন্তান আছিল দিবাস আৰ্য্য। হোলী খেলি আবেলি বন্ধুৰ সৈতে কাষৰ পুখুৰীত গা ধুবলৈ গৈছিল। হোলী খেলি গা ধুই থকাৰ সময়তে দ খাৱৈত পৰি মৃত্যুক সাৱটি লয়। কিছুসময় পিছত স্থানীয় লোকে খবৰ পাই উদ্ধাৰ কৰি যুৱকগৰাকীক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। যুৱক গৰাকীৰ মৃত্যুৰ ঘটনাত সমগ্ৰ অঞ্চলটোতে পৰিছে শোকৰ ছাঁ। উল্লেখ্য যে শণিবাৰেও হোলী খেলি বেঁকী নদীত গৈ ধুবলৈ গৈ প্ৰাণ হেৰুৱাইছিল বৰপেটাৰোডৰ দুগৰাকীকৈ যুৱকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দৌলযাত্ৰা উপলক্ষে চতুৰ্থ দিনাও

সাজি ভাৰতীয় মহাজীৱনৰ অনুপম আনন্দ ৰঙৰ উৎসৱ ফাকুৱা পাতিছিল। তাহানিৰ পৰা এই মহান ঐতিহ্যক সৰোগত কৰি যোৱা ১৩ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা শ্ৰীশ্ৰী দৌলযাত্ৰা মহোৎসৱৰ আজি চতুৰ্থ দিনাও পুৱাৰে পৰা বটদ্ৰৱা থানত তীৰ্থ যাত্ৰী, ভক্ত-বৈষ্ণৱৰ লানি নিছিগা সোঁত বয়। পুৱাৰে পৰা বটদ্ৰৱা থানৰ গুৰুজনাৰ স্মৃতি বিজড়িত কীৰ্তন ঘৰ, পদশিলা, দৌল মন্দিৰত ভক্ত বৈষ্ণৱ সকলে ধূপ, দীপ, নৈবেদ্য আগবঢ়াই সেৱা জনোৱাৰ পাছতে আৰ্কষণীয় ৰঙৰ হাটত পৰিয়াল সহিতে বজাৰ-সমাৰ কৰি আনন্দ উপভোগ কৰে। যোৱা তিনিটা দিনৰ দৰেই আজিও বিভিন্ন প্ৰান্তৰ পৰা সমৱেত হোৱা শত-সহস্ৰ ভকত-বৈষ্ণৱৰ হৰিনামৰ অমৃত ৰসৰ মাজত বিলীন হৈ এক আধ্যাত্মিক পৰিৱেশৰ সূচনা হয়। শিশু-মহিলা-আবাল-বৃদ্ধ-বনিতা সকলো আনন্দত আত্মহাৰা হৈ কৃষ্ণ নামৰে বটদ্ৰৱাৰ আকাশ-বতাহ মুখৰিত কৰি তোলাৰ বিপৰীতে এক অপূৰ্ব বাতাবৰণৰ সৃষ্টি হয়। তদুপৰি আকাশী গংগাৰ তীৰত প্ৰতিজন ভকত-বৈষ্ণৱে নিজৰ পৰিয়ালৰ সৈতে এসাজ অন্ন তৈয়াৰ কৰি ভোজন কৰাৰ দৃশ্যৰাজিয়ে আন এক নান্দনিক পৰিৱেশৰ সূচনা কৰা দেখা যায়। মুঠতে অগণন ভক্ত-বৈষ্ণৱৰ জনস্ৰোত, আকাশ-বতাহ কপাই তোলা হৰিনামৰ ধ্বনিৰ মাজেৰে গুৰুজনাৰ জন্মভূমিত আধ্যাত্মিকতাৰে নতুন প্ৰাণৰ সঞ্চাৰ কৰিছে। ইফালে, কালি নিশাৰ ভাগত ঐতিহাসিক আকাশী গঙ্গাৰ পাৰৰ আই খেৰসূতী সাংস্কৃতিক মঞ্চত অনুষ্ঠিত হোৱা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰি বিধায়ক ৰূপক শৰ্মাই সকলোকে দৌল উৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰে। পিছত মঞ্চত বৰদোৱা সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰই প্ৰদৰ্শন কৰা সত্ৰীয়া অনুষ্ঠানৰ হিৰামনি বৰুৱাৰ দ্বাৰা গুৰুজনাৰ বিৰচিত 'মই পাপী কমনে তৰিবো হৰি' বৰগীত পৰিৱেশনেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। বৰগীতত খোল সংগত কৰে উজ্বলজোতি দেৱগোস্বামীয়ে। ইয়াৰ পিছতে বৰদোৱা সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ আন শিল্পী, বাদ্য-যন্ত্ৰীসকলে একাদিক্ৰমে প্ৰদৰ্শন কৰে গুৰু ভটিমা, বালক কৃষ্ণ নৃত্য, বৰদোৱা আহিঁৰ গোসানী নৃত্য, চালি নৃত্য, দশাৱতাৰ নৃত্য আদি সুন্দৰ মনোগ্ৰাহী সত্ৰীয়ানুষ্ঠান। বৰদোৱা সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি জয়ন্ত মাধৱ বৰাই নিয়াৰিকৈ আঁত ধৰা সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি উপস্থিত সমূহ অতিথিৰ লগতে অগণন দৰ্শকে ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য, কাইলৈ দৌলযাত্ৰা মহোৎসৱৰ অন্তিম দিনাও বটদ্ৰৱা থানৰ নিত্য-নৈমিত্তিক চৈধ্য প্ৰসংগ চলি থকাৰ লগতে যাত্ৰীৰ থান সেৱা অব্যাহত থাকিব বুলি থান পৰিচালনা সমিতিয়ে জানিবলৈ দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ইতিহাসমূলক উপন্যাস 'পূৰ্বাফা'

গগৈ চেতিয়াৰ "পূৰ্বাফা" আজি এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেৰে শুভ উন্মোচন হৈ যায়। এই উপলক্ষে সদৌ অসম মটক ছাত্ৰ সন্থাই আয়োজন কৰা এক বিশেষ অনুষ্ঠানত "পূৰ্বাফা" শুভ উন্মোচন কৰে প্ৰথিতযশা সাহিত্যিক, সমালোচক টুনুজ্যোতি গগৈয়ে। উন্মোচনী ভাষণত তেখেতে বুৰঞ্জীৰ বিভিন্ন তথ্যৰ সুপ্ৰয়োগেৰে যথেষ্ট কষ্ট আৰু অধ্যয়ন কৰাৰ পাছতহে এখন বুৰঞ্জীমূলক উপন্যাস সৃষ্টি হয় বুলি জনায়। লগতে এইক্ষেত্ৰত ঔপন্যাসিক জোন গগৈ চেতিয়াই অকণো কৃপনালি নকৰি তেওঁৰ বুৰঞ্জীৰ সাৱলীলতা আৰু সেই সময়ৰ মটকসকলৰ ভাষা আদিক উপন্যাসখনৰ মাজলৈ টানি আনি এক উপন্যাসখনক এখন সৰ্বাংগসুন্দৰ বুৰঞ্জীমূলক উপন্যাস হিচাপে সৃষ্টি কৰাত অহোপুৰুষাৰ্থ কৰিছে বুলি ব্যক্ত কৰে। তিনিচুকীয়া সাহিত্য সভাৰ প্ৰেক্ষাগৃহত আয়োজিত উক্ত অনুষ্ঠানটো আঁত ধৰে ক্ৰমে সাংস্কৃতিক কৰ্মী মৃদুপৱন চেতিয়া আৰু সাহিত্যকৰ্মী জয়ন্তজিৎ বৰুৱাই। তিনিচুকীয়া ডায়েটৰ অধ্যক্ষ সঞ্চিতা গগৈ, ডি ডি আৰ মহাবিদ্যালয় চাবুৱাৰ উপাধ্যক্ষা তথা মটক জনগোষ্ঠীৰ বিশিষ্ট লেখিকা ড° ননীৰূপা চেতিয়া, কবি, সাহিত্যিক ডা° নীলাক্ষী চলিহা গগৈ, তিনিচুকীয়া ডায়েটৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা মিতালী দেউৰী, ডি ডি আৰ মহাবিদ্যালয়ৰ প্ৰবক্তা সন্দীপা গগৈ, মটক স্বায়ত্বশাসিত পৰিষদৰ উপাধ্যক্ষ দেৱঋষি চেতিয়া, সাহিত্যিক কল্যাণ বৰা বিশেষভাৱে উপস্থিত থকা অনুষ্ঠানটোত সদৌ অসম মটক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় হাজৰিকা, সম্পাদক সুলভজ্যোতি শইকীয়া, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ভৃগু বুঢ়াগোহাঁই, সম্পাদক কুমুদ চেতিয়া আৰু সহকাৰী সম্পাদক কল্পজ্যোতি বৰাই উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। পূৰ্ণিমা দুৱৰা দিহিঙীয়াই কবিতা আবৃত্তিৰে জীপাল হোৱা অনুষ্ঠানটোত তিনিচুকীয়াৰ কবি বিকাশজ্যোতি শইকীয়া, সুৰেন্দ্ৰ শদিয়া, অজিত গগৈ, দেৱজিত শইকীয়া, ভৈৰৱ গোহাঁই, অঞ্জনা বৰুৱা নেওগকে মুখ্য কৰি তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই, মটক যুৱ ছাত্ৰ পৰিষদৰ সভাপতি সত্য গোহাঁই, সম্পাদক উজ্জ্বল গোহাঁই, তিনিচুকীয়া জিলাৰ সভাপতি কৃষ্ণকান্ত কাকতি, মটক স্বায়ত্ব শাসিত পৰিষদৰ পাৰিষদ ধৰণী গোহাঁই, টাই আহোম যুৱ পৰিষদৰ সভাপতি প্ৰভাত চাংমাই, চাবুৱা সাহিত্য সভাৰ সম্পাদক অৰুণ বৰপাত্ৰগোহাঁই, চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক প্ৰণৱজ্যোতি দত্ত আদি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পলিটেকনিক শিক্ষকৰ প্ৰতিবাদৰ

কৰিও ইয়াৰ শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ নকৰা, বিপৰীতে ন্যায়সংগত দাবী উত্থাপনৰ বাবে তেওঁলোকক চাকৰিৰপৰা অপসাৰণ কৰাটো চূড়ান্ত অগণতান্ত্ৰিক, স্বৈৰাচাৰী আৰু অমানৱিক কাৰ্যই নহয়, প্ৰতিষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষালাভৰ পথত ভয়ংকৰ ক্ষতিকাৰক এক শিক্ষাবিৰোধী পদক্ষেপ। প্ৰতিষ্ঠানসমূহৰ এ আই চি টি ইৰ স্বীকৃতিৰ বাবে নিয়মীয়া শিক্ষক হিচাপে দেখুৱাব লগা হোৱা এই শিক্ষকসকলৰ চাকৰি নিয়মীয়া কৰাটো চৰকাৰৰ নৈতিক দায়িত্ব। সেয়েহে, বিবৃতিত ন্যায়সংগত দাবী উত্থাপনৰ গণতান্ত্ৰিক অধিকাৰৰ প্ৰতি সন্মান জনাই পলিটেকনিক প্ৰবক্তাসকলক অপসাৰণৰ ঘোষণা অবিলম্বে উঠাই লৈ অগ্ৰাধিকাৰৰ ভিত্তিত এওঁলোকৰ চাকৰি নিয়মীয়া কৰি মানৱ সম্পদ সৃষ্টিত দীৰ্ঘদিন ধৰি অৱদান আগবঢ়োৱা প্ৰবক্তাসকলক ন্যায় প্ৰদানৰ লগতে প্ৰতিষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষালাভৰ প্ৰক্ৰিয়া অক্ষত ৰখাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱা হৈছে। তেওঁলোকৰ দাবীৰ প্ৰতি চৰকাৰে কিদৰে সঁহাৰি জনায়, সেয়া হ'ব লক্ষণীয়।

# ডিব্ৰুগড়ত দুৰ্ঘটনাত আহত নৱম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু

ই-সংবাদ, ডিব্ৰুগড়, ১৬ মাৰ্চঃ যোৱা ১০ মাৰ্চত স্কুটি দুৰ্ঘটনাত আহত হোৱা ডিব্ৰুগড়ৰ অইল ভেলী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ দীপ শ্ৰেষ্ঠৰ ১৫ মাৰ্চত মৃত্যু হয়। ছাত্ৰগৰাকীয়ে অসম চিকিৎসা মহাবিদ্যালয়ত যোৱা ছদিন ধৰি চিকিৎসাধীন হৈ মৃত্যুৰ সৈতে যুঁজি শেষনিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১৪ বছৰ ৩ মাহ। ডিব্ৰুগড়ৰ বাণীপুৰ বঙালগাঁও নিবাসী অইল ভেলী স্কুলৰ মেধাৱী ছাত্ৰ দীপ শ্ৰেষ্ঠৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। কালি অনেক গুণমুগ্ধৰ উপস্থিতিত দীপৰ শেষকৃত সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে একেঘৰৰে দুজন ভাই-ককায়ে স্কুটিৰে গাঁৱৰে এঘৰ মানুহৰ ঘৰত থকা সৰু কেট'ল ব্ৰীজ এখনত খুন্দা মৰাত গুৰুতৰভাৱে আঘাপ্ৰাপ্ত হয় আৰু লগে লগে চিকিৎসালয়লৈ লৈ যায় যদিও দীপ শ্ৰেষ্ঠৰ মৃত্যু হয় আৰু ককায়েক শিৱ প্ৰসাদ শ্ৰেষ্ঠ গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হয়। বৰ্তমানে ককায়েকজনো চিকিৎসাধীন হৈ আছে। দীপ শ্ৰেষ্ঠৰ দেউতাকৰ নাম মিন প্ৰসাদ শ্ৰেষ্ঠ আৰু মাতৃৰ নাম অনু প্ৰধান শ্ৰেষ্ঠ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পোনাকণৰ দাবী কংগ্ৰেছ আজি

থকা সহযোগী দল অসম গণ পৰিষদে বিভিন্ন অঞ্চলত পঞ্চায়ত নিৰ্বাচনক লৈ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ সভা-সমিতি কৰি গৈছে। উজনি অসমৰ ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিত অগপ দলে ব্যাপক কুচ-কাৱাজ চলাই গৈছে। আজি খাৰজান চাহ বাগিচা প্ৰেক্ষাগৃহত চাবুৱা-লাহোৱাল সমষ্টিৰ দিনজয় জিলা পৰিষদৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। অগপৰ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰাৰ পৰিচালনাত অনুষ্ঠিত সভাত দলটোৰ দিনজয় জিলা পৰিষদৰ অন্তৰ্গত ৪খন গাঁও পঞ্চায়তৰ কৰ্মীসকল উপস্থিত থাকে। সাংগঠনিক সভাত বিধায়ক পোনাকণ বৰুৱা উপস্থিত থাকি দিনজয় জিলা পৰিষদত পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজায়। প্ৰায় ৯ শতাধিক কৰ্মী উপস্থিত থকা সভাত ১০০ৰ অধিক বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মীয়ে অগপত যোগদান কৰে। পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজাই বিধায়ক পোনাকণ বৰুৱাই কংগ্ৰেছ দলক অতীত বুলি দোহাৰে। বৰুৱাই কয় যে কংগ্ৰেছ এতিয়া অতীত। পঞ্চায়ত নিৰ্বাচনক লৈ কংগ্ৰেছে নিজৰ নাম ল'বই নাপায়। কংগ্ৰেছৰ দিনত পঞ্চায়তত যিবোৰ প্ৰতিনিধি নিৰ্বাচিত হৈছিল সেইসকলক ৰাইজে জনতাৰ কাম কৰিবলৈ প্ৰতিনিধি নিৰ্বাচিত কৰিছিল। কিন্তু প্ৰতিনিধিসকলে দালালি আৰু ঠিকাদাৰ হিচাপে কাম কৰিছিল। কংগ্ৰেছৰ দিনত এনে হ'ল যে পঞ্চায়ত মানেই দুৰ্নীতি, পঞ্চায়ত মানেই ভ্ৰষ্টাচাৰ বুলি গ্ৰহণ কৰিছিল। যাৰ বাবে কংগ্ৰেছক মানুহে চূড়ান্তভাৱে প্ৰত্যাখ্যান কৰিছে। কংগ্ৰেছ আজি গণ বিচ্ছিন্ন। কংগ্ৰেছক এতিয়া আৰু আকোৱালি নলয় বুলি তীব্ৰ আক্ৰমণ কৰে বৰুৱাই। সভাত অসম গণ পৰিষদৰ চাহ কোষৰ সভাপতি প্ৰমোদ ভেংৰা, মটক স্বায়ত্ব শাসিত পৰিষদৰ পাৰিষদ বিমল বৰুৱা, চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সম্পাদক বিনোদ বুঢ়াগোহাঁই, নিতুল শইকীয়া, মহিলা পৰিষদৰ কেন্দ্ৰীয় উপসভানেত্ৰী অঞ্জলী গগৈ, চাবুৱা-লাহোৱাল সমষ্টিৰ সমিতি মহিলা পৰিষদৰ সভানেত্ৰী নৱজ্যোতি দুৱৰাৰ লগতে বহুকেইজন স্থানীয় নেতা উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদীয়

জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ২২ নং বোন্দাপাৰা পৰিষদীয় সমষ্টিৰ বাবে ৬ গৰাকীয়ে (ভাৰতীয় জনতা পাৰ্টী-১, ভাৰতীয় জাতীয় কংগ্ৰেছ-১, আম আদমী পাৰ্টী-১, অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছ-১, নিৰ্দলীয়-২), ২৩ নং খলিহাকোঠ পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ২৪ নং লুকী পৰিষদীয় সমষ্টিৰ বাবে ৩ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ -১, নিৰ্দলীয়-২), ২৫ নং হাহিম পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ২৬ নং জোঙ্গাঁখুলি পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ২৭ নং বকো পৰিষদীয় সমষ্টিৰ বাবে ৫ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, আম আদমী পাৰ্টী-১, নিৰ্দলীয়-৩), ২৮ নং উত্তৰ বনগাঁও পৰিষদীয় সমষ্টিৰ বাবে ৫ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, টি এম চি-১, নিৰ্দলীয়-৩), ২৯ নং দক্ষিণ বনগাঁও পৰিষদীয় সমষ্টিৰ বাবে ৪ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, তৃণমূল কংগ্ৰেছ-১, নিৰ্দলীয়-২), ৩০ নং বামুনীগাঁও পৰিষদীয় সমষ্টিৰ বাবে ৫ গৰাকীয়ে (ভাৰতীয় জনতা পাৰ্টী-১, ভাৰতীয় জাতীয় কংগ্ৰেছ-১, তৃণমূল কংগ্ৰেছ-১, নিৰ্দলীয়-২), ৩১ নং গোৱৰ্ধন পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ৩২ নং পাণ্টান পৰিষদীয় সমষ্টিৰ বাবে ৩ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-২), ৩৩ নং কুলশী পৰিষদীয় সমষ্টিৰ বাবে ৩ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-২), ৩৪ নং চানডুবী পৰিষদীয় সমষ্টিৰ বাবে ২ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-১), ৩৫ নং শিলপোতা পৰিষদীয় সমষ্টিৰ বাবে ৩ গৰাকীয়ে (ভাৰতীয় জনতা পাৰ্টী-১, ভাৰতীয় জাতীয় কংগ্ৰেছ-১, অসম জাতীয় পৰিষদ-১) আৰু ৩৬ নং ৰাণী পৰিষদীয় সমষ্টিৰ বাবে ৩ গৰাকীয়ে (ভাৰতীয় জাতীয় কংগ্ৰেছ-১, নিৰ্দলীয়-২) মনোনয়ন-পত্ৰ দাখিল কৰিছে। উল্লেখ্য যে মনোনয়ন-পত্ৰ পৰীক্ষাৰ তাৰিখ ১৭ মাৰ্চ (পুৱা ১১ বজা)। মনোনয়ন-পত্ৰ পৰীক্ষাৰ পিছত বৈধ প্ৰাৰ্থীৰ তালিকা ১৭ মাৰ্চতে প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ বাবে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে সময় নিৰ্ধাৰণ কৰা হৈছে আৰু একেদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ। আৰু কোনো কাৰণত যদি পুনৰ ভোটগ্ৰহণ কৰিবলগীয়া হয়, তেন্তে ৩ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণৰ অন্তত ৪ এপ্ৰিলৰ পুৱা ৮ বজাৰপৰা ভোটগণনা আৰম্ভ হ'ব আৰু ভোটগণনা প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ৪ এপ্ৰিলতে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এবছুৰ অধিৱেশন শেষ, গঠন নহ'ল

আজি সফলতাৰে সমাপ্ত পৰে। অৱশ্যে লক্ষণীয়ভাৱে এইবাৰৰ এবছুৰ কেন্দ্ৰীয় অধিবেশনত প্ৰতিনিধিসভা আধাৰুৱা হৈ ৰয় আৰু যাৰ বাবেই এবছুৰ কেন্দ্ৰীয় কমিটি নতুনকৈ গঠন নহ'ল। এই সন্দৰ্ভত এবছুৰ সভাপতি দ্বীপেন বড়োৱে সদৰি কৰা মতে গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনক লৈ এবছুৰ সমুহ কাৰ্যকৰ্তা খুব ব্যস্ততাত থাকিব লগা হোৱাৰ বাবে কালিৰ প্ৰতিনিধি সভা আধাৰুৱা হ'ল। প্ৰতিনিধি সভাত প্ৰস্তাৱ গৃহীতকৰণ আৰু নতুন সমিতি গঠন কৰাৰ কাম এমাহৰ বাবে স্থগিত ৰখা হৈছে বুলি জানিবলৈ দি এবছুৰ সভাপতি দ্বীপেন বড়োৱে অহা এমাহৰ ভিতৰতে বিশেষ অভিৰৰ্তন অনুষ্ঠিত কৰি এবছুৰ কেন্দ্ৰীয় কমিটি সালসলনি আৰু নতুন প্ৰস্তাৱ লোৱা হ'ব বুলি সদৰি কৰিছে। নতুন কমিটিত নৱপ্ৰজন্মক অগ্ৰাধিকাৰ দিয়া হ'ব বুলি সদৰি কৰি প্ৰতিনিধি সভাৰ দাবী সত্বেও তেওঁ সভাপতিৰ পদ এৰিবলৈ ইচ্ছুক বুলি সদৰি কৰিছে দ্বীপেন বড়োৱে। অৱশ্যে কালি নিশাৰ প্ৰতিনিধি সভাত এবছুৰ গুনগত শিক্ষাৰ ২০৩০ চনলৈকে অব্যাহত ৰখা, বিটিআৰ চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণ কৰা, সমাজৰ কুসংস্কাৰ যেনে মদ-জুৱা, ড্ৰাগছ, ডাইনী প্ৰথা,বাল্য বিবাহ ইত্যাদি বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰোপৰি এবছুৰ সংবিধান কিছু সালসলনি কৰি দুবছৰীয়া কাৰ্যকালৰ পৰিবৰ্তে তিনিবছৰীয়া কৰিব পৰা যায় নেকি তাৰ ওপৰত আলোচনা কৰা হৈছে যদিও কোনো প্ৰস্তাৱ লোৱা হোৱা নাই বুলি সদৰি কৰিছে দ্বীপেন বড়োৱে। আনহাতে অধিৱেশন উপলক্ষে অনুষ্ঠিত হোৱা মুকলি সভাৰ মুখ্য অতিথি দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্যক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। বিটিআৰ চুক্তিৰ অৱশিষ্ট দফা অহা দুবছৰৰ ভিতৰত ৰূপায়ন কৰা হ'ব বুলি গৃহমন্ত্ৰীৰ ঘোষণা, দেশৰ ৰাজধানী নতুন দিল্লীৰ এটা পথ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে নামাকৰনৰ কৰা আৰু অহা এপ্ৰিল মাহৰ প্ৰথম সপ্তাহতে অসমৰ মুখ্যমন্ত্ৰী তথা এবছুৰ উপস্থিতিত পথৰ নামাকৰণৰ ফলক লগোৱা হ'ব বুলি গৃহমন্ত্ৰীৰ ঘোষণাক আদৰণি এবছুৰ সভাপতি দ্বীপেন বড়োৰ। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে বুলি মন্তব্য কৰিছে দ্বীপেন বড়োৱে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰত উন্নয়নৰ জয়গান গালে অমিত

আজি অঞ্চলটোত শান্তি প্ৰতিষ্ঠা হ'ল। ভাৰত আৰু অসম চৰকাৰে বিটিআৰ উন্নয়নৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰে। এই মন্তব্য কৰিছে দেশৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। আজি কোকৰাঝাৰ জিলাৰ দোতমা'ৰ বড়োফা পথাৰত এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিবেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উক্ত মন্তব্য কৰিছে। ইয়াৰোপৰি মুখ্য অতিথিৰ ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বড়োলেণ্ড এলেকাত শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত বিটিআৰ শান্তি চুক্তিত স্বাক্ষৰকাৰী এবছুৰ যথেষ্ট অৰিহণা আছে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ জন্মস্থান দোতমাত প্ৰথমবাৰৰ বাবে আহি সুখী হৈছো বুলি মন্তব্য কৰি অমিত শ্বাহে নতুন দিল্লীৰ এটা পথ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নামেৰে নামাংকণ কৰি বড়োফালৈ কৃতজ্ঞতা জনোৱা হ'ব বুলি ঘোষণা কৰিছে। তদুপৰি এবছুক প্ৰশংসা কৰি অমিত শ্বাহে কয় যে বিটিআৰ চুক্তিৰ ৮২% দফা কাৰ্যকৰী হৈছে বুলি মন্তব্য কৰে। বড়োলেণ্ড এলেকাত ভাল খেলুৱৈ আছে আৰু অলিম্পিক পৰ্যায়ত যাতে বড়োলেণ্ড এলেকাৰ পৰা খেলুৱৈৰে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে খেলুৱৈসকলক কঠোৰ অনুশীলন কৰিবলৈ আহ্বান জনাইছে গৃহমন্ত্ৰী অমিত শ্বাহে। আনহাতে বড়োসকলৰ দেৱতা বৰাই বাথৌক সন্মান জনোৱা বুলি সদৰি কৰি বড়োসকলৰ পৰম্পৰাগত বাথৌ ধৰ্মক ৰাষ্ট্ৰীয় পৰ্যায়ত সুৰক্ষিত আৰু প্ৰতিষ্ঠা কৰাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰিছে। উল্লেখ্য যে আজি গৃহমন্ত্ৰী অমিত শ্বাহে হেলিকপ্টাৰেৰে দোতমাক উপস্থিত হোৱাৰ পিছতে বিপুল আদৰণি জনোৱা হয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্যৰ দলে হেলিপেডৰ পৰা মঞ্চলৈ অমিত শ্বাহক আদৰণি জনায়। মঞ্চত উপস্থিত হোৱাৰ পিছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্ত্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীক বড়ো আৰনাই, ফাগুৱী, কোট আৰু খামৰে স্বাগতম জনায় এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ইপিনে এবছুৰ কেন্দ্ৰীয় অধিবেশনৰ মুকলি সভাত বিশেষ অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিবেশন উপলক্ষে এবছুৰ সকলো কৰ্মকৰ্তাক শুভেচ্ছা জ্ঞাপন কৰে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰি কয় যে ১৯৮৬ চনত দৰং জিলাত অনুষ্ঠিত হোৱা এবছুৰ অধিবেশনত উপেন্দ্ৰনাথ ব্ৰহ্মা এবছুৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিল আৰু তেতিয়াৰে পৰা বড়ো জাতিৰ হৈ এবছুৱে কাম কৰি আহিছে। ইয়াৰোপৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ মাগদৰ্শন আৰু গৃহমন্ত্ৰী উদ্যোগতে বড়োভূমিত শান্তি ঘূৰি আহিছে। বড়ো জাতিৰ সৰ্বাংগীন উন্নয়নৰ বাবে এবছুৱে সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি মন্তব্য কৰি এবছুৰ প্ৰচেষ্ঠাক শলাগ লয় মুখ্যমন্ত্ৰীয়ে। বড়োলেণ্ডৰ উন্নয়নৰ খতিয়ান দাঙি ধৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে কোকৰাঝাৰত বড়োলেণ্ড বিশ্ববিদ্যালয় হৈছে, ওদালগুৰীত অতি শীঘ্ৰে বড়োলেণ্ড বিশ্ববিদ্যালয় কেম্পাচ আৰু মেডিকেল কলেজ নিৰ্মান কৰা হ'ব। অহা ১৫ এপ্ৰিলৰ ভিতৰত কোকৰাঝাৰ বিশ্ববিদ্যালয় আৰম্ভ হ'ব । কোকৰাঝাৰৰ পৰা গেলেংফু লৈ নতুন ৰেল লাইন নিৰ্মানৰ কাম আৰম্ভ হৈছে আৰু সম্পূৰ্ণ হৈ উঠাৰ পিছত অঞ্চলটোলৈ উন্নয়নৰ ব্যাপক পৰিবৰ্তন আহিব বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰীয়ে। বড়োসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কাম কৰিবলৈ আগবাঢ়িছো বুলি ভাষণত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষতে ৮ ৰ পৰা ১০ হাজাৰ নাচনিয়ে বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰি বাগৰুম্বাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলোৱা হৈছে। আনহাতে প্ৰতিবছৰৰ বড়োফাৰ জন্মদিন ৩১ মাৰ্চৰ দিনটো ছাত্ৰ দিৱস হিচাপে উদযাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰিছে। ইয়াৰোপৰি বড়োফাৰ সমাধি ক্ষেত্ৰত বিটিআৰ চৰকাৰ আৰু অসম চৰকাৰৰ যৌথ উদ্যোগত ৰাজ্যিক ভিত্তিত ছাত্ৰদিৱস উদযাপন কৰা হ'ব বুলি ঘোষণা কৰিছে হিমন্ত বিশ্ব শৰ্মাই। আনহাতে বড়োলেণ্ড এলেকাত শান্তি উন্নয়নৰ ধাৰা অটুট ৰাখিম বুলিও মন্তব্য কৰিছে মুখ্যমন্ত্ৰীয়ে। ইপিনে আজিৰ মুকলি সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে ভাষণ প্ৰসংগত কয় যে অসমৰ সকলো ৰাইজৰ বাবে চৰকাৰে বিভিন্ন আঁচনি লৈছে। বিটিচি অঞ্চলৰ বাবেও আঁচনি তৈয়াৰ কৰিছে । অনাগত দিনত অসম চৰকাৰে ভাল ভাল আঁচনি যুগুত কৰি ৰাইজৰ উন্নয়ন মূলক কামকাজ অধিক তীব্ৰতৰ কৰি তুলিব। ইপিনে অগপ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই নিজ ভাষণত কয় যে বড়ো জাতীয়তাবাদ অকল ভাৰততে নহয় সমগ্ৰ বিশ্বতে স্বীকৃত হৈছে । বড়ো জাতিয়ে যুগে যুগে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ আদৰ্শৰে কাম কৰি যাব বুলি আশা ব্যক্ত কৰি মন্ত্ৰী অতুল বৰাই বড়ো জনগোষ্ঠীৰ আত্মপৰিচয়, ভাষা, কলা-সংস্কৃতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে বড়ো জনগোষ্ঠীৰ নৱ প্ৰজন্মই আগবাঢ়ি আহি উপেন্দ্ৰনাথ ব্ৰহ্মাৰ সপোন বাস্তবায়িত কৰিব বুলি আশা প্ৰকাশ কৰিছে । তদুপৰি কেন্দ্ৰত নৰেন্দ্ৰ মোডী আৰু অসমত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সমগ্ৰ অসম আৰু ভাৰতবৰ্ষত উন্নয়ন ত্বৰান্বিত হৈছে বুলি মন্তব্য কৰিছে অতুল বৰাই। আনহাতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ভাষণত কয় যে গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিটিআৰ শান্তি চুক্তিৰ দফাসমূহ আখৰে আখৰে ৰূপায়ণ কৰি আছে । মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও বিটিআৰ অঞ্চলত অধিক গুৰুত্ব প্ৰদান কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰিছে। মুকলি সভাত উপস্থিত থকা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয় যে বিটিআৰ শান্তি চুক্তিৰ পিছতে এসময়ত অশান্তজৰ্জৰ অঞ্চলটোত শান্তি ঘূৰি আহিছে। তাৰ লগে লগে উন্নয়নো ত্বৰান্বিত হৈছে বুলি মন্তব্য কৰিছে দিলীপ শইকীয়াই। মুকলি সভাত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে নিজ ভাষণত কয় যে বিটিআৰ শান্তিচুক্তিৰ পিছতে অঞ্চলটোত শান্তি ঘূৰি আহিছে । এবছুৱে শিক্ষাকে ধৰি বহু সমস্যা সমাধানৰ বাবে যোৱা ৫৭ বছৰে নিৰবচ্ছিন্নভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বড়োলেণ্ড অঞ্চলৰ শান্তি আৰু উন্নয়নক গুৰুত্ব দিছে। প্ৰায়ভাগ সমস্যাৰ সমাধান হ'ল, যি দুই এটা আছে সেয়াও শীঘ্ৰেই সমাধানৰ পথত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিক্ষা,ৰাস্তা,ঘাট আদিকে ধৰি সকলো দিশতে গুৰুত্ব দিছে বুলি উল্লেখ কৰিছে প্ৰমোদ বড়োৱে। আনহাতে আজিৰ মুকলি সভাত সভাপতিত্ব কৰা এবছুৰ সভাপতি দ্বীপেন বড়োৱে নিজ ভাষণত কয় যে এবছুৱে বড়ো জাতি আৰু অঞ্চলটোত বসবাস কৰা আন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ হকে মাত মতি আহিছে। এবছুৱে এসময়ত বড়ো ৰাজ্যৰ দাবীত আন্দোলন চলাইছিল যদিও পিছলৈ বিএচি, বিটিচি আৰু তাৰ পিছত বিটিআৰ শান্তিচুক্তিৰে অঞ্চলটোৰ উন্নয়ণত হে গুৰুত্ব দিয়া হৈছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ অঞ্চলত বহুবাৰ পদাৰ্পণ কৰি অঞ্চলটোৰ সৰ্বদিশতে উন্নয়নত গুৰুত্ব এবছুৰ সভাপতি দ্বীপেন বড়োৱে কৃতজ্ঞতা প্ৰকাশ কৰিছে । উল্লেখ্য যে আজিৰ মুকলি সভাত মন্ত্ৰী অশোক সিংহল, লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী,বিধায়ক ক্ৰমে লৰেন্স ইছলাৰী, জিৱণ বসুমতাৰী, বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, বিটিচিৰ প্ৰায়ভাগ কাৰ্যবাহী সদস্য আৰু এমচিএলএ আদিকে ধৰি বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। আনহাতে মুকলি সভাত প্ৰায় লক্ষাধিক লোক উপস্থিত থাকি সভাত বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# গুৱাহাটীত থলগিৰিৰ ওপৰত দলবদ্ধ আক্ৰমণ অনা-অসমীয়াৰ, ৬ অভিযুক্তক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৬ মাৰ্চঃ** গুৱাহাটীত অনা-অসমীয়াৰ গুণ্ডাগিৰি দিনে দিনে বৃদ্ধি পাইছে। অসমীয়া যুৱক-যুৱতীক অনা-অসমীয়া মালিকে নিৰ্যাতন কৰাৰ ঘটনা সংঘটিত হৈ থকাৰ লগতে থলুৱাৰ ওপৰত ভিন্ন প্ৰকাৰৰ গুণ্ডাগিৰি দিনেকদিনে বৃদ্ধি পাইছে। জাতি-মাটি, ভেটি ৰক্ষাৰ শ্ল'গান দি ৰাজ্যৰ শাসনভাৰ দখল কৰা বিজেপিৰ দিনত থলগিৰীৰ সুৰক্ষা নোহোৱা হৈছে। বিজেপি দিনত আজি অসমীয়াই য'তে-ততে অনা-অসমীয়াৰ প্ৰহাৰৰ বলি হ'বলগীয়া হৈছে। আৰক্ষীৰ সন্মুখতে থলিগৰী অসমীয়াক বৰ্বৰভাৱে প্ৰহা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। এইবাৰ গুৱাহাটী মহানগৰীত আৰক্ষীৰ সন্মুখতে অসমীয়াক দলবদ্ধ আক্ৰমণ কৰে অনা-অসমীয়াই। নিশা দলবান্ধি আহি প্ৰহাৰ কৰে অসমীয়াক। গুৱাহাটীৰ পাথৰ কোৱাৰীত হোলীৰ নিশা উদণ্ড অনা-অসমীয়াই থলুৱাক আক্ৰমণ কৰি মূৰ ফালি পেলাইছিল। নিশা প্ৰায় ১২ জনীয়া অনা-অসমীয়া গুণ্ডাৰ দলে থলুৱা লোকে চলোৱা এখন হোটেলত প্ৰৱেশ কৰে। হোটেলত আহি বিভিন্ন প্ৰকাৰে হোটেলৰ মালিক, মহিলা কৰ্মচাৰী আৰু অসমীয়া যুৱকক ভাবুকি দিবলৈ ধৰে। ফলত এজন থলুৱা যুৱকৰ মূৰ ফালি যায়। পিছত হোটেলৰ মালিকে তৰা গোচৰৰ ভিত্তিত ছয়জনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। বিশ্বজিৎ দাস, অজিত বাহাদুৰ, সুৰেশ ৰায়, গোলচান্দ সিং, দেৱেশ ৰায়, গৌতম ৰায়ক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, পাথৰকুৱেৰিৰ সাগৰিকা বিবাহ ভৱনৰ সমীপৰ মিষ্টান ভাণ্ডাৰ নামৰ হোটেলৰ গৰাকী জয়ন্ত তালুকদাৰক আক্ৰমণ কৰে বিহাৰী যুৱকৰ দলটোৱে। ছয়জন যুৱকে জয়ন্ত তালুকদাৰক যিয়ে যেনেকৈ পাৰে তেনেকৈ প্ৰহাৰ কৰে। এজনে লোৰ সামগ্ৰীৰে আক্ৰমণ কৰাত তালুকদাৰৰ মূৰ ফালি যায়। অত্যাধিক সুৰা পান কৰি ১০-১২ জনীয়া অনা-অসমীয়া গুণ্ডাৰ দলটোৱে প্ৰথমে হোটেলখনলৈ আহি অশ্লীল ভাষাৰে গাল-গালাজ কৰে। বাৰে বাৰে হোটেলৰ ভিতৰত সোমাই মালিক আৰু কৰ্মচাৰীক প্ৰহাৰ কৰিবলৈ প্ৰয়াস কৰে। সেই সময়ত আৰক্ষীৰ দল এটা আহে। আৰক্ষীৰ দলটো আহি পোৱাৰ পিছতে অনা-অসমীয়া যুৱকৰ দলটো অধিক আক্ৰমণাত্মক হৈ হোটেলৰ চকী-মেজ, আচবাব লণ্ড-ভণ্ড কৰিবলৈ ধৰে। হোটলৰ মালিক আৰু কৰ্মচাৰীয়ে বাধা দিয়াত প্ৰায় ১২ জনীয়া দলটোৱে হোটেলৰ মালিক জয়ন্ত তালুকদাৰসহ কেইবাজনো যুৱকক আক্ৰমণ কৰে। অসমীয়া যুৱক জয়ন্ত তালুকদাৰক অনা-অসমীয়াই প্ৰহাৰ কৰাত অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আৰক্ষীৰ সন্মুখতে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰি মূৰ ফালি দিছিল জয়ন্ত তালুকদাৰৰ। অনা-অসমীয়া যুৱকে দলে-বলে আহি হোটেলৰ মালিক আৰু কৰ্মচাৰীক আক্ৰমণ কৰা এটা ভিডিঅ' ভাইৰেল হয়। ভিডিঅ' ভাইৰেল হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পিছত যুৱকেইজন বজৰং দলৰ সৈতে জড়িত আৰু অনা-অসমীয়া যুৱক বুলি জানিব পৰা যায়। অনা-অসমীয়াই থলুৱা ব্যৱসায়িক প্ৰহাৰ কৰাত আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত ৬জনক গ্ৰেপ্তাৰ কৰে নুনমাটিৰ আৰক্ষীয়ে।

# আবিৰৰ ৰঙেৰে ৰঙীণ পশ্চিম হাতীপাৰা কুৰ্মীগাঁও

**ই-সংবাদ, হাওৰাঘাট, ১৬ মাৰ্চঃ** ফাগুনৰ খৰাং আঁতৰাই বসন্তৰ বতৰা লৈ এয়া চ'ত। ফলে-ফুলে ধৰিত্ৰী জাতিস্কাৰ হোৱাৰ আৱাহনৰ পদূলিত এইয়া ৰঙৰ উৎসৱ ফাকুৱা। সমগ্ৰ দেশজুৰি পালন কৰা হৈছে ফাকুৱা। ৰঙৰ ফাকুগুড়ি সনা, হৃদয়ৰ কলুষ পাহৰি সকলোকে সাৱটি লোৱা, ৰঙীণ মনৰ সুৱাগুৰি তোলা এটি আনন্দৰ উৎসৱ— ফাকুৱা। হিন্দুসকলৰ অতি আদৰৰ, অতি মৰমৰ বসন্ত উৎসৱ এই ফাকুৱা নিজেই এক ইতিহাসসমৃদ্ধ। পাহাৰীয়া জিলা কাৰ্বি আংলংৰ পশ্চিম হাতীপাৰা গাঁৱত পৰম্পৰাগতভাৱে প্ৰতিবছৰ দৰে এইবাৰো দেখা যায় অন্য এক ফাকুৱাৰ ব্যতিক্ৰমী নিদৰ্শন। তিনিদিনীয়া বৰ্ণিল কাৰ্যক্ৰমণিকাৰে পশ্চিম



হাতীপাৰা গাঁৱৰ প্ৰতিজন ভক্তিপ্ৰাণ লোক একত্ৰিত হৈ যোৱানিশা উজাগৰে থাকি, শান্তি-সম্প্ৰতি বজাই ৰাখি, প্ৰীতিভোজৰ মাজেৰে মাদল, তাল, ঢোল, গীত-মাত জয়ধ্বনিৰে ৰাজহুৱা পথাৰৰ মাজত উদযাপন কৰে হলিকা দাহ। নিশা উজাগৰে থাকি পুৱাৰ ভাগত বোকাখেল, ঈশ্বৰক আবিৰ অৰ্পণ, ৪ শতাধিক লোক উপস্থিত হৈ হৰিধ্বনিৰে দাহ কৰে সমাজৰ অপায়-অমংগল। ইয়াৰ সমান্তৰালকৈ ন-মাটি সমষ্টিৰ সমাজসেৱক তথা টি মৰ্চাৰ সভাপতি জল' কুৰ্মী আৰু সদৌ অসম বেদিয়া সমাজৰ উপ-সভাপতি চিকন্দৰ বেদিয়ায়ে পশ্চিম হাতীপাৰাৰ লগতে সমগ্ৰ কাৰ্বি আংলং আৰু অসমবাসী ৰাইজক পবিত্ৰ দৌল পূৰ্ণিমাৰ প্ৰীতিভৰা শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে, কাৰ্বি পৰিষদৰ পৰ্যটন আৰু জল-সম্পদ বিভাগৰ কাৰ্য্যবাহী সদস্য ৰিতেশ ইংহিয়ে পবিত্ৰ দৌল পূৰ্ণিমা উপলক্ষে আৰ্থিক সহযোগিতা প্ৰদান কৰাৰ বাবে পশ্চিম হাতীপাৰা কুৰ্মী গাঁৱৰ সমূহ ৰাইজে ধন্যবাদ জ্ঞাপন কৰে।

# গড়গাঁও মহাবিদ্যালয়ত গণিত দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ১৬ মাৰ্চঃ** শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ গণিত বিভাগৰ উদ্যোগত, নাজিৰা মহাবিদ্যালয়ৰ গণিত বিভাগ আৰু গড়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত ১৪ মাৰ্চ তাৰিখে আন্তৰ্জাতিক গণিত দিৱস উপলক্ষ্যে এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। গণিতৰ প্ৰতি শিক্ষাৰ্থীসকলৰ আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে আয়োজিত 'গণিতঃ কলা আৰু সৃষ্টিশীলতা' শীৰ্ষক বক্তৃতানুষ্ঠানটিৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট গণিতজ্ঞ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাধ্যাপক অঙ্কুৰ ভৰালী। অনুষ্ঠানটি উদ্বোধন কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° সব্যসাচী মহন্তই উদ্যোক্তাসকলৰ পদক্ষেপৰ শলাগ লয় তথা ধন্যবাদ জ্ঞাপন কৰে। সমল ব্যক্তিগৰাকীয়ে গণিতৰ বিভিন্ন বিষয়বস্তু সহজ আৰু আকৰ্ষণীয় ৰূপত উপস্থাপন কৰে। তেখেতে ঈশ্বৰৰ অস্তিত্বৰ গণিতীয় ন্যায়, গণিত আৰু দাৰ্শনিক যুক্তিৰ মাজৰ সংযোগ, সীমা, সাম্যতা, আৰু অসীম - গণিতৰ এই মৌলিক তত্ত্ব সহজ ভাষাত ব্যাখ্যা, পেৰাডক্স আৰু প্ৰতিযোগিতা - পৰম্পৰাগত গণিত চিন্তাৰ প্ৰতি প্ৰশ্ন, উত্থাপন কৰা তত্ত্ব ইত্যাদি বিষয় সৰল ৰূপত উপস্থাপন কৰে। অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কবিতা ফুকনে। গড়গাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰ, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিৎ শইকীয়া, নাজিৰা মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী জিতেন ফুকন, সুজাতা বৰঠাকুৰ, বিভিন্ন ঠাইৰ গৱেষক, অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থী আদিৰ উপস্থিতিত অনলাইন মাধ্যমত অনুষ্ঠিত অনুষ্ঠানটিৰ আঁত ধৰে গণিত বিভাগৰ সহকাৰী অধ্যাপক সুজাতা গোৱালাই আৰু কাৰিকৰী সহযোগ আগবঢ়ায় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিৎ শইকীয়া আৰু গণিত বিভাগৰ সহকাৰী অধ্যাপক হৰেকৃষ্ণ মিলিয়ে।

# প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনিৰ নামত ধন সংগ্ৰহ একাংশ দালালৰ

**ই-সংবাদ, মোৰাঝাৰ, ১৬ মাৰ্চঃ** প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনিৰ নামত একাংশ দালাল চক্ৰৰ বিৰুদ্ধে ধন সংগ্ৰহৰ অভিযোগ উত্থাপিত হৈছে। হোজাই জিলাৰ ডবকাৰ বৌৰাৰপাৰ গাঁৰৰ শতাধিক মহিলা বঞ্চিত হৈছে প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনিৰপৰা। উজ্জ্বলা আঁচনিৰ নামত অঞ্চলটোৰ মহিলাসকলৰপৰা এজন নামদাৰী দালালে এবছৰ পূৰ্বে প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহ কৰাৰ লগতে কিছু পৰিমাণে ধনো সংগ্ৰহ কৰে। কিন্তু আজিলৈকে এই মহিলাসকলে পোৱা নাই ৰন্ধন গেছ। উল্লেখ্য যে চামবালিৰ ভাৰত গেছ এজেন্সিৰ এজেণ্টৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছে মহিলাসকলে। যাৰফলত ৰন্ধন গেছ লাভৰ ক্ষেত্ৰত বঞ্চিত মহিলাসকলে যমৰ যাতনা ভুগিবলগীয়া হৈছে। মহিলাসকলৰ সবলিকৰণৰ বাবে ৰূপায়ণ হোৱা আঁচনিয়ে প্ৰকৃততে গ্ৰামাঞ্চলৰ মহিলাসকলক কিমান ঢুকি পাইছে এয়া তাৰেই প্ৰমাণ । এইবোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন ৰাইজে।

# চালুকপথাৰ শাখা চুতীয়া ছাত্ৰ সন্থা গঠন

**ই-সংবাদ, সৰুপথাৰ, ১৬ মাৰ্চঃ** উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ অন্তৰ্গত চালুকপথাৰ শাখা চুতীয়া ছাত্ৰ সন্থাৰ সমিতিখন আজি গঠন কৰা হয়। ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰক্তিম হাজৰিকাই চুতীয়া ছাত্ৰ সন্থাই বিগত সময়ত চুতীয়াসকলৰ কাৰণে তথা অঞ্চলসমূহত কৰি অহা কাৰ্যসমূহৰ বিৱৰণ দাঙি ধৰে। চুতীয়া ছাত্ৰ সন্থাই কেৱল চুতীয়াসকলৰ কাৰণে মাত মাতি আহিছে এনে নহয়, সৰুপথাৰ সম জিলাৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে আন্দোলন কৰাৰ কথাও তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে সভাত লুজেন চুতীয়াক সভাপতি, দন্দেশ্বৰ চুতীয়াক কাৰ্যকৰী সভাপতি, গজেন চুতীয়াক সম্পাদক, শ্ৰীমন্ত বৰাক সহঃসম্পাদক হিচাপে লৈ শাখা সমিতিখন গঠন কৰা হয়। সভাত ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰক্তিম হাজৰিকা আৰু উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত বৰা, বিজু চুতীয়া আদি উপস্থিত থাকে।

# চেঙাৰ কাৰাইখাইতিত সমূহীয়া ইফতাৰ পাৰ্টিৰ আয়োজন

**ই-সংবাদ, নগৰবেৰা, ১৬ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত মাদ্ৰাছা হিফজুল উলুম কাৰাইখাইতি-নিৰলা প্ৰাংগণত আজি বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক যুৱনেতা, চেঙা বিধানসভা সমষ্টিৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী সোলেমান সিকদাৰৰ উদ্যোগত সমূহীয়া ইফতাৰ মেহফিলৰ আয়োজন কৰে। ইফতাৰ পাৰ্টিৰ প্ৰাকমুহূৰ্তত বিশ্বশান্তি ৰক্ষাৰ বাবে সমূহীয়া মোনাজাত কৰা হয়। ইফতাৰ পাৰ্টিৰ শেষত যুৱনেতা তথা সমাজ কৰ্মী সোলেমান সিকদাৰে সাংবাদিকৰ আগত কয় যে কৰ্মেসূত্ৰে চেঙাৰ কাৰাইখাইতিৰ বাহিৰত কামৰূপৰ নগৰবেৰাত থাকে বাবে এইবাৰ নিজৰ জন্মস্থান গাঁৱত ইফতাৰ পাৰ্টিৰ আয়োজন কৰে। লগতে কয় ইফতাৰ পাৰ্টি অনুষ্ঠানত বিভিন্নপৰ্যায়ৰ লোকক নিমন্ত্ৰণ জনাইছিল আৰু সেই হিচাপে ৰাইজেও সঁহাৰি জনায় বুলি উদ্যোক্তা সোলেমান সিকদাৰে কয়। উক্ত ইফতাৰ পাৰ্টিত মলিম উদ্দিন, আজিজুল হক, নুৰুল ইচলাম, মহিবুল ইচলাম, নজমুল হক সিকদাৰ আৰু ৰাকিবুল ইছলামৰ লগতে গাঁৱৰ ভালেসংখ্যক লোকে সহায়-সহযোগ আগবঢ়ায়। পবিত্ৰ ৰমজান মাহ উপলক্ষে ইফতাৰ পাৰ্টিৰ আয়োজন কৰা যুৱনেতা তথা সমাজকৰ্মীজনক উপস্থিত সকলোৱে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# ঢাপকটা তৰুণ সংঘত বিহু উদযাপন সমিতি গঠন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৬ মাৰ্চঃ** ঢাপকটা তৰুণ সংঘত ২০ এপ্ৰিলত ৰঙালী বিহু উদযাপন কৰাৰ উদ্দেশ্যে আজি সংঘৰ সভাপতি নৰেন গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত সিদ্ধান্ত কৰাৰ লগতে বিহু উদযাপনৰ বাবে প্ৰসাদ হাজৰিকাক সভাপতি, অঞ্জন প্ৰতিম গগৈক কাৰ্যকৰী সভাপতি, জয়ন্ত গোস্বামীক সম্পাদক, নয়নজ্যোতি গোস্বামী, পাৰ্থ প্ৰতিম শৰ্মা, প্ৰতিম পল্লৱ শৰ্মাক সহকাৰী সম্পাদক, মুনীন বৰুৱা, অৰ্কিড অংশু গোস্বামীক সাংস্কৃতিক সম্পাদক, ত্ৰিদিপ ফুকন, ভাস্কৰ গোস্বামী, ৰাজীৱ বৰাক আপ্যায়ন, অশোক গোস্বামী, ধ্ৰুৱ বৰা, জীৱন শইকীয়াক মঞ্চ-আলোক সজ্জা, ৰমেন শইকীয়াক প্ৰচাৰ সম্পাদকৰূপে লৈ আগন্তুক বিহু সন্মিলন উদযাপন সমিতিখন গঠন কৰে। সভাত উপস্থিত থকা জ্যেষ্ঠসকলক উপদেষ্টা, কনিষ্ঠসকলক সদস্য-সদস্যা হিচাপে অন্তৰ্ভুক্ত কৰা লগতে ৰবীন গোস্বামী আৰু প্ৰভাত দত্তক হিচাপ পৰীক্ষকৰ দায়িত্ব অৰ্পণ কৰে।

# কবি-লেখিকা ৰাবিয়া বেগমক কাব্য অনুপ্ৰেৰণা সন্মান-২০২৫ প্ৰদান

**ই-সংবাদ, মৈৰাবাৰী, ১৬ মাৰ্চঃ** নগাঁও জিলা পুথিভঁৰালত দেওবাৰে গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত হৈ যোৱা স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন মঞ্চ, অসমৰ প্ৰথম বৰ্ষপূৰ্তি উদযাপন অনুষ্ঠানত মৰিগাঁও জিলাৰ কলমৌবাৰী পঞ্চায়তৰ অন্তৰ্গত বগৰীতলা গাঁৱৰ যুৱ কবি-লেখিকা ৰাবিয়া বেগমক কাব্য অনুপ্ৰেৰণা সন্মান-২০২৫ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বেও কবি-লেখিকা ৰাবিয়া বেগমে বৰ লুইত ফাউণ্ডেশ্যনৰ তৰফৰপৰা প্ৰেৰণা বঁটা-২০২২, লাইফ স্মাৰ্ট ফাউণ্ডেশ্যনৰ তৰফৰপৰা শংকৰ-আজান সমন্বয় সন্মান বঁটা-২০২২ আৰু অসমৰ জনপ্ৰিয় ৱেব মিডিয়া খবৰ অসমৰ তৰফৰপৰা উদীয়মান লেখিকা বঁটা-২০২৪ লাভ কৰিছে। উল্লেখ্য যে ৰাবিয়া বেগমে নিজৰ শৈক্ষিক জীৱনৰ সমান্তৰালকৈ সাহিত্য চৰ্চা আৰু সমাজ সেৱামূলক কাম-কাজেৰে সামাজিক মাধ্যমৰ যোগেদি অসমৰ জনসমাজত এক সুকীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাবিয়া বেগমে ইতিমধ্যে শেষ মানেই শেষ নহয়, জীৱনৰ জলছবি, নূৰ আল ইছলাম আদি গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰালত অনৱদ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। তেখেতৰ আন এখন গ্ৰন্থ জীৱন তই জয়ী হ'বি প্ৰকাশৰ পথত। এনে এগৰাকী প্ৰতিভাৱান কবি-লেখিকাক নিজৰ লক্ষ্য পথত আৰু অধিক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত প্ৰেৰণা যোগাবলৈ স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন মঞ্চ, অসমে কাব্য অনুপ্ৰেৰণা সন্মান-২০২৫ প্ৰদান কৰা কাৰ্যক সাহিত্যপ্ৰেমী ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# আনজুমানে মুছলিম ঈদগাহৰ উদ্যোগত ইফটাৰ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৬ মাৰ্চঃ** কামৰূপ জিলাৰ গোগ গাঁৱত অৱস্থিত আনজুমানে মুছলিম ঈদগাহ গোগ, নকুছি, বৰপলহা আৰু ক্ষুদ্ৰপলহাৰ উদ্যোগত আজি ৰাজহুৱা ইফটাৰ অনুষ্ঠিত হৈ যায়। আনজুমানে মুছলিম ঈদগাহৰ অন্তৰ্গত মুঠ ৯ টা জামাতৰ পাঁচ শতাধিক লোকে এই সমূহীয়া ইফটাৰত অংশগ্ৰহণ কৰে। আনজুমানে মুছলিম ঈদগাহ প্ৰাংগণত অনুষ্ঠিত সমূহীয়া ইফটাৰত বিশ্বশান্তি আৰু ভাতৃত্ববোধৰ বাবে সমূহীয়া দোৱা কৰা হয়। দোৱা কৰে কাজী চুবা জামাতৰ ঈমাম মৌলানা নুৰুল ইছলামে। দোৱাৰ পূৰ্বে কেৰাত পাঠ কৰে হাফিজ মতলেবুদ্দিন আহমেদে। ইফটাৰত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ৰোজাদাৰে সমূহীয়া ইফটাৰৰ আয়োজক আনজুমানে মুছলিম ঈদগাহ সমিতিৰ প্ৰতিগৰাকী কৰ্মকৰ্তাক তেওঁলোকৰ এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ শেষত আনজুমানে মুছলিম ঈদগাহ সমিতিৰ তৰফৰপৰা সমূহ ইছলাম ধৰ্মাৱলম্বী ৰাইজক পৱিত্ৰ ৰমজানৰ লগতে আগন্তুক ঈদ-উল-ফিটৰৰ আগতীয়া শুভেচ্ছা জ্ঞাপন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পুৰণিগুদামত বিশিষ্ট সাহিত্যিক ৰঞ্জু হাজৰিকাক এ জে ৱাই চি পিৰ সম্বৰ্ধনা

**ই-সংবাদ, পুৰণিগুদাম, ১৬ মাৰ্চঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত আজি বিশিষ্ট সাহিত্যিক ৰঞ্জু হাজৰিকা উপস্থিত হয়। ৭০০ ৰো অধিক গ্ৰন্থৰ লেখক বিশিষ্ট সাহিত্যিক, ৰহস্য সম্ৰাট, 'বিপন্ন বিস্ময় খেল' নামৰ শিশু উপন্যাসৰ বাবে ২০২৪ চনৰ শিশু সাহিত্য অকাডেমি বঁটাপ্ৰাপক ৰঞ্জু হাজৰিকাক আজি আনুষ্ঠানিক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে এখন চেলেং চাদৰ, বিহুৱান গামোচা, এটা স্মাৰক, জাপি আদিৰ লগতে এখন সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনায়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সম্বৰ্ধনা সভাখনত উপস্থিত হৈ অভিভূত হৈ পৰে ৰঞ্জু হাজৰিকা। ভাষণ প্ৰসংগত বিশিষ্ট সাহিত্যিকগৰাকীয়ে কয়--- আজি মোৰ প্ৰতি থকা আন্তৰিকতা আৰু আগ্ৰহখিনি দেখি মই উৎসাহিত হৈছো। ভৱিষ্যতে আৰু কাম কৰি যাবলৈ ৰাইজৰ মৰম-আশীৰ্বাদে মোক সাহস দিছে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে তেওঁৰ অসুস্থতাৰ বাবে অলপ সময়হে দিব পাৰিম বুলি কোৱা স্বত্বেও আজি ইমান ডাঙৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে আয়োজক সমিতিৰ শলাগ লয় আৰু অসুস্থ দেহাৰে উপস্থিত হ'বলৈ পাই অতিশয় আনন্দিত হৈছো বুলি মন্তব্য কৰে। লগতে তেওঁৰ প্ৰতি দেখুওৱা আন্তৰিকতা, আগ্ৰহ, মৰমে তেওঁক অধিক উৎসাহিত আৰু প্ৰেৰণা যোগাব বুলি কয় আৰু আয়োজক সমিতিৰ লগতে উপস্থিত সকলোৰে ওচৰত কৃতজ্ঞ হৈ থাকিব বুলি মন্তব্য কৰে। উক্ত সভাখনত বিশিষ্ট সাহিত্যিকগৰাকীৰ লগতে সাহিত্যিক পেঞ্চনাৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক ফণীন্দ্ৰ নাথ গায়ন, পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতা, সম্পাদক হিৰণ্য কুমাৰ শৰ্মা, কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰা, বিপুল কুমাৰ মজিন্দাৰ, জ্যোতিৰ্ময় গোস্বামী, প্ৰবীণ বৈৰাগী, শিশুবন্ধু দুলাল বৰা, যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ বিষয়ববীয়া অজয়জ্যোতি বৰুৱাকে প্ৰমুখ্যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা, সম্পাদক মাহমুদৰ ৰহমান আঞ্চলিক সমিতিৰ খলিলুৰ ৰহমান, প্ৰাণজিত বৰা, জ্যোতি বৰা, চাজিদ হুছেইন, পুৰণিগুদাম কবি সন্মিলনৰ বিষয়ববীয়া, পুৰণিগুদাম শাখা সাহিত্য সভাৰ বিষয়ববীয়া আৰু অৰ্নিবাণ গোষ্ঠীৰ বিষয়ববীয়া আৰু কেইবাজনো ব্যক্তি উপস্থিত থাকে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ উপ-সভাপতি চন্দন ফুকন আৰু যুটীয়া সম্পাদক দিব্যজিত হাজৰিকাই আঁতধৰা উক্ত সভাখনতেই পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতাই ৰচনা কৰা বিট্ৰিছ বিষয়াৰ মূৰত আঘাট কৰা স্বাধীনতা সংগ্ৰামী বীৰ তাপুক কৈৱৰ্তৰ জীৱনী গ্ৰন্থ "বীৰ তাপুক কৈৱৰ্ত" উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা ৰহস্য সম্ৰাট ৰঞ্জু হাজৰিকাই। বিশিষ্ট সাহিত্যিকগৰাকীক পুৰণিগুদাম কবি সন্মিলনৰ তৰফৰপৰাও এখন ফুলাম গামোচাৰে সভাপতি নবীন কলিতাই সম্বৰ্ধনা জনায়। অনুষ্ঠানটিৰ আৰম্ভণিতে কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰাই ড° ভূপেন হাজৰিকাৰ এটি চিৰযুগমীয়া গীত পৰিৱেশন কৰে। অনুষ্ঠানটোত জাতীয় মহিলা পৰিষদ, নগাঁও জিলাৰ সম্পাদিকা অনুৰাধা গোহাঁই, ইলোৰা বিজ্ঞান মঞ্চৰ পুৰণিগুদাম শাখাৰ সভাপতি অনিল বৈৰাগী, ইবাদত হুছেইন, নগাঁও জিলা সাহিত্য সভাৰ যুৱ পৰিষদৰ সভাপতি কবিন পাটৰ, সীমা দেৱী, নিভাৰাণী শইকীয়া আদি কেবাজনো ব্যক্তি উপস্থিত থাকে।

# শিল্পগ্ৰামত বিষ্ণুপ্ৰিয়া মণিপুৰী লোক সাহিত্য, লোকসংস্কৃতি বিষয়ক আলোচনা-চক্ৰ

**ই-সংবাদ, গুৱাহাটী, ১৬ মাৰ্চঃ** আজি বৰ্ণিল কাৰ্যসূচীৰে মহানগৰীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ উদ্যোগত ভাষা শ্বহীদ সুদেষ্ণা সিনহাৰ ৩০ সংখ্যক শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি বিষ্ণুপ্ৰিয়া মণিপুৰী লোকসাহিত্য আৰু লোকসংস্কৃতি বিষয়ক এখনি মনোজ্ঞ আলোচনা-চক্ৰ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। পুৱা পৰিষদৰ পতাকা উত্তোলন কৰে বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহই। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন, শ্বহীদ সুদেষ্ণা সিনহাৰ প্ৰতিচ্ছবিত পুষ্পাৰ্ঘ অৰ্পণ কৰাৰ পিছত আলোচনা-চক্ৰ অনুষ্ঠিত হয়। দিলস্ লক্ষ্মীন্দ্ৰ সিংহৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-চক্ৰ উদ্বোধন কৰি ৰায়গঞ্জ বিশ্ববিদ্যালয় (পশ্চিমবংগ)ৰ উপাচাৰ্য তথা বিশিষ্ট পণ্ডিত ড০ দীপক কুমাৰ ৰায়ে কয়-- বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষা প্ৰাচীন ভাষা। অসম, মণিপুৰ, ত্ৰিপুৰা, পশ্চিমবংগৰ লগতে বাংলাদেশতো এই ভাষা প্ৰচলিত হৈ আছে। বিষ্ণুপ্ৰিয়া মণিপুৰী লোকসকল শাৰীৰিকভাৱে অতি শক্তিশালী। সভাৰ মুখ্য অতিথি অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া কনক চন্দ্ৰ শৰ্মাই কয় লোকসাহিত্য, লোকসংস্কৃতিৰ মেটমৰা সম্ভাৰেৰে সমৃদ্ধ বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষা-সাহিত্য। অসমীয়া ভাষা-সাহিত্যিৰ উত্তৰণতো বিষ্ণুপ্ৰিয়া মণিপুৰীৰ অৱদান আছে। শৃংখলিত জনজাতিসকলৰ ভিতৰত অন্যতম এটা জনগোষ্ঠী বিষ্ণুপ্ৰিয়ামণিপুৰী। আন এগৰাকী অতিথি তেজপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা ড০ গোমা দেৱী শৰ্মাই কয়-- এটা ভাষা আন এটা ভাষাৰ অন্তৰায় নহয়। ভাষা শিকিব লাগে। শিকাব লাগে। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক, লেখক দীপক শৰ্মাই সন্মানীয় অতিথিৰ ভাষণত কয়-- বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য, কলা, সংস্কৃতি আদি সকলোতে আগবঢ়া। বৰ্তমানৰ বিশ্বায়ন যুগত ভাষা জীয়াই ৰখাটো অতি জটিল সন্ধিক্ষণ। কঠোৰ শ্ৰম, ত্যাগ, দায়িত্বশীল জাতিয়েহে ভাষা বৰ্তাই ৰাখিবলৈ সক্ষম হ'ব। সভাত ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা লোক সংস্কৃতিৰ গৱেষক ডাঃ শৰৎ চন্দ্ৰ ৰাভা, বাংলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ড০ প্ৰশান্ত চক্ৰৱৰ্তী, বিষ্ণুপ্ৰিয়া মণিপুৰী মহাসভাৰ সভাপতি ৰামকৃষ্ণ সিনহা, ড০ প্ৰভাস কুমাৰ সিনহা, মানসী সিনহা, বিজয় সিনহাই আমন্ত্ৰিত অতিথি হিচাপে অংশ লৈ বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষা-সাহিত্যৰ ওপৰত আলোকপাত কৰে। সভাত ড০ লক্ষ্মীন্দ্ৰ কুমাৰ সিংহ, পুৰবী সিংহ সম্পাদিত "কবি ৰত্ন সোনাৰূপ সিংহৰ কাব্য সমগ্ৰ (খণ্ড ১), জে এম সিনহা, বীৰেন্দ্ৰ সিনহা সম্পাদিত "বিষ্ণুপ্ৰিয়া মণিপুৰীচ এণ্ড দিয়াৰ লেংগুৱেজ" আৰু মঙ্গলবাবু সিংহৰ "বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাতত্ত্বৰ সমীক্ষা আৰু আঠেপা খানি" গ্ৰন্থ তিনিখন উন্মোচন কৰে ড০ দীপক কুমাৰ ৰায়, কনক চন্দ্ৰ শৰ্মা, দীপক শৰ্মা আৰু ডাঃ শৰৎ চন্দ্ৰ ৰাভাই। সমৱেত সংগীতেৰে আৰম্ভ হোৱা সভাখনি আঁতধৰে বিজন কুমাৰ সিনহাই। ইয়াৰ পিছতে দিলস্ লক্ষ্মীন্দ্ৰ সিংহৰ সঞ্চালনাত আলোচনা-চক্ৰৰ কাৰিকৰী দিশটোৰ ওপৰত আলোচনা কৰা হয়। এই আলোচনাত সমৰজিৎ সিনহা (কলকতা), শিলচৰ নৰ্মাল স্কুলৰ অধ্যক্ষ মানসী সিনহা, শিমু সিনহা, ইটি বৰ্মণ, নীলকান্ত সিনহা (ত্ৰিপুৰা), প্ৰতাপ সিনহা (কলকাতা), গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ৰাজস্মৃতা সিনহা, নৃত্যগুৰু বিভুলকান্তি সিনহা আৰু অধ্যাপক সুচিত্ৰা সিনহাই আলোচক হিচাপে অংশ লৈ জাতিৰ উত্তৰসূৰীৰ বাবে ভাষা ৰক্ষাৰ ওপৰত আলোকপাত কৰে।

## সাহিত্যিক প্ৰফুল্ল কুমাৰ বৰুৱাৰ নেতৃত্বত নতুন সমিতিৰ দায়িত্বগ্ৰহণ

# মাজুলী জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ বিশেষ, মাজুলী, ১৬ মাৰ্চঃ** মাজুলী জিলাত অসম সাহিত্য সভাক গতিশীল আৰু শক্তিশালী কৰাৰ লক্ষ্যৰে আজি নতুন জিলা সমিতিয়ে দায়িত্ব গ্ৰহণ কৰে। এক আড়ম্বৰপূৰ্ণ পৰিৱেশত ৰঙাচাহী মাজুলী যোগী সন্মিলনৰ সভাকক্ষত মাজুলী জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনত নতুন জিলা সমিতিয়ে আজি দায়িত্ব গ্ৰহণ কৰে। মাজুলী জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন আজি মাজুলীৰ ৰঙাচাহীৰ মাজুলী জিলা যোগী সন্মিলনীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ৰঙাচাহী শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত হোৱা উক্ত অধিৱেশন আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত বন্তি প্ৰজ্বলন কৰে ৰঙাচাহী শাখা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল নাথে। তাৰপিছত গছপুলি ৰোপণ কৰে পূব মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ অৰূপ কুমাৰ বৰাই। পুৱা ৮.৩০ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সাহিত্য সভাৰ বিদায়ী সভাপতি ৰামসাগৰ নাথে। স্মৃতিতৰ্পণ কৰে উপ-সভাপতি ৰুবী শইকীয়াই।পুৱা দহ বজাৰপৰা অনুষ্ঠিত
হোৱা প্ৰতিনিধি সভাত মাজুলী জিলাৰ সকলো শাখা সাহিত্য সভাৰপৰা পাঁচজনকৈ শাখা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ৰাম সাগৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন উপ-সমিতিৰ প্ৰাক্তন আহ্বায়ক মনোজ্যোতি ৰেগনে। প্ৰতিনিধি সভাত মাজুলী জিলা সাহিত্য সভাৰ দুবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ আৰু হিচাপ দাখিল কৰে সম্পাদক কেশৱ কাকতিয়ে। দিনৰ ১২ বজাৰপৰা অনুষ্ঠিত হোৱা মুকলি সভাখনত নতুন জিলা সভাপতি প্ৰফুল্ল বৰুৱাক আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। অনুষ্ঠানত জিলা সাহিত্য সভাৰ নতুন উপ-সভাপতি খগেন হাজৰিকা আৰু সম্পাদক সঞ্জীৱ বৰাকো আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰা হয়। ৰঙাচাহী শাখা সাহিত্য সভাৰ মহিলা শিল্পীসকলে পৰিৱেশন কৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে শুভাৰম্ভ হোৱা সভাখনৰ আঁতধৰে সম্পাদক কেশৱ কাকতিয়ে। মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বৰা বুঢ়াভকতে উদ্বোধন কৰা মুকলি সভাত যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অমূল্য কুমাৰ নাথে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। মুকলি সভাত বিশিষ্ট লিখক গুণমণি নাথে মুখ্য অতিথিৰ আসন অলংকৃত কৰি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে।
অসম সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ভূপেন দত্ত, আদৰণী সমিতিৰ সভাপতি সোনাধৰ নাথ, ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আনন্দ নাথ, জ্যেষ্ঠ শিক্ষক নীলকান্ত নাথ, ৰঙাচাহী শাখা সাহিত্য সভাৰপ্ৰাক্তন সভাপতি ৰাধাকৃষ্ণ নাথ, তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ সভাপতি ভোলানাথ দাস হাজৰিকা, বিশিষ্ট লেখিকা লখিমী বৰুৱা, সমন্বয় শাখা সাহিত্য সভাৰ সভাপতি আনন্দ নাথ, সাংবাদিক যদু কলিতা, মাজুলীত কবিতাৰ সম্পাদক জয়ন্ত হাজৰিকাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। মুকলি সভাত জিলা সাহিত্য সভাৰ সম্পাদক কেশৱ কাকতিয়ে দ্বি-বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে। কবি কল্পনা দেৱীয়ে স্ব-ৰচিত কবিতা মাজুলীলৈ স্বাগতম পাঠ কৰে আৰু শিল্পী ডেইজী দেৱী আৰু দীপাঞ্জলি নাথে গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে আদৰণী সমিতিৰ সভাপতি সোনাধৰ নাথে। সভাত মাজুলী জিলা সাহিত্য সভাৰ নতুন সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা আৰু সম্পাদক সঞ্জীৱ বৰাই দায়িত্ব গ্ৰহণ কৰি মাজুলীত অসম সাহিত্য সভাক গতিশীল আৰু শক্তিশালী কৰাৰ বিভিন্ন পৰিকল্পনা ব্যাখ্যা কৰে। মাজুলীক স্বৰ্ণ জিলা শাখাৰূপে গঢ়ি তোলা আৰু নতুন প্ৰজন্মৰ সাহিত্যিক সৃষ্টি কৰা, নতুন প্ৰজন্মৰ সাহিত্যিকৰ গ্ৰন্থ প্ৰকাশ কৰাৰ পৰিকল্পনা প্ৰকাশ কৰি সকলোৰে সহযোগিতা কামনা কৰে।

## ৰঙিয়াত তিনি জুৱাৰীক আটক

**ই-সংবাদ, ৰঙিয়া, ১৬ মাৰ্চঃ** ৰঙিয়াৰ কুমাৰপাৰাত অনুষ্ঠিত দৌল উৎসৱ উপলক্ষে জুৱাখেল অনুষ্ঠিত কৰা তিনিজনকৈ জুৱাৰীক যোৱানিশা আৰক্ষীয়ে অভিযান চলাই আটক কৰিবলৈ সক্ষম হয়। ধৃত জুৱাৰী তিনিজন ক্ৰমে হেমদোলৰ মানৱ কলিতা, কুমাৰ পাৰাৰ ধৰ্মেশ্বৰ কুমাৰ আৰু ৰাজীৱ কুমাৰ। ধৃত জুৱাৰীকেইজনৰ জিম্মাৰপৰা এখন ডাইচ ব'ৰ্ড, ছটাকৈ ডাইচ আৰু নগদধন ২০,৬৯০ টকা জব্দ কৰে আৰক্ষীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## গোলকগঞ্জত অ' বি চি কাৰ্যালয় নিৰ্মাণৰ শুভাৰম্ভ

**ই-সংবাদ, গোলকগঞ্জ, ১৬ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ তিনি নম্বৰ ৱাৰ্ডত আজি অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনীৰ ধুবুৰী জিলাৰ স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে সুদীৰ্ঘ ৬৬ বছৰ পিছত জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনীয়ে এটা স্থায়ী ঠিকনা পাবলৈ সক্ষম হৈছে। অলপতে অসম চৰকাৰে গোলকগঞ্জ চহৰৰ তিনি নম্বৰ ৱাৰ্ডত এক বিঘা মাটি সন্মিলনীৰ কাৰ্যালয়ৰ নামত আৱণ্টন দিয়ে। উক্ত স্থানত ইতিমধ্যে কাৰ্যালয়ৰ আধাৰশিলা স্থাপন হৈছিল। আজিৰপৰা পূৰ্ণগতিত নিৰ্মাণ কাৰ্য আৰম্ভ হয়। গোলকগঞ্জত স্থায়ী ঠিকনা হোৱাত কৰ্মকৰ্তাসকলৰ লগতে অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলো যথেষ্ট লাভৱান হ'ব। অৱশ্যে কাৰ্যালয় নিৰ্মাণৰ বাবে চৰকাৰীভাৱে কোনো পুঁজিৰ আবণ্টন দিয়া নাই। অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনীৰ জিলা সমিতিয়ে প্ৰমাণ-পত্ৰ দি লাভ কৰা ধনেৰে গৃহ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। আজিৰ অনুষ্ঠানত সন্মিলনীৰ উপদেষ্টা দীপক কুমাৰ সৰকাৰ, সভাপতি বিক্ৰমজিত ৰায়, সাধাৰণ সম্পাদক অনুকুল চন্দ্ৰ ৰায়, কাৰ্যকৰী সভাপতি মানিক লাল বৰ্মনকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# বৰপেটাৰোড শাখা সত্ৰত উলহ-মালহেৰে সুৰেৰী উৎসৱ পালন

**ই-সংবাদ, বৰপেটাৰোড, ১৬ মাৰ্চঃ** আজি সামৰণি পৰিল ৰঙৰ উৎসৱ হোলীৰ। বৰপেটাৰোড শাখা সত্ৰত চাৰিদিনীয় কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল হোলী মহোৎসৱৰ। বৰপেটাৰোড শাখা সত্ৰত আজি উলহ-মালহেৰে সুৰেৰী (ফাকুৱা) উৎসৱ পালন কৰা হয়। বৰপেটা সত্ৰৰ পৰম্পৰা অনুযায়ী আজি সমগ্ৰ বৰপেটা জিলাতেই ৰঙৰ উৎসৱ হোলীৰ সুৰেৰী উৎসৱ পালন কৰা হয়। সমান্তৰালকৈ সমন্বয় নগৰী বৰপেটাৰোড শাখা সত্ৰতো শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ সুৰেৰী উৎসৱ পালন কৰা হয়। বৰপেটাৰোডৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ সহযোগত বৰপেটাৰোড শাখা সত্ৰত সুৰেৰী উৎসৱ পালন কৰা হয়। সত্ৰত উপস্থিত হৈ হোলীগীত গাই মতলীয়া হৈ সকলোৱে পৰম্পৰাগত আলু ভাজাৰ সোৱাদ লৈ হোলীৰ আনন্দ লয়। বৰপেটাৰোডৰ ভিন্ন প্ৰান্তৰ মঠ-মন্দিৰৰ পৰা বৰপেটাৰোড শাখা সত্ৰত উপস্থিতহয়। আজিৰ অনুষ্ঠানত বৰপেটাৰোড শাখা সত্ৰ, গোবিন্দ বাৰী, ৰাধা-কৃষ্ণ ঠাকুৰ বাৰী, হনুমান মন্দিৰ, ৰাম মন্দিৰ, বৰ্মনপৰা গোবিন্দ মন্দিৰৰ কমিটিসমূহে অংশগ্ৰহণ কৰে। সকলোৱে মিলিত হৈ এক সমন্বয়ৰ হোলীৰ এক শোভাযাত্ৰা উলিয়ায়।

# উত্তৰ গুৱাহাটীৰ নামঘৰ-মন্দিৰত দৌলোৎসৱৰ সামৰণি

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৬ মাৰ্চঃ** উত্তৰ গুৱাহাটীৰ বিভিন্ন স্থানত অৱস্থিত নামঘৰসমূহৰ লগতে পুৰাণপ্ৰসিদ্ধ শ্ৰীশ্ৰী অশ্বক্লান্ত দেৱালয়ত তিনিদিনীয়াকৈ অনুষ্ঠিত দৌলোৎসৱৰ কালি সামৰণি পৰে। মেষদাহ পৰ্বৰে শুভাৰম্ভ হোৱা উত্তৰ গুৱাহাটীস্থিত বিহলঙনী বৰ নামঘৰ, শিলসাঁকোৰ গোপীনাথ আৰু জগন্নাথ নামঘৰ, মাজগাঁৱৰ নোগোৱা খেল, হিলৈ খেল, দিহিঙীয়া খেল নামঘৰ, মধ্যমখণ্ডৰ জয়ৰাম বলীৰাম নামঘৰ, উত্তৰ গুৱাহাটীৰ দিহিংসত্ৰ (বৰজনা), অশ্বক্লান্ত দেৱালয়, দিহিংসত্ৰৰ গোপাল নামঘৰত তিনিদিনীয়াকৈ অনুষ্ঠিত দৌলৰ সামৰণি পৰিছে। দৌল অনুষ্ঠিত হোৱা প্ৰত্যেক নামঘৰ-মন্দিৰত প্ৰতিষ্ঠিত বিগ্ৰহ লৈ সামৰণিৰ দিনটোতে ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয় য'ত শ শ ভক্তই ফাকু খেলি আনন্দ-উল্লাসেৰে অংশগ্ৰহণ কৰে। ধৰ্মীয় শোভাযাত্ৰাৰে নগৰ পৰিভ্ৰমণ কৰোৱাৰ শেষত বিগ্ৰহ পুনৰ নিজ নিজ মণিকূটত আৰোহণ কৰোৱা হয়। অৱশ্যে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দৌলগোবিন্দ মন্দিৰ আৰু দিহিংসত্ৰ (সৰুজনা)ত অনুষ্ঠিত দৌলোৎসৱ ১৭ মাৰ্চ তাৰিখ পৰ্যন্ত চলিব। এইবেলি শ্ৰীশ্ৰী দৌলগোবিন্দ মন্দিৰত অনুষ্ঠিত পাঁচদিনীয়া দৌলোৎসৱত সহস্ৰাধিক ভক্তৰ সমাৱেশ ঘটিছে। অসমৰ বিভিন্ন প্ৰান্তৰপৰা বহু ভক্তই প্ৰভুৰ আশীৰ্বাদ পাবলৈ ইয়াত পদাৰ্পণ কৰিছে। আয়তীসকলৰ দিহানাম, ভাগৱত পাঠ, আমন্ত্ৰিত নাগাৰা নামদলৰ শিল্পীসকলৰ নাগাৰা নামৰ ধ্বনিত মুখৰিত হৈ পৰিছে মন্দিৰ চৌহদ। আবিৰৰ ৰঙেৰে ৰঙীণ হৈ পৰিছে সমগ্ৰ পৰিৱেশ। দৌলোৎসৱৰ প্ৰতি সন্ধিয়া অনুষ্ঠিত হোৱা যাত্ৰাভিনয়, অংকীয়া ভাওনা আদি ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ মন্দিৰ চৌহদত বহু মানুহে ভিৰ কৰা পৰিলক্ষিত হৈছে।

## গোলাঘাটত সীমাৰ গাঁও প্ৰধান সকললৈ চৰকাৰৰ পাৰিতোষিক বিতৰণ

**ই-সংবাদ, সৰুপথাৰ, ১৬ মাৰ্চঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তবৰ্তী এ বি আৰু চি ছেক্টৰৰ বনগাঁৱৰ গাঁওপ্ৰধানসকলে বিনাপাৰিশ্ৰমিকেৰে দীৰ্ঘদিন ধৰি সীমাবাসীৰ প্ৰতি সেৱা আৰু চৰকাৰী বিভিন্ন কাম-কাজত সহযোগিতা আগবঢ়াই অহা কাৰ্যৰ প্ৰতি স্বীকৃতি জনাই অসম চৰকাৰে তেনে ৩৬৫ জন গাঁওপ্ৰধানক মাহেকীয়া ন হাজাৰ টকাকৈ পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰে। কালি সন্ধিয়া গোলাঘাট জিলা পুথিভঁৰালত অনুষ্ঠিত এক সভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাটৰ পৌৰপতিকে ধৰি বিভিন্নজনৰ উপস্থিতিত সীমাঞ্চলৰ গাঁওপ্ৰধানসকলক আনুষ্ঠানিকভাৱে তেওঁলোকৰ পাৰিশ্ৰমিকৰ চেক বিতৰণ কৰে। সীমান্তৰ গাঁওপ্ৰধানসকলৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি চৰকাৰে বিশেষ সহানুভূতি প্ৰদৰ্শন কৰাত বিভিন্ন মহলে সন্তুষ্টি প্ৰকাশ কৰিছে।

## মাক্ৰিঝোৰাত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত বাইক আৰোহী

**ই-সংবাদ, পৰ্বতঝোৰা, ১৬ মাৰ্চঃ** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মাক্ৰিঝোৰাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা ৬.৪৫ মান বজাত এখন দুচকীয়া বাইক দুৰ্ঘটনাত পতিত হোৱাত এজন বাইক আৰোহী তেজেৰে ৰক্তাক্ত হৈ গুৰুতভাৱে আহত অৱস্থাত পৰি থকা ঘটনাই অঞ্চলটোত এক চাঞ্চল্যকৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গৌৰীপুৰৰপৰা বগৰীবাৰী অভিমুখে আহি থকা AS-16-AM-2675 নম্বৰৰ বাইকখনে যোৱা নিশা উক্ত স্থানত দুৰ্ঘটনাত পতিত হয়। ফলত বাইকখনৰ আৰোহীজন বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত ৰাজাপাৰা দ্বিতীয় খণ্ড গাঁৱৰ কুশল বৰ্মনৰ পুত্ৰ লক্ষণ বৰ্মন (২৭) বুলি জানিব পৰা গৈছে। আনহাতে, চলন্ত অৱস্থাত থকা বাইনখনক বিপৰীত দিশৰপৰা আহি থকা যাত্ৰীবাহী ষ্টাৰ বাছ এখনে খুন্দিয়াই ততাতিয়াকৈ পলাই পত্ৰং দিয়ে বুলি একাংশই সন্দেহ প্ৰকাশ কৰে। লগতে এই দুৰ্ঘটনা কেনেকৈ সংঘটিত হ'ল এয়া আৰক্ষীৰ তদন্ততহে ওলাব বুলি ৰাইজে মতপোষণ কৰে। পিছত স্থানীয় ৰাইজৰ সহযোগত বগৰীবাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ গুৰুতৰভাৱে আহত বাইক আৰোহীজনক সংকটজনক অৱস্থাত ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

## মোৰাঝাৰত একত্ৰিত হ'ল জেচিবি ট্ৰেক্টৰৰ মালিক-চালক

**ই-সংবাদ, মোৰাঝাৰ, ১৬ মাৰ্চঃ** হোজাইৰ মোৰাঝাৰত একত্ৰিত হ'ল জেচিবি-টেক্টৰৰ মালিক-চালকসকল। উল্লেখ্য যে নানা সমস্যাৰ সন্মুখীন হৈ অহা ভুক্তভোগীসকলে অৱশেষত দীৰ্ঘসময় আলোচনাৰ অন্তত গঠন হ'ল এক সস্থা। হোজাইৰ মোৰাঝাৰৰ নজৰুল পাঠাগাৰৰ কাৰ্যালয়ত শনিবাৰে সন্ধিয়া বয়োজ্যেষ্ঠ নাগৰিক আব্দুল হান্নানৰ সভাপতিত্বত এক সভাত মিলিত হয় হোজাই জিলাৰ বিভিন্ন প্ৰান্তৰ জেচিবি আৰু ট্ৰেক্টৰৰ মালিক চালকসকল। এই সভাতে আব্দুছ ছালাম, আলিম উদ্দিন, আব্দুল্লা আহমেদ, ছাদিকুজ জামান, ৰুহুল ইছলাম, জাহাংগীৰ আলম, মিছবাহ উদ্দিনৰ উপস্থিতিত মিলিত হৈ বিগত দিনত ভুগি অহা সমস্যা সন্দৰ্ভত বিতং আলোচনা কৰি এইবোৰ সমাধানকল্পে নুৰ উদ্দিনক সভাপতি আৰু মুকিবুজ জামানক সম্পাদক হিচাপে লৈ ২১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰে। এই সমিতিখনে বিভিন্ন বিভাগৰ সৈতে আলোচনাত মিলিত হৈ ব্যাপক সজাগতা অনাৰ লগতে এক সুৰক্ষিত আৰু নীতিগতভাৱে বাহন চলোৱা বা প্ৰযুক্তিৰ এই ব্যৱসায়টো পৰিচালনাৰ ব্যৱস্থা কৰিব বুলি সংকল্প লয়। শিক্ষিত নিবনুৱাই যাতে সন্মানসহকাৰে স্বাৱলম্বিতাৰে জীৱন-জীৱীকা পালন কৰিব পাৰে তাৰবাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীক সহায় বিচাৰি আহ্বান জনায়।

## হোজাইত পুৰণি বিষ্ণু মন্দিৰৰ ভূমিপূজন আৰু শিল্যান্যাস

**ই-সংবাদ, মোৰাঝাৰ, ১৬ মাৰ্চঃ** ১৯৫১ চনতে প্ৰতিষ্ঠিত হোজাই চহৰৰ মাজমজিয়াত অৱস্থিত একমাত্ৰ বিষ্ণু মন্দিৰটোৰ পৰিকাঠামো দুৰ্বল আৰু চাপৰ হৈ যোৱাত মন্দিৰৰ ভক্তিপ্ৰাণ ৰাইজে পুৰণি মন্দিৰটোৰ কাষতে এটা নতুন মন্দিৰ সজাৰ পৰিকল্পনা কৰি স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষক অনুৰোধ জনোৱাত বিধায়কগৰাকীয়ে ৰাইজক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে আগবাঢ়ি আহে। অৱশেষত ৰাইজৰ বিপুল উৎসাহত যোৱা ১৪ মাৰ্চৰ পবিত্ৰ দৌল পূৰ্ণিমাৰ দিনা স্থানীয় সকলো সম্প্ৰদায়ৰ প্ৰতিনিধিৰ উপস্থিতিত ভূমিপূজন কৰি মংগল মন্ত্ৰ পাঠেৰে নতুন মন্দিৰৰ শিলান্যাস কৰা হয়। শিলান্যাস অনুষ্ঠানত হোজাই অঞ্চলৰ প্ৰতিটো জনগোষ্ঠীৰ সহস্ৰাধিক লোকৰ লগতে বিধায়ক ৰামকৃষ্ণ ঘোষ নিজে উপস্থিত থাকি আধাৰশিলা স্থাপন কৰে। ৰাইজৰ ফালৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰস্তাৱিত মন্দিৰৰ নাটঘৰ নিৰ্মাণৰ বাবে সদ্যহতে ছয়লাখ টকাৰ এটি অনুদান আগবঢ়োৱাৰ ওপৰিও পৰৱৰ্তি কিস্তিত দহলাখ টকাৰ পুঁজি আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ্য যে প্ৰায় এককোটি টকাৰে পুনৰ নিৰ্মাণ কৰিব খোজা বিষ্ণু মন্দিৰৰ বাবে ইতিমধ্যে উমা শংকৰ গোস্বামীক সভাপতি, আশিস ভট্টাচাৰ্যক কাৰ্যকৰী সভাপতি, বীনা বৰকটকী, বিপুল চন্দ্ৰ শৰ্মাক উপ-সভাপতি আৰু অনুপ কুমাৰ বৰঠাকুৰক সাধাৰণ সম্পাদকৰূপে লৈ এখন নিৰ্মাণ উপ-সমিতি গঠন কৰি দিছে। নিৰ্মাণ উপ-সমিতিয়ে ধৰ্মপ্ৰাণ ৰাইজৰপৰা দান-বৰঙণি সংগ্ৰহৰ বাবে প্ৰস্তুতি চলাইছে।

# তিনিচুকীয়াত সংস্কৃত ভাষাৰ প্ৰসাৰৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ আৰু কাৰ্য্যকলাপ কাৰ্যসূচী

**ই-সংবাদ , তিনিচুকীয়া, ১৬ মাৰ্চঃ** সংস্কৃত ভাৰতীৰ তিনিচুকীয়া নগৰ সমিতি, তিনিচুকীয়া সংস্কৃত অধ্যয়ন কেন্দ্ৰ আৰু ৱিমেনজ কলেজ, তিনিচুকীয়াৰ সংস্কৃত বিভাগ আৰু ৱিমেনজ কলেজ তিনিচুকীয়াৰ যৌথ আঁচনিৰে আৰু মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগিতাৰে আজি তিনিচুকীয়া চহৰৰ ৰঙাগড়াপথস্থিত ৱিমেনজ কলেজ, তিনিচুকীয়াৰ সভাগৃহত সংস্কৃত ভাষাৰ প্ৰসাৰৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ আৰু কাৰ্য্যকলাপ শীৰ্ষক এক দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশেষ সমল ব্যক্তিৰ দ্বাৰা সম্ভাষণবৰ্গ, সংস্কৃত শিক্ষকসকলৰ বিশেষ শৈক্ষিক কৰ্মশালা, কুইজ, শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিযোগিতাও অনুষ্ঠিত হ'য়। চাৰিটা সত্ৰত অনুষ্ঠিত কাৰ্যসূচীৰ প্ৰথম সত্ৰত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী ডাঃ নাৰায়ণ উপাধ্যায়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেখেতক আদৰণী জনায় সংস্কৃত ভাৰতী, তিনিচুকীয়া নগৰ সমিতিৰ সভাপতি তথা সাহিত্যিক, সমাজকৰ্মী অতুল চন্দ্ৰ শৰ্মাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সংস্কৃত ভাৰতীৰ উত্তৰ-পূব প্ৰান্তৰ সহঃ সংগঠন মন্ত্ৰী ৰাজেন আচাৰ্যই। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে তিনিচুকীয়া ডাইটৰ অধ্যক্ষ সঞ্চিতা গগৈ, ডাইটৰ অধ্যাপক চন্দ্ৰ কুমাৰ দাহাল। অনুষ্ঠানত মুখ্য অতিথি ডাঃ নাৰায়ণ উপাধ্যায়ে ৰামায়ণ বাল্মীকি বিষয়ত বিশেষ বক্তৃতা প্ৰদান কৰে। প্ৰশ্নমঞ্চ শিতানটি পৰিচালনা কৰে অতুল চন্দ্ৰ শৰ্মাই। ইয়াৰ পূৰ্বে সভাৰ উদঘাটন কৰে ৱিমেনজ কলেজ, তিনিচুকীয়াৰ উপাধ্যক্ষ ড° বিভাৰাণী গোস্বামীয়ে। বন্তি প্ৰজ্বলন কৰে স্থানীয় সমাজকৰ্মী, লেখক অনিল বৰাই। সংস্কৃত বৰ্গ কাৰ্য্যসূচীৰ পৰিচালনা কৰে সংস্কৃত অধ্যয়ন কেন্দ্ৰৰ কেন্দ্ৰ শিক্ষক অনন্ত চেতিয়াই।

# কুৰুৱা-গৰুখুঁটি উন্নয়ন পৰিষদৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ১৬ মাৰ্চঃ** দৰং জিলাৰ কুৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত কুৰুৱা-গৰুখুঁটি উন্নয়ন পৰিষদৰ এখন কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। উন্নয়ন পৰিষদৰ সভাপতি হৰেণ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত পৰিষদৰ এলেকাধীন গাঁও পঞ্চায়ত পাঁচখন ক্ৰমে কুৰুৱা, বাজানা পথাৰ, গণেশ কুঁৱৰী, সানোৱা আৰু গৰুখুঁটি গাঁও পঞ্চায়ত এলেকাৰ পথ-যোগাযোগ, শিক্ষা, স্বাস্থ্য, কৃষি, ভূমি অধিকাৰ তথা ভূমি সুৰক্ষা আদি দিশৰ বিভিন্ন সমস্যা সমাধানাৰ্থে যোৱা বছৰৰ ১৯ আগষ্টত পৰিষদৰ চৈধ্যজনীয়া প্ৰতিনিধিৰ দলে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীক এখনি এঘাৰ দফীয়া দাবী-পত্ৰ দাখিল কৰি দীঘলীয়া আলোচনা কৰাৰ লগতে পাছৰ পৰ্যায়তো দুবাৰকৈ উক্ত দাবী-পত্ৰত উল্লেখিত সমস্যাসমূহৰ সমাধানৰ কাৰ্যকৰী ব্যৱস্থা সম্পৰ্কত আলোচনা কৰা স্বত্বেও বিগত ছমাহে এটাও সমস্যা সমাধানৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিপ্ৰেক্ষিতত সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। সভাত পৰিষদে গ্ৰহণ কৰিবলগীয়া আগন্তুক পদক্ষেপ সন্দৰ্ভত আলোচনা-পৰ্যালোচনা কৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উন্নয়ন পৰিষদৰ সম্পাদক ধকমান শ্ৰেষ্ঠই উদ্দেশ্য ব্যাখ্যা কৰা কাৰ্যনিৰ্বাহক সভাত সানোৱাৰ বিশিষ্ট সমাজকৰ্মী মইনুল হক, কুৰুৱাৰ অৱসৰপ্ৰাপ্ত শিক্ষক শশীন্দ্ৰ দাস, মকুন্দ দাস, সমাজকৰ্মী ভৱেন দাস, যদু মেধি, জিতুল দাস, বাজানা পথাৰৰ গৰুল ছেত্ৰী, গৰুখুটিৰ চিত্ত কুমাৰ নাথ, গণেশ কুঁৱৰীৰ দয়াৰাম দাস, জ্যোতিপ্ৰসাদ ভট্টৰায় আদি উপস্থিত থাকি বিভিন্ন বিষয় সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

# মালিকুছি দৌল মহোৎসৱৰ মহাৰজত জয়ন্তীৰ স্মৰণিকা উন্মোচন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৬ মাৰ্চঃ** নামনি অসমৰ নলবাৰী চহৰৰ মালিকুছিত অৱস্থিত ঐতিহাসিক শ্যামৰায় সত্ৰৰ ৭৫ সংখ্যক দৌল মহোৎসৱৰ মহাৰজত জয়ন্তীৰ কাইলৈ সামৰণি পৰিব। আজি মহাৰজত জয়ন্তীৰ কাৰ্যসূচীত মহানন্দ তালুকদাৰ, সভাপতি আৰু ভুৱনেশ্বৰ শৰ্মা সম্পাদিত স্মৰণিকা উন্মোচন কৰে বিশিষ্ট লেখিকা ডঃ লিনা ডেকাই। উল্লেখযোগ্য যে শ্যামৰাই সত্ৰ বাকৰিত যোৱা ১৩ মাৰ্চৰ পৰা ১৭ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এইবাৰ মহাৰজত জয়ন্তী অনুষ্ঠিত হৈছে। মহোৎসৱৰ প্ৰচাৰ বিভাগৰ তত্বাৱধায়ক সাংবাদিক মনোজ শৰ্মাই জনোৱা মতে যোৱা ১৩ মাৰ্চৰ ৰাতিপুৱা ৮ বজাত শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ ধৰ্মধ্বজা উত্তোলনেৰে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ অনিমেষ কুমাৰ শৰ্মাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ পতাকা উত্তোলন কৰে মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মনে। ইয়াৰ লগে লগে জিলাখনৰ ৭৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে ৭৫ খন পতাকা উত্তোলন কৰে। ৰাতিপুৱা ৯.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে নলবাৰী পৌৰসভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰে। সিদিনাই স্বচ্ছ অভিযান, গছপুলি ৰোপণৰ পিছত সন্ধিয়া মূল মণ্ডপৰ বন্তি প্ৰজ্বলন কৰে সমাজসেৱী নিলীমা দেৱীয়ে। সন্ধিয়া ৬ বজাত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ দ্বাৰ উন্মোচন কৰে সমাজকৰ্মী অজিত শৰ্মাই। ইয়াৰ পিছত আতচবাজী প্ৰজ্বলন কৰে জিলা বিজেপিৰ সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাই। ৬.৩০ বজাত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ উদ্বোধনী আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। মহোৎসৱ উদযাপন সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত থাকে। নিশা ৮ বজাত গ্ৰন্থমেলা উদ্বোধন কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সংঘৰ চালক ডাঃ উমেশ চন্দ্ৰ চক্ৰৱৰ্তীয়ে। নিশা কবিশ্মা নাথৰ নাগাৰা নাম উদ্বোধন কৰে বিশিষ্ট অভিনেতা ধীৰেন বৰ্মনে। দ্বিতীয় দিনা পূজা আৰম্ভ, হোমযজ্ঞ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, ভোগ বিতৰণ, ওজাপালি আৰু কৈহাটীৰ ঢুলীয়া প্ৰদৰ্শন, আৰতি প্ৰদান আৰু নিশা ঢুলীয়াৰ দ্বাৰা নাট প্ৰদৰ্শন। তৃতীয় দিনা পূজা-অৰ্চনা, হোলীগীত আৰু সমূহীয়া ফাকুখেল, আয়তীৰ নাম, অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা। নিশা মুগকুছি মিলন নাট্যগোষ্ঠীৰ নাট প্ৰদৰ্শন হয়। চতুৰ্থ দিনা অৰ্থাৎ আজি পূজা আৰম্ভ, আয়তীৰ নাম, শ্ৰীকৃষ্ণ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, আৰতি প্ৰদান অনুষ্ঠিত হয়। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী গনেশ তামুলীয়ে। অনুষ্ঠানত কণ্ঠশিল্পী গীতালী দেৱী আৰু দীপক দাসে আৰু বহুজনে গীত পৰিৱেশন কৰি সত্ৰ বাকৰি জীপাল কৰি তোলে। কাইলৈ অন্তিম দিনা ৰাতিপুৱা পূজা আৰম্ভ, আয়তীৰ নাম, স্বাস্থ্য সেৱা অনুষ্ঠানৰ লগতে আবেলি ২ বজাত মহাপ্ৰভু শ্যামৰায় প্ৰভুৰ নগৰ পৰিভ্ৰমণেৰে পাঁচদিনীয়া মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ সামৰণি পৰিব।

# গোৰেশ্বৰৰ শিমলিবাৰীত চানজাখৌলা আঞ্চলিক বাথৌ গীথুমৰ ৰূপালী জয়ন্তী

**ই-সংবাদ, গোৰেশ্বৰ, ১৬ মাৰ্চঃ** বাথৌ মহাসভাৰ অধীনৰ চানজাখৌলা বাথৌ আঞ্চলিক গীথুমৰ ৰূপালী জয়ন্তী অহা ২০, ২১, ২২ আৰু ২৩ মাৰ্চত গোৰেশ্বৰৰ শিমলিবাৰীৰ বৈৰাথী বাথৌ মন্দিৰ প্ৰাংগণত চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। কাৰ্যসূচী অনুসৰি ২০ মাৰ্চৰ পুৱা ৬ বজাত বাথৌ বেৰ বনোৱা কাৰ্যসূচীৰে হিতেশ্বৰ নাৰ্জাৰীয়ে ৰূপালী জয়ন্তীৰ কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছতেই ৮ বজাত সিজু আদৰি অনা পৰ্ব অনুষ্ঠিত হ'ব। ২১ মাৰ্চত পুৱা ৫.৩০ বজাত স্বচ্ছ অভিযান, ৬ বজাত বন্তি প্ৰজ্বলন। ৬.৩০ বজাত উপেন নাৰ্জাৰী আৰু ৰাইমল বড়ো সোঁৱৰণী তোৰণ মুকলি কৰিব গোপচাৰ ভি চি ডি চিৰ অধ্যক্ষ লৈথুমা বড়োৱে। নিশা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বি টি আৰৰ পাৰিষদ (খেৰাবাৰী) ভৰেন বড়োৱে। ২৩ মাৰ্চৰ ১১.৩০ বজাত বৈৰাথী স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। ১২.৩০ বজাত মুকলি সভা উদ্বোধন কৰিব অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে। সভাত মুখ্য অতিথি, নিৰ্দিষ্ট বক্তা, বিশিষ্ট অতিথি, সন্মানীয় অতিথি আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বাথৌ মহাসভাৰ জিলা সভাপতি ৰমেন বড়ো, বি টি আৰৰ পাৰিষদ হেমন্ত ৰাভা, বিধায়ক দিগন্ত কলিতা, ফৈলা ৰে বৰগয়াৰী, অসম প্ৰদেশ বি জে পিৰ সভাপতি তথা লোকসভাৰ সাংসদ দিলীপ শইকীয়া, পবিত্ৰ কুমাৰ বড়ো, প্ৰণৱ বড়ো, ভিক্টৰ দাস, ডঃ জিন্তু দত্ত, খগেন দৈমাৰী, গোৰেশ্বৰ পৌৰসভাৰ অধ্যক্ষ কৃষ্ণ দাস স্বৰ্গীয়াৰী, চন্দ্ৰধৰ বড়ো আদি।

# অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সম্পন্ন




**ই-সংবাদ, গেলেকী, ১৬ মাৰ্চঃ** অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, শিৱসাগৰ জিলা সমিতিৰ সহযোগত, আমগুৰি শাখা সমিতি, অসম চাহ মজদুৰ সংঘৰ আমগুৰি প্ৰাথমিক গোট, আটছাৰ আমগুৰি শাখা তথা আমগুৰি চাহ বাগিচাৰ ৰাইজৰ আতিথ্যত আজি ১৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। আমগুৰি চাহ বাগিচা শিৱ মন্দিৰ প্ৰাংগণত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি। কাৰ্যসূচীৰ আৰম্ভণিতে বিশিষ্ট ব্যক্তিৰ দ্বাৰা ১৭ টা গছপুলি ৰোপণ কৰা হয়। পুৱা ৯ বজাত পতাকা উত্তোলন কৰে অসম চাহ জনগোষ্ঠীৰ সাহিত্য সভাৰ সভাপতি সঞ্জয় কুমাৰ তাঁতীয়ে। তাৰ পৰৱৰ্তী কাৰ্যসূচী অনুসৰি স্মৃতি তৰ্পণ কৰে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ কৈৰীয়ে। পুৱা ১০ বজাৰপৰা আৰম্ভ হয় মুকলি সভা। মুকলি সভাত সভাপতিত্ব কৰে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভাপতি সঞ্জয় কুমাৰ তাঁতীয়ে। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত আছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী সন্মানপ্ৰাপক প্ৰহ্লাদ চন্দ্ৰ তাছাৰ লগতে ভালেকেইজন বৰেণ্য ব্যক্তি। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ পৃথিৱী মাঝি। অনুষ্ঠানটিত ভালেকেইজন আমন্ত্ৰিত ব্যক্তিক তেওঁলোকে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম চাহ জনগোষ্ঠী সাহিত্য সভাই চাহ জনগোষ্ঠীটোৰ নৱ-প্ৰজন্মৰ লেখক-লেখিকাসকলক গুৰুত্ব দিয়া বুলি উল্লেখ কৰে সভাত। অসমৰ বৰ্ণাঢ্য সংস্কৃতিত চাহ জনগোষ্ঠী লোকসকলে একতা আৰু সমন্বয়েৰে নিজৰ স্বকীয়তা বজাই একেডাল সূতাৰে বান্ধ খোৱা বুলি কয় বিশিষ্ট ব্যক্তিসকলে।

# চৰাইদেউ জিলা সাহিত্য সভাৰ ন-পুৰণি যুটীয়া বৈঠক আৰু প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, মথুৰাপুৰ, ১৬ মাৰ্চঃ** চৰাইদেউ জিলা সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ ন-পুৰণি যুটীয়া বৈঠক আৰু প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখন জিলাখনৰ ভজো শাখা সাহিত্য সভা আৰু মাহমৰা শাখা সাহিত্য সভাৰ আতিথ্যত ভজো উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত দেওবাৰে অনুষ্ঠিত হৈ যায়। চৰাইদেউ জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি শিক্ষক, সাহিত্যিক মুকুট বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সম্পাদক বিপুল বৰুৱাই। জিলাখনৰ বিভিন্ন শাখাৰ সভাপতি, সম্পাদক আৰু জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিতিত আনুষ্ঠানিকভাৱে বিদায়ী সভাপতি নিৰঞ্জন ফুকনে নৱ-নিৰ্বাচিত সভাপতি মুকুট বৰগোহাঁইক আগন্তুক দুবছৰৰ বাবে জিলা সাহিত্য সভাৰ দায়িত্ব অৰ্পণ কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখনৰ আৰম্ভণিতে পুৱা ৮.৪৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মুকুট বৰগোহাঁইয়ে। তাৰপিছতে পুৱা ১০ বজাত অনুষ্ঠিত স্মৃতি তৰ্পণ কৰে জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত উপ-সভাপতি বীৰেণ চেতিয়া আৰু ভজো শাখা প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ আজীৱন সদস্য বীণাপাণি বুঢ়াগোহাঁইয়ে। সভাত উপস্থিত থকা জিলা প্ৰতিনিধি ৰঘুনাথ কাগয়ুঙে সভাখন উদ্বোধন কৰাৰ পিছতে বিদায়ী সভাপতিয়ে নতুন সমিতিখনক শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। নৱ-নিৰ্বাচিত সভাপতি মুকুট বৰগোহাঁইয়ে আগন্তুক সময়ৰ বাবে প্ৰস্তুত কৰা কাৰ্যসূচীৰ এক সম্যক আভাস দাঙি ধৰে। সকলো বিষয়ববীয়াক জিলা সাহিত্য সভাক গতিশীলতা প্ৰদান কৰাৰ ক্ষেত্ৰত সহযোগিতা আৰু পৰামৰ্শ কামনা কৰে। এই সভাতে নৱ-নিৰ্বাচিত সকলো বিষয়ববীয়াক ভজো আৰু মাহমৰা শাখা সাহিত্য সভাৰ তৰফৰপৰা একোখনকৈ গ্ৰন্থৰে অভিনন্দন জ্ঞাপন কৰা হয়। এই কাৰ্যনিৰ্বাহক সভাত উপস্থিত আছিল ভজো শাখাৰ সভাপতি নোমল গগৈ, উপ-সভাপতি প্ৰভাত চন্দ, সম্পাদিকা সংগীতা বৰুৱা, পত্ৰিকা সম্পাদিকা ৰাজশ্ৰী বৰগোহাঁই, জিলা সাহিত্য সভাৰ বিষয়ববীয়া বাণী চাংমাই, বলোৰাম চেতিয়া, বিবেকা হাজৰিকা, বিচয়ন্তী সন্দিকৈ, স্বপন কৰ, ভূপেন বৰুৱা, ফণীন্দ্ৰ চেতিয়া, অমিয়া গগৈ সোণোৱাল, কল্পনা বৰুৱা, বিপুল মহন্ত, ফৰিদ আদি আদিৰ লগতে শান্তিপুৰ শাখাৰ বীণা চেতিয়া বুঢ়াগোহাঁই, আৰতি বৰা, নয়নমণি কোঁৱৰ বৰা, সোণাৰি শাখাৰ পাপৰি গগৈ, বিজুমণি দত্ত, বিশ্ৰামপুৰ শাখাৰ অৱনী বৰুৱা, জ্যোতিৰ্ময় গগৈ, পুৰণা সাপেখাটিৰ মাখনী গোস্বামী, বিউতি তালুকদাৰ, বৰহাটৰ দিচেন গগৈ, সাপেখাটিৰ জ্যোতিপ্ৰকাশ বৰুৱা আদিৰ উপৰি আন বিষয়ববীয়াসকল উপস্থিত থাকে।

# অসম আন্দোলনৰ সক্ৰিয় নেতা, সাংবাদিক, সাংস্কৃতিক-কৰ্মী ভৱতোষ ডেকাৰ মৃত্যু

**ই-সংবাদ, উত্তৰ কামৰূপ, ১৬ মাৰ্চঃ** কমলপুৰৰ অজাত শত্ৰু, অভিভাৱকস্বৰূপ, হাস্য-ব্যংগৰে কমলপুৰবাসীৰ মুখত হাঁহি বিৰিঙাই ৰখা অসম আন্দোলনৰ সক্ৰিয় নেতা, জ্যেষ্ঠ সাংবাদিক, সাংস্কৃতিক-কৰ্মী, অভিনেতা ভৱতোষ ডেকাৰ যোৱানিশা মৃত্যু হয়। এগৰাকী মানৱদৰদী, প্ৰতিটো স্তৰৰে মানুহৰ মুখত হাঁহি বিচৰা, স্পষ্টবাদী, নিৰ্ভিক, সমাজসেৱী, নাট পৰিচালক, অভিনেতা, সৰ্বজনপ্ৰিয়, পৰিপাটি চেহেৰাৰ ডেকাই ৬৮ বছৰত শেষ নিশ্বাস ত্যাগ কৰে। বিগত প্ৰায় এপষেক কাল অত্যন্ত সংকটজনক অৱস্থাত ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থাকি নিশা প্ৰায় ১২.৩০ বজাত ডেকাই জীৱন নাটৰ সামৰণি পেলায়। কমলপুৰৰ সকলোৰে মুখত হাঁহিৰ ৰঙীন ফুলপাহি ছটিয়াই ফুৰা জনপ্ৰিয় ব্যক্তিগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ অঞ্চলটোত শোকাকুল পৰিৱেশে বিৰাজ কৰে। আজি পুৱা প্ৰথমে ডেকাৰ নশ্বৰ দেহ কমলপুৰ জনপ্ৰিয় ক্লাবৰ প্ৰাংগণলৈ আনি শেষশ্ৰদ্ধা জ্ঞাপন



কৰা হয়। কমলপুৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ ভৰালী আৰু কমলপুৰ জনপ্ৰিয় ক্লাবৰ সভাপতি দীপক দাসে ডেকাৰ নশ্বৰ দেহত শেষশ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পিছত কমলপুৰ উন্নয়ন সমিতিৰ কাৰ্যালয় প্ৰাংগণত ডেকাৰ নশ্বৰ দেহত শ্ৰদ্ধা জ্ঞাপন কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ উপদেষ্টা ধীৰাজ ৰাজবংশীয়ে আঁতধৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীত কমলপুৰ উন্নয়ন সমিতিৰ হৈ সভাপতি ৰমেন চৌধুৰী সম্পাদক চান্দ মহম্মদ আলী, কামৰূপ জিলা সাংবাদিক সন্থা, কমলপুৰ আঞ্চলিক ছাত্ৰ সন্থা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা, কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনী, কমলপুৰ ব্যৱসায়ী সন্থা, কমলপুৰ ৰঙালী বিহু সন্মিলনী, কমলপুৰ দুৰ্গা মন্দিৰ সমিতি, কমলপুৰ শিৱ মন্দিৰ সমিতি, বাইহাটা শিৱ মন্দিৰ সমিতি, কমলপুৰ বাইহাটা জ্যেষ্ঠ নাগৰিক সন্মিলন, কমলপুৰ ষ্টাৰ ক্লাব, কমলপুৰ থিয়েটাৰ পৰিচালনা সমিতি, ৰঙিয়া জিলা যুৱ ছাত্ৰ পৰিষদ, কমলপুৰ মণ্ডল বিজেপি, উত্তৰ কামৰূপ জিলা বিজেপিয়ে প্ৰয়াত ডেকাৰ নশ্বৰ দেহত শেষশ্ৰদ্ধা নিবেদন কৰে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, অসম বাৰ্তাজীৱী সংঘৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ডেকাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# কাৰ্বি আংলং জিলা বাথৌ মহাসভাৰ অধিৱেশন সম্পন্ন

## ডিফু বিয়াব বাথৌ মহাসভাৰ অধিৱেশনৰো সামৰণি

**ই-সংবাদ, নগাঁও, ১৬ মাৰ্চঃ** কাৰ্বি আংলং জিলাৰ ডিফুৰ মিথিফাং বাথৌ থানশালীৰ প্ৰাংগণত যোৱা ৮ আৰু ৯ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলং জিলা সদৌ বাথৌ মহাসভাৰ ৭৬ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু ডিফু আঞ্চলিক বাথৌ মহাসভাৰ ১৯ সংখ্যক অধিৱেশনখনি সফলতাৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে ৮ মাৰ্চত দুৱাৰ উদ্বোধন, বাওশালী শুধীকৰণ, আৰজ, ধৰ্মীয় পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মণ্ডপ উদ্বোধন, প্ৰতিনিধি শিবিৰ উদ্বোধন, প্ৰতিনিধি সভা আদি আৰু জিলা সদৌ বাথৌ মহাসভাৰ কাৰ্যসূচীসমূহৰ ভিতৰত আছিল থানশালী, বাওশালী শুধীকৰণ, বন্তি প্ৰজ্বলন, আৰজ, প্ৰতিনিধি পঞ্জীয়ন, সিজৌৰাৰী জ্ঞান বিষয়ক দৌৰিসকলৰ আলোচনা-চক্ৰ, প্ৰতিনিধি সভা, কাৰ্বি আংলং জিলা সদৌ বাথৌ মহাসভাৰ হীৰক জয়ন্তী সামৰণি অধিৱেশনৰ বন্তি প্ৰজ্বলন আদি। আনহাতে, ৯ মাৰ্চত পুৱাৰ আৰজ, ধৰ্মীয় পতাকা উত্তোলন, স্মৃতি তৰ্পণ, দ্বিতীয় প্ৰতিনিধি সভাৰ পিছতে ৰিবয় বসুমতাৰীৰ সভাপতিত্বত ধৰ্মীয় আলোচনা চক্ৰ আৰু স্মৃতিগ্ৰন্থ উন্মোচন হয়। সমাজ সংগঠক দালসিং বসুমতাৰী, মণ্টু মৌচাহাৰী আৰু লংকেশ্বৰ হাইনাৰীৰ সঞ্চালনাত বাথৌ সানথী আৰী বেনি গুমুৰথি বিষয়ৰ ওপৰত আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অন্তিম দিনাৰ সন্ধিয়া পতাকা অৱনমিতৰে অনুষ্ঠানৰ সমাপ্তি ঘটে। ইপিনে, এই অধিৱেশনৰ প্ৰতিনিধি সভাতে দিলীপ কুমাৰ বসুমতাৰীক সভাপতি, ডিম্বৰ মহেলা, নিৰ্মল বসুমতাৰী, শুকুৰসিং বসুমতাৰী, মণ্টু নাৰ্জাৰী, জহৰলাল বসুমতাৰী, এথিলিয়ান বাগলাৰীক উপ-সভাপতি, নাৰায়ণ বসুমতাৰীক সাধাৰণ সম্পাদক, কমলেশ্বৰ বাগলাৰী, খড়মডাও বসুমতাৰী, জনেশ্বৰ বসুমতাৰী, অৰ্গেং নাৰ্জাৰীক সহকাৰী সাধাৰণ সম্পাদক, চৰণ বসুমতাৰীক মুখপাত্ৰ, জয়সিং বসুমতাৰীক উপ-মুখপাত্ৰ, ছগৰাকী সাংগঠনিক সম্পাদক, তিনিগৰাকী সাংস্কৃতিক সম্পাদক, এগৰাকী কেচিয়াৰ আৰু নৰেন চন্দ্ৰ বড়োক কাৰ্যালয় সম্পাদক তথা সোতৰগৰাকীক সদস্য ৰূপে লৈ আগন্তুক ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে সদৌ বাথৌ মহাসভাৰ কাৰ্বি আংলং জিলা সমিতিখন গঠন কৰা হয় বুলি আজি ইয়াত বিষয়ববীয়া নাৰায়ণ বসুমতাৰীয়ে জানিবলৈ দিয়ে।

# দুলীয়াজান ক্লাবত অংকীয়া ভাওনা কৰ্মশালাৰ সফল সামৰণি

**ই-সংবাদ, দুলীয়াজান, ১৬ মাৰ্চঃ** তৈল নগৰী দুলীয়াজানৰ অইল ইণ্ডিয়া কৰ্মচাৰীসকলৰ বিনোদন গৃহ দুলীয়াজান ক্লাবৰ উদ্যোগত আৰু অসমীয়া জাতিৰ সত্তা, চিন্তা, ভাগ্য আৰু স্বপ্নৰ লগত একাকাৰ হৈ থকা অসমীয়া জাতিৰ পিতৃপুৰুষ সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টিৰাজীৰ শুদ্ধ তথা পৰিশীলিত ৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যেৰে দুলীয়াজান ক্লাবে বিভিন্ন সময়ত উদ্যোগ গ্ৰহণ কৰি আহিছে। তেনে এক উদ্দেশ্যৰে যোৱা ৯ মাৰ্চৰপৰা বৰ বায়ন হৰিচৰণ ভুঞাৰ তত্বাৱধানত আয়োজন কৰা ৮ দিনীয়া অংকীয়া ভাওনা কৰ্মশালাৰ আজি সফল সমাপ্তি ঘটে। এই সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি দুলীয়াজান ক্লাবে প্ৰশিক্ষাৰ্থীসকলক লৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত কেলিগোপাল নাটখনি মঞ্চস্থ কৰে। নাটখনিত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে সুন্দৰভাৱে নাট প্ৰদৰ্শন কৰি ক্লাব প্ৰেক্ষাগৃহত উপস্থিত দৰ্শককপৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# উৰিয়ামঘাট গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱৰ সফল সামৰণি




**ই-সংবাদ, সৰুপথাৰ, ১৬ মাৰ্চঃ** উৰিয়ামঘাট ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ-২০২৫ৰ আজি সফল সামৰণি পৰে। পাঁচদিনীয়াকৈ অনুষ্ঠিত এই গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো অগ্ৰগণী গ্ৰন্থ বিপনী আৰু প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। সাহিত্যৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত চাওলুং চুকাফা নাছিল দ্বিগবিজয়ী বীৰ, আছিল সমন্বয়ৰ প্ৰতীক শীৰ্ষক তৰ্ক প্ৰতিযোগিতা, বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্ম জীৱন আৰু দৰ্শন, উৰিয়ামঘাট শাখা সাহিত্য সভাৰ উদ্যোগত সাম্প্ৰতিক অসমীয়া আধুনিক সাহিত্যৰ গতিধাৰা আৰু উদযাপন সমিতিৰ উদ্যোগত সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়নৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ শীৰ্ষক আলোচনা-চক্ৰ আৰু মুকলি সভা তথা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ভুপেন শইকীয়া সভাপতি আৰু ৰুহিনী গগৈৰ সম্পাদনাত প্ৰয়াস নামৰ এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে সৰুপথাৰ মহাবিদ্যালয় অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। উল্লেখ্য যে একেই আনুষ্ঠানতে স্পনানী গগৈ চেতিয়াৰ ভূঁই ৰোৱা তিৰুতাবোৰ, স্থানীয় কবি তথা লেখক মহেশ্বৰ বসুমতাৰীৰ শিপাৰ সন্ধানত নৰৱে'লৈ (দ্বিতীয় খণ্ড) আৰু কমলা দুৱৰাৰ জ্ঞানকোঁহ নামৰ এখন শিশু কাব্যপুথি উন্মোচন কৰা হয়। শেষৰ দিনাৰ মুকলি সভাত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে কয় যে বহু প্ৰত্যাহ্বান নেওচি সীমান্তৱৰ্তী অঞ্চলটোত গ্ৰন্থমেলাৰ জৰিয়তে উদ্যোক্তাসকলে গ্ৰন্থ অধ্যয়নৰ বাবে এক জাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। উদ্বোধনী ভাষণত বিধায়কগৰাকীয়ে গ্ৰন্থমেলাৰ স্থলীত থকা ৰংগমঞ্চৰ বাবে ২০ লাখ টকাৰ অৰ্থসাহায্য ঘোষণা কৰে। গ্ৰন্থমেলা বাকৰিত আটাইকেইটা দিনতে স্বচ্ছতা আৰু বিশুদ্ধ খোৱাপানীৰ যোগান ধৰি মানৱ সেৱা উত্থান সমিতিৰ যুৱকসকলে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

# দুনীত জাবৰৰ দ'ম



**ই-সংবাদ, দুনী, ১৬ মাৰ্চঃ** পশ্চিম দৰঙৰ দুনীত জাবৰৰ দ'মে কদৰ্যময় কৰি তুলিছে ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ চৌহদ। পশ্চিম দৰঙৰ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰৰ অন্যতম স্থলী দুনীত একাংশ লোকে যধে-মধে পেলোৱা জাবৰে দুৰ্গন্ধ বিয়পোৱাৰ লগতে পুতি পেলাইছে পানী ওলাই যোৱা নলা। একপ্ৰকাৰ ধোঁৱাচাঙত তুলিছে স্বচ্ছ ভাৰত অভিযানক। দুনীৰ মাজমজিয়াত থকা দমকল আৰু প্ৰসাৰগাৰলৈ জাবৰৰ দ'মৰ বাবে যাব নোৱাৰা অৱস্থা। দুৰ্গন্ধ আৰু কদৰ্য্যময় পৰিৱেশ। একেদৰে সাহিত্য সভা ভৱনৰ প্ৰৱেশ পথটো ডিচপবেল গিলাচ, পলিথিন আদি পেলাই কদৰ্যময় কৰি তুলিছে। মূলতঃ সামাজিক সচেতনতাৰ অভাৱৰ বাবে একাংশ ব্যৱসায় প্ৰতিষ্ঠানৰ পিছফালে যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। জাবৰ নিষ্কাশনৰ কোনো সু-ব্যৱস্থা নাই অঞ্চলটোত। আনকি স্থানীয় দল-সংগঠনসমূহেও এই দিশত কোনো গুৰুত্ব আৰোপ কৰা নাই।

# দুলীয়াজান যুৱ সংঘৰ ব'হাগী উৎসৱ উপলক্ষে সমিতি গঠন

## ব'হাগী উৎসৱত কৃষক আৰু শিল্পী বঁটা প্ৰদানৰ সিদ্ধান্ত

**ই-সংবাদ, দুলীয়াজান, ১৬ মাৰ্চঃ** দুলীয়াজানৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান দুলীয়াজান যুৱ সংঘৰ উদ্যোগত, ভাদৈ যুৱ সংঘ আৰু মধুটিং সূৰ্যোদয় যুৱ সংঘৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া ব'হাগী উৎসৱ-২০২৫ উপলক্ষে এখন ৰাজহুৱা সভা কালি অনুষ্ঠিত হৈ যায়। দুলীয়াজান যুৱ সংঘৰ কাৰ্যকৰী সভাপতি প্ৰাঞ্জল শইকীয়াৰ সভাপতিত্বত দুলীয়াজান বিহুতলী প্ৰাংগণত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় যুৱ সংঘৰ যুটীয়া সম্পাদক আদিত্য ফুকনে। সভাত দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোকবিকাশ গগৈ, শিক্ষয়িত্ৰী নিজু ৰাভা গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড০ সত্যকাম বৰঠাকুৰ, জ্যেষ্ঠ সাংবাদিক পবিত্ৰ বৰঠাকুৰ, সমাজকৰ্মী দিব্যজ্যোতি বৰুৱাই বিগত সময়ছোৱাত দুলীয়াজান যুৱ সংঘই ৰূপায়ণ কৰা কাৰ্যসূচী আলোকপাত কৰি প্ৰশংসা কৰাৰ লগতে ব'হাগী উৎসৱ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়ায়। অসম পাব্লিক স্কুলৰ পৰিচালন সঞ্চালক জাপান থাপা, জাতীয়তাবাদী নেত্ৰী বন্তি হাজৰিকা, সংগীত শিক্ষক তৰুণ গগৈকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধি তথা ৰাইজ উপস্থিত থকা সভাত দুলীয়াজান যুৱ সংঘৰ মুখ্য পৃষ্ঠপোষক শংকৰজ্যোতি বৰুৱাই ব'হাগী উৎসৱৰ পৰিকল্পনা প্ৰকাশ কৰি কৃষি আৰু বস্ত্ৰ শিল্পৰে জড়িত দুগৰাকী লোকক উৎসাহিত কৰাৰ উদ্দেশ্যে ক্ৰমে কৃষি আৰু শিপিনী বঁটা প্ৰদান কৰাৰ বিষয়ে উল্লেখ কৰে। বিহু যিহেতু কৃষিভিত্তিক উৎসৱ, সেয়েহে যুৱ সংঘৰ বঁটা প্ৰদানৰ সিদ্ধান্তক উপস্থিত ৰাইজে ভূয়সী প্ৰশংসা কৰি অহা ২৪ আৰু ২৫ এপ্ৰিলত দুলীয়াজান বিহুতলী প্ৰাংগণত ব'হাগী উৎসৱ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শেষত সৰ্বসন্মতিক্ৰমে ড০ সত্যকাম বৰঠাকুৰক সভাপতি, পৰাগ গগৈ, দিব্যজ্যোতি বৰুৱাক কাৰ্যকৰী সভাপতি, ভাৰ্গৱ বৰুৱা, কনক গগৈক যুটীয়া সম্পাদক হিচাপে লৈ বিভিন্ন জাতি-জনগোষ্ঠীক সামৰি প্ৰায় দুশজনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰে বুলি যুৱ সংঘৰ সম্পাদক আব্দুল ছাত্তাৰে জানিবলৈ দিছে।

# আন্তঃক্লাব ক্ৰিকেট খেলত ছেমিত প্ৰৱেশ স্প’ৰ্টছ ক্লাব আৰু ৰংমনৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৬ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ লীগৰ গ্ৰুপ-ডিৰ খেলত দুই নং মোল্লাপট্টীৰ জিয়াউৰ ৰহমান (সভাপতি) আৰু নেকিবুৰ ৰহমান (সম্পাদক)ৰ দ্বাৰা গঠিত এন এফ চি স্প’ৰ্টছ ক্লাবে নুৰেভা ক্লাবক ছয় উইকেটত আৰু গ্ৰুপ-চিৰ খেলত ৰংমন একাডেমীয়ে মাজৰআটি এ এছ সমাজক পাঁচ উইকেটত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জনৰে ছেমিফাইনেলত স্থান সুৰক্ষিত কৰিছে। ইয়াৰে, আজি বিয়লি গ্ৰুপ-ডিৰ খেলখনত নুৰেভা ক্লাবে পোনতে বেট ধৰি নিলোৎপল হাজৰিকাৰ-৪৮ আৰু নিলোৎপল দাসৰ-২৫ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২০ অভাৰত নটা উইকেট হেৰুৱাই ১৩১ ৰাণ সংগ্ৰহ কৰে। বলিঙত এন এফ চি স্প’ৰ্টছ ক্লাবৰহৈ চালাউদ্দিন আহমেদে তিনিটা, অধিনায়ক কুড্ডুছ আলিয়ে দুটা, নেকিবুৰ ৰহমান, নবাৰুন দাস, ৰাহুল সৰুজ আৰু চৈয়ব আখটাৰে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত এন এফ চি স্প’ৰ্টছ ক্লাবে চৈয়ব আখটাৰৰ অপৰাজিত-৪১, সমীৰ মাহাতুৰ-২১, নেকিবুৰ ৰহমানৰ-১৬, কুড্ডুছ আলিৰ-১২ আৰু ৰাহুল সৰুজৰ-১০ ৰাণৰ উল্লেখনীয় অৱদানৰে ১৮ অভাৰত চাৰিটা উইকেটৰ বিনিময়তে ১৩২ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্যত উপনীত হয়। বলিঙত নুৰেভা ক্লাবৰহৈ বিপ্লৱ দাসে দুটা, ধ্ৰুৱজ্যোতি বৰা আৰু যজ্ঞজ্যোতি বৰাই এটাকৈ উইকেট দখল কৰে। আনহাতে, আজি পুৱাবেলাৰ খেলখনত মাজৰআটি এ এছ সমাজে পোনতে বেট ধৰি ১৮ অভাৰত আঠটা উইকেট হেৰুৱাই ১০৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰংমন একাডেমীয়ে ১৬ অভাৰত পাঁচটা উইকেটৰ বিনিময়তে ১১১ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্য অতিক্ৰম কৰে। ইতিপূৰ্বে গ্ৰুপ-বিৰ পৰা উদয় সংঘ আৰু গ্ৰুপ-এৰ পৰা খুটিকটীয়া ইয়ুথ ক্লাবে ছেমিফাইনেলত প্ৰৱেশ কৰিছে।



লঠঙা ফাগুনে পানী জুঁৰলিত অঁকা এখন নিখুঁত আলেখ্য, ফটোঃ ৰূপম শৰ্মা



আকৌ এবাৰ! দিল্লী কেপিটেলছৰ বিৰুদ্ধে ডব্লিউপিএলত খিতাপ দখলৰ পিছত বিজয় উল্লাস মুম্বাই ইণ্ডিয়ানছৰ

## ৫০ কোটি ডলাৰ বিনিয়োগেৰে ক্ৰিকেট লীগৰ আয়োজন চৌদিৰ

# আইপিএলক প্ৰত্যাহ্বান জনাই গঠন হ’ব বিশ্বৰ সৰ্ববৃহৎ টি-২০ লীগ

**নতুন দিল্লী, ১৬ মাৰ্চঃ** আইপিএলৰ আধিপত্য হ্ৰাস কৰিবলৈ নতুন প্ৰত্যাহ্বান চৌদি আৰৱৰ! প্ৰায় ৩৫০০ কিলোমিটাৰ দূৰত বহি ক্ৰিকেটৰ বজাৰ কঁপাবলৈ সাজু হৈছে চৌদি টি-২০ লীগ। চৌদি চৰকাৰে বিশ্বৰ সৰ্ববৃহৎ টি-২০ লীগ গঠনৰ পৰিকল্পনা কৰিছে, যাৰ বাবে ৫০ কোটি ডলাৰ (প্ৰায় ৪৩৪৭ কোটি টকা) ব্যয় হ’ব। কেৱল পুৰুষৰ লীগেই নহয়, মহিলাৰ বাবেও সুকীয়া প্ৰতিযোগিতা আৰম্ভ কৰা হ’ব। এই বৃহৎ বিনিয়োগৰ পদক্ষেপে বিশ্ব ক্ৰিকেটৰ ভাৰসাম্যৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তন আনিব পাৰে বুলি ইতিমধ্যে অনুমান কৰা হৈছে। চৌদি চৰকাৰে নিজৰ ক্ৰীড়া খণ্ডৰ পুঁজিৰ পৰা এই প্ৰকল্পত ধন ঢালিব, আনহাতে কিছুমান বহুজাতিক কোম্পানীয়েও বিনিয়োগ কৰিবলৈ আগ্ৰহী। শেহতীয়া বছৰবোৰত চৌদি আৰবে ফুটবল, টেনিছ, গলফ আৰু ফৰ্মুলা ৱানৰ দৰে ক্ৰীড়াত যথেষ্ট বিনিয়োগ কৰিছে। এইবাৰ তেওঁলোকৰ গুৰুত্ব পোনপটীয়াকৈ ক্ৰিকেটত। ২০৩৪ চনৰ ফিফা বিশ্বকাপ আয়োজনৰ দৌৰত অৱতীৰ্ণ হোৱা এই দেশখনে এতিয়া বিশ্ব ক্ৰিকেটত নিজৰ স্থান পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে। এই টি-২০ লীগৰ গাঁথনি সম্পূৰ্ণ নতুন হ’ব। গ্ৰেণ্ড শ্লেম টেনিছৰ দৰেই বিশ্বব্যাপী প্ৰতিযোগিতা হ’ব, গোটেই বছৰটোত আঠটা দলে বিভিন্ন দেশত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। চৌদি আৰৱত অনুষ্ঠিত হ’ব ফাইনেল। বিশ্বৰ শীৰ্ষ ক্ৰিকেটাৰসকলক আকৰ্ষণ কৰিবলৈ বিপুল পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে। বিশ্ব ক্ৰিকেটৰ বজাৰ দখল কৰিবলৈ চৌদি আৰবে বিভিন্ন পৰিকল্পনা কৰিছে। কিন্তু প্ৰশ্ন হয়, ইয়াৰ কি প্ৰভাৱ পৰিব আই পি এলত? বিশেষজ্ঞসকলৰ মতে আই পি এলৰ সমান্তৰালকৈ যদি চৌদি লীগ আয়োজন কৰা হয় তেন্তে বেছি টকাৰ লোভত চৌদি আৰৱৰ ফালে ঢাল খাব পাৰে কিছুমান ডাঙৰ তাৰকাই। কিন্তু বিচিচিআইয়ে বৰ্তমানৰ ভাৰতীয় খেলুৱৈসকলক বিদেশী লীগত অংশগ্ৰহণ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। ফলত ভাৰতীয় তাৰকাসকলে চৌদি লীগত খেলিব নোৱাৰিব, কেৱল অৱসৰপ্ৰাপ্ত খেলুৱৈয়েহে খেলাৰ সুযোগ পাব। লক্ষ্যণীয় যে, আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এক বৃহৎ প্ৰতিযোগিতা আৰম্ভ কৰিবলৈ হ’লে আইচিচিৰ অনুমোদন ল’ব লাগিব। চৌদিৰ এই পৰিকল্পনাক লৈ আইচিচিৰ স্থিতি লক্ষ্যণীয় হ’ব।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি